বিদ্ৰোহী-মৰাণ।

(নাট)

বাবভূঞা, চোবাংচোবাৰ-চ'ৰা, বদন-বৰফুকন,

চন্দ্ৰকান্তসিংহ, বহাগী, জোনোবালি আদি

প্ৰণেতা

শ্ৰীনকুলচন্দ্ৰ ভূঞা প্ৰণীত।

চাৰিং, শিৱসাগৰ

১৮৬০ শক।

বেচ—১৲ টকা

ৰক্ষিত মূল্য

প্ৰকাশক—
শ্ৰীনকুলচন্দ্ৰ ভূঞা
চাবিং শিৱসাগৰ।

প্ৰিণ্টাৰ—
শ্ৰীজিতেন্দ্ৰ কুমাৰ দাস
আসাম প্ৰিণ্টিং ওৱাৰ্কস
কালী বিল্ডিং, যোৰহাট

নিবেদন।

আকৌ এই সৰ নাটখনি সহৃদয় ৰাইজলৈ আগ বঢ়ালো। নাটখন লিখোতে, ৰায়বাহাদুৰ ডাক্তৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াৰ সম্পাদিত "তুঙখুঙীয়াৰ বুৰঞ্জী," শ্ৰীযুক্ত বেণুধৰ শৰ্ম্মাদেৱৰ সম্পাদিত "ডাঃ ৱেডৰ বুৰঞ্জী" আৰু চাৰ গেইট চাহাবৰ "অসমৰ বুৰঞ্জী"ৰ পৰা বিশেষ সহায় লোৱা হৈছে।

লিখকক নাট লিখাত সদায় উদগণি দিওতা, তেজপুৰৰ বান ষ্টেজৰ অন্যতম গুৰিয়াল ডাক্তৰ শ্ৰীযুক্ত ললিত মোহন চৌধাৰী ডাঙৰীয়াই হাতে লিখা অৱস্থাতে নাটখন অনুগ্ৰহ কৰি এবাৰ চাই দিয়াত, ইয়াতে তেখেতলৈ এখনি শলাগৰ শৰাই আগ বঢ়াই থ'লো।

আসাম পাৰ্‌লিছিং হাউছৰ গুৰিয়াল শ্ৰদ্ধেয় বন্ধু শ্ৰীযুত জিতেন্দ্ৰ কুমাৰ দাস ডাঙৰীয়াই সোনকালে নাটখন ৰাইজৰ আগলৈ উলিয়াই দি, লিখকক তেখেতৰ চেনেহৰ আৰু এমেৰ দি বান্ধি পেলাইছে।

নাটখনে ৰাইজক অকনমানো সন্তোষ দিব পাৰিলে, সঁচাকৈয়ে পৰিশ্ৰমৰ যোগ্য পুৰস্কাৰ পাইছো বুলি অনুভৱ কৰিব পাৰিম। ইতি—

হুমলীগড়।
আগষ্ট, ১৯৩৮

শ্ৰীনকুলচন্দ্ৰ ভূঞা।

শুধৰণি।

বিশেষ চকু ৰাখিও, ভুলৰ হাত সাৰিব পৰা নহল! কেইটামান ভুল শুধৰাই দিয়া হ'ল :—

পৃষ্ঠা	শাৰী	অশুদ্ধ	শুদ্ধ।
২৮	৭	আমাৰ	আমৰ
৪৫	১৪	জাক	জঁক
৫৯	২০	বিজুলিত	বিজুলিৰ

মুকলি হাতেৰে

জাতীয় সাহিত্যৰ ভেঁটি বান্ধোতা

শ্ৰদ্ধেয়

ৰায় শ্ৰীলশ্ৰীযুক্ত ৰাধাকান্ত সন্দিকৈ

বাহাদুৰ ডাঙৰীয়াৰ

শ্ৰীকৰ কমলত

লিখকৰ অশেষ শ্ৰদ্ধাৰ চিন স্বৰূপ

এই ক্ষুদ্ৰ নাটখনি

অৰ্পণ কৰা হ'ল।

ভাৰৰীয়াসকল।

মুনিহ।

লক্ষ্মীসিংহ— অসমৰ ৰজা।

বৰ গোহাঁই
বুঢ়া গোহাঁই
বৰপাত্ৰ গোহাঁই } মন্ত্ৰীসকল।

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা— ৰকতীয়াল খেলৰ প্ৰধান ৰাজ-বিষয়া।

হৰনাথ ভিতৰুৱাল ফুকন— ৰঙাচিলা দুৱৰাৰ ঘৰৰ, ঘাই সেনাপতি।

বৰৈ দুৱৰীয়া ফুকন— দিহিঙ্গীয়া খেলৰ।

মোহনমালা কোঁৱৰ— ৰুদ্ৰসিংহৰ এজন পুতেক।

চাও গোহাঁই— নামচাং পৰ্ব্বতত নিৰ্ব্বাসিত বৰ গোহাঁইৰ ডেকা।

মাজিউ গোহাঁই
সৰু গোহাঁই } ৰাজেশ্বৰ সিংহৰ পুতেক।

গোহাঁই হাজৰিকা— কুঞ্জৈগয়া বুঢ়া গোহাঁই ফৈদৰ।

ৰামকৃষ্ণাই— যাদৱ তামুলিৰ পুতেক।

নাহৰ খোৱা
বাঘৰ } মৰাণ জাতিৰ প্ৰধান লোক।

চতুৰ্ভুজ— মায়ামৰীয়া গোসাই।

ৰমানন্দ— নাহৰৰ পুতেক, মৰাণে পতা ৰজা।

বাইলুং গোহাঁই, নেওগ গোহাঁই ডেকা, লাই সন্দিকৈৰ-বাঘমুৱা, কোৱৰসকল, মদন কাকতী বৰা, লিকচন বৰা, কহন হাজৰিকা, ৰেজ টেকেলা বৰা, হিলৈদাৰী হাজৰিকা, মায়ামৰীয়া ডেকা গোসাই, কেৱলীয়া

ভকত, তামুলি, বিহুধৰ, কাকতী, কটকী, লিগিৰা, পাচনি, আহোমৰ ডেকাসকল, মৰাণৰ ডেকা, বিহুৱা ডেকা, লগুৱা, লিগিৰা, চুতীয়া কাড়ী আৰু হিলৈদাৰী সৈন্তসকল, পৰিয়া, গায়ন-বায়ন, আহোম আৰু মৰাণৰ সৈন্তসকল, চাওদাং ইত্যাদি।

তিৰোতা।

কুৰঙ্গনয়নী—	ৰাজেশ্বৰসিংহৰ মণিপুৰীয়া কুঁৱৰী।
ৰূপহী—	মোহনমালা কোঁৱৰৰ তোলনীয়া ছোৱালী।
ৰাধা ৰুক্মিণী }	নাহৰ খোৱাৰ ঘৈণীয়েক।

পথিলী, মৰাণ আৰু কছাৰীৰ গাভৰুবিলাক, কামৰূপীয়া নটী আৰু মণিপুৰীয়া নাচনী ইত্যাদি।

GAUHATI-ASSAM

বিদ্ৰোহী-মৰাণ ।

প্ৰথম অঙ্ক ।

প্ৰথম—পট ।

ৰংপুৰ নগৰ ।

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ ঘৰ ।

দুকালে দুশাৰী টাঙোন ধৰা মানুহ আঠুলৈ থাকে ।

সময়—দুপৰীয়া ।

(নাহৰ আৰু ৰাঘৱক চাওদাঙে ধৰি লৈ সোমাই আহে ।)

নাহৰ :— আমাক ইয়ালৈ আনিছা কিয় ?

চাওদাং :—সিদিনা ন-নৈ বাহৰলৈ যাওতে তইঁতে বৰবৰুৱা ডাঙৰীয়াক হেলা কৰিলি কিয় ?

নাহৰ :— ন-নৈ বাহৰৰ কথা নক'বা । আমাৰ গুৰুক—আমাৰ গোসাইক বৰবৰুৱাৰ আগত আঠু লোৱালেহি, —ইমান অপমান মৰাণে নসহে ! অপমান কৰি আকৌ তাৰে কথা সুধিবলৈ আমাক ইয়ালৈ ধৰি আনিছা ! গোসায়ে স্বৰ্গদেওক সেৱা জনাব । কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক সেৱা জনাব কিয় ?

চাওদাং :— সেইবিলাক কথা কোৱা ভাল নহয় ;—অপৰাধ হৈছে বুলি কলেই দেখোন কথাৰ ওৰ পৰে ।

বাঘৰ :— আমাৰ কি অপৰাধ হে!

(কীৰ্ত্তিচন্দ্ৰ সোমাই আহে)

কীৰ্ত্তিচন্দ্ৰ :—অপৰাধ,—অপৰাধ,—মৰাণৰ অপৰাধ! (বাঘৰক দেখুৱাই) চমতা, চমতা! এই বৰ্ব্বৰ মৰাণৰ পিঠিত চমতা! (নাহৰক দেখুৱাই) ইয়াৰ কাণ! কাণ দুয়োখন কাটি পেলা! আগলৈ আহিলে, মনত থাকে যেন প্ৰথমতে কাক সেৱা জনাব লাগে। যা—।

(চাওদাঙে নাহৰ আৰু বাঘৰক লৈ যায়)

—মৰাণৰ গোসাই আৰু পিচ উভয়ে সমান। ইহঁতক বাৰকৈয়ে শিকনি দিব লাগিব। ৰংপুৰ নগৰলৈ আহিলে জয়ে জয়ে কাক সেৱা জনাব লাগে, নেজানে! —বাৰু ৰ! (অলপ ভাৱে।) গুৰিপকবাক মোহাৰিবলৈ কিমান সময় লাগিব!

(টেকেলা বৰা সোমাই আহে।)

টেকেলা বৰা :—স্বৰ্গদেৱে দেউতাক লগ পাব খুজিছে।

কীৰ্ত্তিচন্দ্ৰ :—বাৰু। মই এতিয়াই কাৰেঙলৈ যাম। তোমালোক সাজু হৈ থাকাগৈ। (টেকেলা বৰা ওলাই যায়।) —স্বৰ্গদেৱে মাতি পঠাইছে, কিয়! বুজিছো, সেই একেটা পুৰণি কথাকে কবলৈ। কোঁৱৰবিলাকক নাক-কাণ কাটি নিৰ্ব্বাসন কৰাত স্বৰ্গদেৱে হেনো বাতি বেয়া বেয়া সমাজিক দেখে! স্বৰ্গদেৱৰ মনটো হেনো গোটেই দিনটো বেয়া লাগি থাকে। তাকে মোৰ আগত কবলৈ পালে, মনটো হেনো পাতল লাগে। দেহি, স্বৰ্গদেওৰ অন্তৰখন তেনেই কোমল। কিন্তু সিংহাসনত বহিবলৈ হ'লে যে, অন্তৰ কোমল হলে নচলিব।

স্বৰ্গদেৱে তো বুজা নাই, স্বৰ্গদেৱৰ মঙ্গলৰ অৰ্থেই মই যে ইমান কঠোৰ কাম কৰিব লগীয়া হৈছে। (ইফাল সিফাল কৰি ভাবে) —কোনে নেজানে, স্বৰ্গদেও ৰুদ্ৰসিংহৰ আদেশ। সেই আদেশত ৰুদ্ৰসিংহৰ প্ৰত্যেকজন পুতেকেই যে ৰাজপাটত উঠিব লাগে। কিন্তু, দুৰ্ভগীয়া মোহনমালা কোঁৱৰ! মোহনমালা কোঁৱৰৰ শৰীৰত ক্ষত থকাত ৰজা হ'ব নোৱাৰিলে। সেই বুলি, ৰুদ্ৰসিংহৰ সৰুলীয়া পুতেক কালশিলীয়া গোহাঁইদেৱো ৰজা হব নোৱাৰিব নে? বৰগোহাঁই ডাঙৰীয়াৰ ষৰ-যন্ত্ৰত, কালশিলীয়া গোহাঁই ক'লা-ম'লা আৰু পিতৃৰ অনাদৃত জহৰা; ৰাজেশ্বৰসিংহৰ পুতেকহে ৰাজপাটত উঠিব লাগে। —হোঃ, মই থকাত এজন উদ্ধত ডেকাক ৰাজপাটত উঠিবলৈ দিম! —মোৰ কথাই ৰজিলে। কালশিলীয়া গোহাঁইদেৱক ৰাজপাটত তুলিলো। বিপক্ষদলে, ৰাজগুৰু পৰ্ব্বতীয়া গোসাইৰ লগত ষৰ-যন্ত্ৰ কৰি ৰজাক দীক্ষা নিদিয়ালে। পৰ্ব্বতীয়া গোসাইক তেতিয়াই ধৰিব পাৰিলোহেতেন! ডাঙৰীয়া কেইজন তলে তলে ষৰ-যন্ত্ৰত থকা বুলি শুনি হাত দিবলৈ নহল। আন এজন সিদ্ধ পুৰুষক আনি, ন-গোসাই পাতি ৰাজ-গুৰুৰ আসনত বহুৱা হ'ল। —এনেবিলাক ষৰ-যন্ত্ৰত, কোনে জানে কোন জন কোঁৱৰক কোনে কেতিয়া সিংহাসনলৈ উচটায়! (লাহে লাহে সোমাই যায়।)

দ্বিতীয় পট।

নামৰূপৰ দিহিঙ নৈৰ দাঁতি; হাবিতলীয়া গাৱঁত, মোহনমালা কোঁৱৰ থকা এটা জুপুৰি ঘৰৰ মুকলি কোঠালি। দশমীৰ জোনাকে কোঠালিটো পোহৰ কৰিছে।

সময়—ফুট গধুলি।

(— মোহনমালা কোঁৱৰৰ তোলনীয়া জীয়েক ৰূপহী আইদেৱে হাতত বীণাখন লৈ ভিতৰৰ পৰা ওলাই তামুলি পিৰাখনত বহেহি। অলপ সময় বীণাখনত টুং টুং টং টং কৰি, লাহে লাহে গীত ধৰে।)

গীত

ৰূপহী :—

অতিথি সুবুজা কিমান দুখীয়া
কিমান দুখীয়া মই ;
গাত ফটাকানি ঘৰ ভগাছালি
জনমৰ দুখীয়া মই।
দেখা নাই সোন, দেখা নাই ৰূপ
পোৱা নাই সুখ, কৰা নাই ভোগ
জনমৰ দুখীয়া খুদ মগনীয়া
—কেটেৰা জেঙেৰা মাত।
লাহ বিলাহৰ কথা সপোনৰ
মোৰ থকাঘৰ এক নৰকৰ
কি বুলি মাতিম ক'ত বহুৱাম
হে অতিথি সুন্দৰ।

হিয়াৰ মাজতে কৰিছো থাপন,
লোৱাহি আসন কৰো আৱাহন
হে মোৰ অতিথি জীৱন বিভূতি
হে দেৱৰো দেৱতা মোৰ॥

—হে জোনবাই, আজি এই সন্ধ্যা পৰত, তুমি মোৰ অতিথি! তোমাৰ জোনাকৰ হাঁহিথিনি মোৰ গাত ঢালি দিছা! মই ধুনীয়া ৰূপহীজনী হৈছো। —ক'ত! ক'ব পাৰা নে? দিহিঙৰ পাৰৰ হাবিৰ মাজত, জেঙ্‌পাতৰ জুপুৰিটোত। মোৰ অতি হেপাহৰ জোনেবাই তুমি! তোমাক আজি প্ৰাণভৰি উপভোগ কৰিব নোৱাৰো। দৰিদ্ৰতাই বাহিৰে ভিতৰে চেপি আনিছে। মানুহৰ প্ৰাণত যে আনন্দ আছে, অনুভৱ কৰিব নোৱাৰো! যোৱা, যোৱা জোনেবাই! তুমি ৰাজকাৰেঙৰ হে অতিথি, জুপুৰিঘৰৰ নহয়। —জোনেবাই, অসহ্য, অসহ্য, তোমাৰ জোনাকত ইমান জুই! —যাও, যাও তোমাৰ পৰা আতৰি যাও! ডুখীয়াৰ সেই আওহতীয়া অন্ধকাৰ চুকত লুকাই থাকোগৈ!

(ৰূপহীয়ে বীণাখন লৈ সোমাই যায়। আন এখন দুৱাৰেদি, চিন্তামগ্ন হৈ মোহনমালা লাহে লাহে ওলাই আহে।)

মোহনমালা:—মই সিংহাসন নেপালো কিয়? ৰাজকোঁৱৰৰ সকলো শিক্ষা, সকলো গুণ, সকলো বিদ্যা মোৰ গাত সম্পূৰ্ণ আছিল। তথাপি, সিংহাসন নেপালো কিয়? —মোৰ ভাগ্যৰ ফেৰত নে,—নাই ডাঙৰীয়া সকলে মোক সিংহাসনৰ অযোগ্য বুলি ভবাত! ও-হো, ডাঙৰীয়াসকলে তো কৈছিল, আমাৰ আটাই কেউজন ককাই-ভাইৰ

ভিতৰত, মন্ত্ৰেই সকলো বিদ্যাতে শ্ৰেষ্ঠ আছিলো বুলি! কেৱল, এক ববৰুৱাৰ বুদ্ধিতেই মই সিংহাসনৰ অধিকাৰৰ পৰা বঞ্চিত হ'লো। মোৰ নিজৰ নিমিত্তে ভাবিবলৈ আৰু সময় নাই, কিন্তু, এই ল'ৰা-ছোৱালী বিলাকৰ! যাওক, নেভাবো! নেভাবিও নোৱাৰো। কীৰ্ত্তিচন্দ্ৰৰ কূট বুদ্ধিত, আহোম ৰাজবংশ ধ্বংশ হৈ আহিছে। ৰাজেশ্বৰসিংহ স্বৰ্গী হোৱাত লক্ষ্মীসিংহক ৰাজপাটত তুলি, ৰাজবংশৰ সকলো কোঁৱৰকে, নাক-কাণ কাটি, এই নামৰূপৰ হাবিত মেলিছেহি। ৰাজবংশ লোপ পালে। আহোম ৰাজবংশৰ ওপৰত আজি শনিৰ দৃষ্টিপাত।

(এনেতে এটা লিগিৰাই আঠু লৈ জনায়হি।)

লিগিৰা :—দেউতা ঈশ্বৰ গোহাই ডেকাসকল আহিছে।

মোহনমালা :—হো, কি কৈছ!

লিগিৰা :—দেউতা ঈশ্বৰ, গোহাই ডেকা সকল!

মোহনমালা :—বাৰু, ইয়ালৈকে মাতি আন।

(লিগিৰা ওলাই যায়।)

সঁচাকৈয়ে আজি ৰাজশক্তিও দুৰ্ব্বল, প্ৰজাশক্তিও দুৰ্ব্বল। নহলে এই সামান্য বকতিয়ালৰ ঘৰৰ এটা কীৰ্ত্তিচন্দ্ৰয়ে ৰজাঘৰ, প্ৰজাঘৰ দুই ঘৰকে হাতত লৈ, এইদৰে হেতালি খেলি থাকিব পাৰে ন?

(ৰাজেশ্বৰ সিংহৰ পুতেক মাজিউ গোহাই, নক গোহাই আৰু ববগোহাই কেঁদৰ কেইজনমান ডেকা সোমাই আহে।)

অ' তোমালোক! আহাঁ, আহাঁ।

(সকলোটিয়ে মোহনমালাক সেৱা জনায়।)

াছে, সংবাদ কি ?

এজন গোহাই ডেকা :—দেউতা, আমি ৰৰকলা নগৰৰ পৰা নামৰূপলৈকে আজি এমাহ ঘুৰিলো। ৰৰবৰুৱা কীৰ্ত্তিচন্দ্ৰই নিৰ্ব্বাসিত কৰা সকলো ৰাজকোঁৱৰ, আৰু গোহাই ডেকাক লগ পাইছিলো। কিমান লেখ দিম। নিৰ্ব্বাসিত হোৱা সকলো ডেকাক একে ঠাই কৰিলে, এখন নগৰৰ মানুহ।

মাজিউ গোহাই :— মই সচাঁ কৈছো, মই যদি পাটকোঁৱৰ হলোহেঁতেন আজি কীৰ্ত্তিচন্দ্ৰ থাকিলহেঁতেন জেৰেঙাৰ পিঙত, আৰু সেই আদ-বুঢ়া ক'লামলা কালশিলীয়া গোহাই থাকিল হেঁতেন হাতীশালৰ পিঞ্জৰাত।

মোহনমালা :— ৰোপাইঁত খঙ কৰিলে একো নহয়। সিংহাসনত উঠি, দেশখন চলোৱা গুৰুতৰ কথা। দেশখন চলে দুটা শক্তিত। এটা ৰাজশক্তি আৰু আনটো প্ৰজাশক্তি। তোমাক মোক বিচাৰিব লাগিব, হয় ৰাজ-শক্তিয়ে নাইবা প্ৰজাশক্তিয়ে। —— বুঢ়া হৈছোহি, নিৰ্ব্বাসিত হৈ হাবিত আছোহি, দিনে ৰাতি চিন্তাজ্বৰত ভাগৰি গৈছো, তথাপি যেতিয়া গড়গাওঁ ৰংপুৰৰ সেই পুৰণি কথাবিলাক মনত পৰেহি, নিজৰ আত্মীয় স্বজনৰ চেনেহী কথাবিলাক মনলৈ আহে, আৰু সেই বহল জেৰেঙাৰ বুকুত ৰণ-চাপি দিয়াৰ কথা স্মৰণ হয়, তেতিয়া এই দুৰ্ব্বল শৰীৰো ৰোমাঞ্চিত হৈ কঁপিবলৈ ধৰে। পাছে, কি হ'ব। মোৰ বয়স গৈছে। দেশে যদি বিচাৰে তেন্তে, সময়ত তোমালোক ওলাবা। এতিয়া শান্তভাবে দেশৰ আগ-গুৰি চোৱা।

মাজিউ গোহাই :— মোৰ কিন্তু প্ৰতিজ্ঞা এক। — দেশ ভাগি-ছিগি চুৰমাৰ্ হওক, সিংহাসন চূৰ্ণ হওক, আহোম ৰাজবংশ ৰসাতললৈ যাওক, তথাপি দেশত এনে অন্যায় অবিচাৰ চলিবলৈ নিদিও। উস্, কীৰ্ত্তিচন্দ্ৰই কুটুমৰ তেজেৰেই — কুটুমৰ মজিয়াত বন্তি জ্বলাইছে, তথাপি ৰাজশক্তি প্ৰজাশক্তি দুয়ো আজি শুপ্ত! কিয়—— !

(এনেতে ভিতৰৰ পৰা দুৱাৰ মেলি ৰূপহী আইদেউ ওলাই আহে।)

গীত।

ৰূপহী :—

কুটুমে বান্ধিলে কুটুমে বাটিলে
কুটুমে কুটুমেই খালে ;
কুটুমৰ তেজেৰে বন্তি জ্বলালে
মজিয়া ভকে ভকালে।

মোহনমালা :— বোপাইঁত, তোমালোক আছিলেই মোৰ এই ছোৱালীজনীৰ বলিয়ালি উক দিযে। --তাই মোক কয় কি ? — তাই হেনো — মটাল'বা হোৱা হলে, কীৰ্ত্তি-চন্দ্ৰক পিঙত দি, মোক হেনো সিংহাসনত বহুৱালেহেঁতেন।

মাজিউ গোহাই :— সচাঁ নে আইদেও, তোমাৰ চৰণত আমি শত-সেৱা কৰো।

(ৰূপহীয়ে খিল্-খিলকৈ হাহিবলৈ ধৰে।)

মোহনমালা :— আই অ', আলহী আছিছে বীণাখন লৈ গীত এটাকে গা-চোন।

কপহী :— ভাল বাৰু, দেউতা। কেতিয়াবা কেতিয়াবা গাৱৰ মন নেথায় দেখোন। চাও, বাৰু পাৰো নে—।

(এই বুলি বীণ আনিবলৈ কপহী যায়।)

মোহনমালা :—বোপাইত, লিগিৰীজনীয়ে মোৰ এই ছোৱালীজনীক আদ-বলিয়া কৰিলে। তাইৰ মুখে কাৰেঙৰ কথাবিলাক শুনি শুনি, তাইক এতিয়া ৰণলৈ যাবলৈ লাগে। কত বুজাও, একোকে নুবুজে। তাইৰ কেৱল ঔষধ এই বীণাখন হে।

(এনেতে কপহীয়ে বীণাখন লৈ ঘূৰি আহে।)

গীত।

কপহী :—

ইকৰা পাতেৰে নাও সাজি ল'লো
আহা নাৱৰীয়া উঠো ;
নাও এৰি দিও ভাটি দিহিঙতে
ডকা চাকনৈয়াত পৰো।
চৌৰত থৰে মাৰি নাও উৰি গলে
ভেটা ভাঙি যাম ধাৰে ;
শিহু ঘৰিয়াল কোৰত ডেই যাম
কোনে কি কৰিব পাৰে।

তৃতীয় পট।

ৰংপুৰ নগৰ—বজাৰ কাষেং

—কুৰবী তোল।

সময়—গধূলি।

(কালুগঞা নটী আৰু মণিপুৰীয়া নাচনীয়ে নাচ-গীত কৰে।)

(কেইজনীমানে নাচে, আৰু কেইজনীমানে বাজনাবিলাক বজায়।)

গীত।

নাচনীবিলাক ঃ—এ জোনেবাই ওলাব সদাই
আজি কিয় নতুন হ'লি।
শীতল জোনাক মধুৰ সদাই
আজি কিয় তপত হলি।
চেহা বননিত জোন ঢালি,
নতুন বাগত উতলালি,
হিয়াব চুপহি তেনেই মুকলি
এ জোনেবাই কৰিলি কি ?

(বিহুধৰ আদি কেইটামান লিগিৰা পাচনিয়ে লুকা ভুমুকা কৰি নাচনীবিলাকক জোকাবহি।)

প্ৰথম পাচনি ঃ—(আগবাঢ়ি) আইটিইঁত, বাৰু আমাৰ আটাই কেউটাৰ ভিতৰত, কোনটোত তোমালোকৰ মন থাইছে ?—বাৰু, মোক দেখিলে, তোমালোকৰ মন-গা ভাল নেলাগেনে ? মই শপথ দিছো, কোবাচোন বাৰু !

(নাচনীবিলাকে ফিচিঙা-ফিচিঙি কৰি, ইজনীয়ে সিজনীক ঠেলা-ঠেলি কৰে)।

২য় পাচনি :—থ, থ, তই ভাকৈয়া ছোৱালীৰ হে নায়েক। এওঁবিলাক হৈছে স্বৰগৰ অপেশ্বৰী, মৰতত লীলা কৰিছেহি, নহয় নে আইটিহঁত? এওঁবিলাকৰ যদি কোনোবা নায়েক হয়, মই অমুকাহে—। (বুলি খেক্ খেক্ কৰি হাঁহে।)

১ম পাচনি :—(ইটো পাচনিক ঠেলা মাৰি) হেৰ' ফেক্‌ফেকাই নেথাকিবি। চা-চোন, ছোৱালীহঁতে মোলৈ কেনেকৈ চাইছে। মই এইছেন পূৰ্ণিমাৰ জোনটো থাকোতে, এওঁবিলাকে এতিয়া তইঁতক হে চকু দিব? যা, যা, এই কেইটা তেহেঁলৈ যা, মই অলপ ৰঙ কৰোঁ।

৩য় পাচনি :—(আগবাঢ়ি) এই ফেদেলামুৰা কেইটালৈ চোৱাঁ। আমাৰ বিহুধৰ সখিৰ আগতেই নে? হে, হে, চুৰাচক-সকল, অলপ আঁতৰ হওক। আহাঁ সখি অলপ আগলৈ আহাঁ। সখিৰ লগ পাই আজি মোৰো গা-টোৱে তিনিখন কৰিছে। (ই কেইটালৈ) চাইঁত বাৰু, আইটীহঁতে কাৰ গলত মালা দিয়ে! আইটিহঁত, ও, বজোৱা, ময়ে পাক এটা দি লওঁ।

(নাচনীবিলাকে ফিছিঙা-ফিছিঙ কৰি বাজনাত টুং-টাং কৰিবলৈ ধৰে। নাচনীৰ ভাও ধৰি ৩য় পাচনিয়ে নাচিবলৈ যত্ন কৰে। বিহুধৰে গহীন হৈ চাই থাকে।)

১ম পাচনি :—হেৰ' গীত গা, গীত গা, এনেয়ে নাচে নে গীত গাইহে নাচে!

৩য় পাচনি :—হয় নে কি! বাৰু—।

গীত।

হেৰ’ বাংগালী, হেৰ’ পখিলাটি
কৰিবিনে বিয়া মোক;
তেল-খাৰণিৰে পঁইতা ভাতৰ
পাবি যে অমিয়া সুখ।
তই যে হবি গলৰ মণি,
বুলিম তোক ঘৰৰ বৈণী;
বাতিয়ে দিনে সেওতা ফালিবি
কপালত মাৰিবি ফোট।

(নাচনীৰ দৰে ৩য় পাচনিয়ে ককাল ভাঙি ভাঙি নাচে। সকলোৱে ফিছিঙা-ফিছিঙ কৈ হাঁহে)।

(এনেতে হঠাৎ কুৰঙ্গনয়নী সোমাই আহি, এনে কাণ্ড দেখি ডাবি দি ধৰেহি।)

(কুৰঙ্গনয়নীক দেখি, বিহুধৰৰ বাহিৰে সকলোৱে যেনি তেনি পলায়)।

কুৰঙ্গনয়নী :—কিহৰ খিকিন্দালি ইয়াত ! কোন এইকেইটা ! (বিহুধৰলৈ চাই) নিলাজ, বৰ্ব্বৰ, কুঁৱৰীক দেখিও তই যাব লাগে বুলি নেজাননে ? (নাচনীবিলাকলৈ) এই, নিলাজক কাণত ধৰি উলিয়াই দে !

(এজনী নটী আৰু এজনী মণিপুৰিয়ানীয়ে বিহুধৰক দুই কাণত ধৰি উলিয়াই লৈ যায়। বিহুধৰ যাওঁতে চকু-মুখত বিকৃত ভাব প্ৰকাশ পায়)।

—ছোৱালীহঁত, তইঁতৰ লগত কোঁৱৰসকলে ধেমালি কৰে। সামান্য মানুহৰ লগতো তইঁতে বঙ কৰ ! আজি তইঁতক

হাতীৰ গচকত দিলোহেঁতেন, ছোৱালী বুলিহে—! যা-ইঁত, এতিয়া গান গাব নেলাগে—! (নাচনীবিলাকে ভয়ে ভয়ে ওলাই যায়)।
—দোষ দিছো, মিছাতেই দোষ দিছো! (চিন্তামগ্নভাবে কয়) হৃদয়ত ইমান হেপাহ, এখন যেন সাগৰ সুহি থ'ব পাৰো। সকলো মানুহৰ দেহাতেই ইন্দ্ৰিয়ৰ আধিপত্য। তাক অস্বীকাৰ কৰিব পাৰে কোনে? তিৰোতাৰ মন কি তিৰোতাক লাগে কি, তিৰোতাৰ প্ৰাণত কিহৰ স্পন্দন; তাক মই মৰ্ম্মে মৰ্ম্মে বুজিছো। ৰাণীয়েই বা বেটীয়েই উভয়ৰে ভোক-পিয়াহ সমান, তাত তাৰতম্য নাই। মোৰ যৌৱনৰ সপোন নৌ ভাগোতেই মোৰ প্ৰিয়তম স্বৰ্গদেও স্বৰ্গী হয়; প্ৰাণলৈ উদাস ভাব আহে। কিন্তু, জোনৰ জোনাক, শ্যামল ধৰণী, ফুলনিৰ ফুল, ইহঁতে যে মোৰ মনৰ কথা নুবুজিলে।

মই! মৰেই নো কি! মই বিবাহিতা নে কুমাৰী! এই একেটা কথাই সদাই মোৰ ভুল হয়। দেহি, ছোৱালীবিলাকক অবাবতেই খণ্ড কৰিলো, যাওক, নেভাবো—।

গীত

—নিসিচিবা জোনখিনি		নিতিয়াবা মোক।
নেলাগে নেলাগে সখা,		নোৱাৰহি মোক॥
তপস্বী বেশত আজি,
দুবৰি আসন পাতি,
বহিছোহি ভাগৰত—		বহুত দুৰত॥

নাই মোর সেই গান,
নাই মোর সেই প্রাণ,
প্রাণের অতিথি আজি বহু দিনগত ॥

চতুৰ্থ—পট।

মৰাণৰ গোসাইৰ-বাহঁৰ।
খুটিয়া—পোটা।
সময়—ৰাতিপুৱা।

(চতুৰ্ভূজ গোসাই সোমাই আহে।)

চতুৰ্ভূজ :—সেইদিনা, ন-নৈ বাহৰৰ্ঘৈ ৰজা আহোতে অবাবতে মোৰ অপমান। অসম দেশৰ একাল মানুহে যাক সেৱা কৰে; তেনেজন মানুহক সামান্ত বইঁতীয়া এটাৰ দৰে কীৰ্ত্তিচন্দ্ৰই ব্যৱহাৰ কৰিলে; আৰু দুৰ্ব্বল ৰজা লক্ষ্মীসিংহই হাতীৰ ওপৰৰ পৰা তাকে নীৰৱে চাই থাকিলে। ৰজাৰ মূৰত ধৰ্ম্ম বিচাৰৰ বুদ্ধি লোপ পালে। ইয়াৰ ব্যৱস্থা এতিয়া নিজে কৰিব লাগিব। নহলে, কীৰ্ত্তিচন্দ্ৰৰ কোপত, মৰাণৰ আৰু মৰাণৰ গুৰুৰ নিস্তাৰ নাই, উদ্ধাৰ নাই।

(ৰাঘৱ আৰু নাহৰ সোমাই আহে।)

ৰাঘৱ :—চাওক প্ৰভু, পিঠিত চমতাৰ কোব আৰু কিমান সহিব লাগিব ?

চতুৰ্ভূজ :—বৰুবৰুৱা ঘৰৰ—সি এটা কীৰ্ত্তিচন্দ্ৰ,—সি ববৰুৱা হ'ল। গুৰু-গোসাই ৰজা প্ৰজা, সকলোকে একাষৰ পৰা নিজ ইচ্ছামতে মহতিয়াই যাব; আৰু দুৰ্ব্বল আদ বুঢ়া ৰজা কালশিলীয়া গোহাৰে তাকে চকু মেলি চাই থাকিব! অসহ্য, অসহ্য !

ৰাঘৱ :— দেৱতা, মৰাণৰ দেশতে আহোমৰ ৰাজত্ব। মৰাণৰ ওপৰত ইমান অত্যাচাৰ। মৰাণ গৰু-পহু নহয়। মৰাণো আহোমৰ

দৰেই মানুহ। মানুহৰ আগত মানুহৰ মূল্য নাই। মৰাণৰ গুৰুক অত্যাচাৰ, মৰাণৰ তিৰোতাক অত্যাচাৰ, মৰাণক অত্যাচাৰ; —ইয়াৰ প্ৰতিশোধ লবই লাগিব।

চতুৰ্ভুজ :— ৰাজশক্তি যেতিয়া দুৰ্ব্বল, মৰাণৰ শক্তিৰেই ইয়াৰ প্ৰতিকাৰ কৰিব লাগিব। ইমান অত্যাচাৰ!

ৰাঘৱ :— এদিন এই মৰাণ-ৰবাহীৰ সহায়তে আহোমে সৌমাৰত ৰাজ্য স্থাপন কৰিব পাৰিছিল; সেই উপকাৰী মৰাণ ৰবাহীক আজি পশুতকৈও অধম জ্ঞান কৰে কীৰ্ত্তিচন্দ্ৰই। পূৰ্ব্ব উপকাৰ আহোমে আজি পাহৰিলে। কীৰ্ত্তিচন্দ্ৰৰ অন্যায অত্যাচাৰৰ বিচাৰ কৰোঁতা —আজি— আহোম ৰাজ চ'ৰাত কোনোৱেই নাই। ৰজাৰ গৈচকণি সহিব পাৰি, বিষযাৰ অত্যাচাৰ সহিব নোৱাৰি।

চতুৰ্ভুজ :— সচা কথা; ৰজাৰ গচকণি সহিব পাৰি বিষয়াৰ অত্যাচাৰ সহিব নোৱাৰি। তাহানিৰ কথা! অপৰাধ, আমি গোসানীক সেৱা নকৰিছিলো। অথচ, আমিয়েই ৰজাৰ ৰাজভক্ত প্ৰজা আছিলো। ৰাজ আজ্ঞা শিৰত লৈ, বৈষ্ণৱ হৈও ৰজাৰ দুৰ্গোৎসৱলৈ গৈছিলো। কিন্তু তাৰ, প্ৰতিদান পালো কি? শিৱসিংহ ৰজাৰ ৰাণী নটকন্যা ফুলেশ্বৰীয়ে বলিকটা তেজেৰে কপালত ফোট দি আমাক নগুৰ্নাস্তি কৰিলে! ৰাণীৰ এনে অন্যায় আদেশৰ বিপক্ষে মাত মাতোতা সেই দিনা কোনো নোলাল! আজিও সেয়ে। মৰাণ জাতিয়ে বছৰৰ সেৱা হাতী দি জনাবলৈ আহিছিল ৰজাক; কীৰ্ত্তিচন্দ্ৰই তাত কি অপমান পালে যে মৰাণ জাতিৰ দুজন মুখিয়াল ডেকাক বিনা-দোষতেই, নাক কাণ কাটি দিলে, চমতা দিলে। ৰাজ

চ'ৰাত স্থায় সোধা কুকৰ আছে। তাৰ বিচাৰ নহল! গুৰু গোসাই, ৰজা-প্ৰজা সকলোকে আজি এফালৰ পৰা মহতিয়াই আনিছে। তাৰ মৰণ কাল ওচৰ চাপিছে। আৰু সহিব নোৱাৰি। যোৱা, আগ বাঢ়া! ডেকা গোসাইক লগত লৈ চিবকৰ অভিমুখে আগবাঢ়া। তাতে শক্তি সঞ্চয় কৰি, কামত লাগি যাবা! জয়ী হবাই তোমালোক।

ৰাঘৱ :— দেৱতা, মৰাণৰ এটোপাও তেজ যদি এই ক্ষীণ দেহত আছে, তেন্তে মই প্ৰতিজ্ঞা কৰিলো, কীৰ্ত্তিচন্দ্ৰৰ বৰবৰুৱাৰ আসনত বহি, ময়েই কীৰ্ত্তিচন্দ্ৰৰ জন্ম-মৃত্যুৰ বিচাৰ কৰিম! দেশে বুজিব, জগতে দেখিব, বুৰঞ্জীত থাকিব, অন্যায় অত্যাচাৰৰ-ফলত, প্ৰবল, ৰাজশক্তিও এটা সৰু ধৰ্ম্ম-প্ৰাণ জাতিৰ হাততেই লয় পাব পাৰে। মৰাণ জাতিয়েই তাক সপ্ৰমাণ কৰিব, আৰু উজ্জলবো উজ্জলতৰ কৰি জগতক দেখুৱাব। দেৱতা এই দুৰ্ব্বল মৰাণ জাতিক আশীৰ্ব্বাদ দিয়ক।

(চতুৰ্ভুজৰ ওচৰত ডুয়ো আঠু লয়।)

চতুৰ্ভুজ :—আশীৰ্ব্বাদ কৰিছোঁ, তোমালোকৰ মনোবাঞ্ছা পূৰ্ণ হওক। বাহুত ইন্দ্ৰৰ বল, মনত ঐৰাৱতৰ গতি, বুদ্ধিত বৃহস্পতিৰ শক্তি—লাভ কৰি জয়ী হোৱাহঁক। —মোক যেন অন্তৰত কোনোবাই কৈছে, তোমালোক এই মহৎ কাৰ্য্যত জয়ী হবাই! কোনেও বাধা দিব নোৱাৰে। কাৰো সাধ্য নাই। মনত ৰাখিবা, ৰত্নগৰ্ভা কামৰূপা অসমৰ ৰাজলক্ষ্মী বাস কৰে যোগ্যৰ কাৰণেহে, দুৰ্ব্বলৰ কাৰণে নহয়। এই বাবেই নৰক ভগদত্ত আৰু ভাস্কৰ আৰিমত্ত আদি

প্রবল-প্রতাপী ৰজাসকলৰ ৰাজশক্তিও এই অসম ভূমিতে আকাশৰ সূৰ্য্যৰ দৰে প্রকাশিত হৈ, কালৰ কেৱল এই অসমৰ ধূলি বালিতেই লীন গল। আহোম শক্তিও যে লীন নেযাব তাত সন্দেহ কি? নির্ভয়ে আগ বাঢ়াইঁক।

(ৰাঘৱ, নাহৰ উঠে)।

ৰাঘৱ :—দেৱতা, যাবৰ সময়ত কৈ যাওঁ, মোৰ প্রতিজ্ঞা থাকিল, মোৰ এই পিঠিৰ চমতাৰ কোব, ঘূৰাই কীৰ্ত্তিচন্দ্র বৰবৰুৱাৰ পিঠিত দি বৰবৰুৱাক বুজাম, মৰাণ জাতি কুকুৰ মেকুৰিৰ লগৰ নহয়, মৰাণ জাতিও মানুহ! মৰাণৰ শৰীৰতো মানুহৰ তেজ, শক্তি, বল বিদ্যমান।

(নাহৰ আৰু ৰাঘৱ ওলাই বাব খোজে।)

চতুৰ্ভুজ :—(তেওঁবিলাকলৈ চাই চাই) আৰু দমাই ৰাখিব নোৱাৰি। সহিবৰ শকতি আৰু মৰাণৰ নাই। আগবাঢ়া, আগবাঢ়া, অত্যাচাৰ, উৎপীড়নত মৰাণজাতি জুইৰ শিখাৰ দৰে জ্বলি উঠিছে। কু-মাৰি চাৰিওপিনে জলাই দিয়া। ধৰ্ম্ম যদি পৃথিবীত এতিয়াও আছে, এনে অন্যায় অধৰ্মৰ প্রতিকাৰ হবই!

দ্বিতীয় অঙ্ক।

প্ৰথম-পট।

ৰংপুৰনগৰ—কাৰেঙৰ চ'ৰা।

সময়—পুৱা।

ভাগে-ভাগে আসন সজোৱা আছে। এখন আসনত কীৰ্ত্তিচন্দ্ৰ
ৰৰবৰুৱা বহি আছে। অলপ দূৰৈত কিছুমান
সক-বৰ বিষয়া আৰু টেকেলা চাওদাং
নিজ নিজ আসনত বহি থাকে।

—দুজন কোৰঁৰক চাওদাঙে ধৰি আনে।

কীৰ্ত্তিচন্দ্ৰ :—কোন এওঁবিলাক! সেই কোৰঁৰ দুজনেইনে?

চাওদাং :—হয়, দেউতা ঈশ্বৰ।

কীৰ্ত্তিচন্দ্ৰ :—বে'ছ, ততালিকে টিননৰ মুখত—! বা, পলম নকৰিবি।

(চাওদাঙে কোৰঁৰ দুজনক ধৰি লৈ যায়)।

(আনখন দুৱাৰেদি বৰগোহাঁই আৰু হৰনাথ ভিতৰুৱাল ফুকন
সোমাই আহি নিজ নিজ আসনত বহেহি)।

বৰগোহাঁই :—ৰৰবৰুৱা, আমি স্বৰ্গদেৱৰ ওচৰৰ পৰা আহিছোঁ।

কীৰ্ত্তিচন্দ্ৰ :—সুন্দৰ কথা, ৰাজসেৱা প্ৰত্যেক বিষয়াৰে কৰ্ত্তব্যৰ ভিতৰত।

বৰগোহাঁই :—বন্দীশালত থকা কোৰঁৰ দুজনৰ মুক্তিৰ আদেশ, স্বৰ্গদেউৰ
পৰা লৈ আহিছোঁ। কোৰঁৰ দুজনক এতিয়া ৰাজচ'ৰালৈ
আনিব লাগে।

কীৰ্ত্তিচন্দ্ৰ :—স্বৰ্গদেউক মই বহুতোবাৰ জনাইছোঁ;—বুঢ়া মানুহৰ নীতি
বহুত সময়ত ল'বাৰ খেমালিৰ দৰে হয়।

বৰগোহাঁই :—বৰবৰুৱা !

কীৰ্ত্তিচন্দ্ৰ :—ৰাজনীতি পৰিচালনাত,—ক'ত কি আদেশ দিব লাগে তাক বৰবৰুৱাই জানে। কোৱঁৰ দুজনৰ বিচাৰ শেষ হৈ গৈছে

বৰগোহাঁই :—কি !

কীৰ্ত্তিচন্দ্ৰ :—ৰাজসিংহাসনৰ মঙ্গলৰ বাবেই মই আজি বৰবৰুৱাৰ আসনত। বৰবৰুৱাৰ কৰ্ত্তব্য বৰবৰুৱাই কৰিছে। অতি কঠোৰ হলেও বৰবৰুৱাই জানে কেনেকৈ কৰ্ত্তব্য পালন কৰিব লাগে। তাত আনৰ মন্ত্ৰণা প্ৰয়োজন নকৰে। আপোনালোকৰ কিবা আলোচনা আছে যদি কৰক ! সম্প্ৰতি মই আহিলোঁ।

(কীৰ্ত্তিচন্দ্ৰ ওলাই যায়)।

বৰগোহাঁই :—ফুকন দেখিলা, কীৰ্ত্তিচন্দ্ৰৰ মইমতালি !

হৰনাথ :— ডাঙৰীয়া !

বৰগোহাঁই :—ৰজাৰ লাই পাই কীৰ্ত্তিচন্দ্ৰই ডাঙৰীয়া কেইজনকো এইদৰেই অপমান কৰি আহিছে। —এইজনা ৰজা ইমান দুৰ্ব্বল যে আমাৰ আগত কোনো কথাত ভয় দিলেও নীতি আৰু ন্যায়ৰ বিপক্ষে গলেও বৰবৰুৱাৰ কথাত ৰজাই নাতিব নোৱাৰে। তুমি নিজ কাণেই শুনিলা, ৰজাই বিনা দোষতে কোৱঁৰসকলক নিৰ্ব্বাসিত কৰাত মৰ্ম্মান্তিক বেজাৰ পাইছেঁ। বুলি কোৱা ; —এতিয়া কীৰ্ত্তিচন্দ্ৰই কোৱঁৰ দুজনৰ ওপৰত যি দণ্ড বিহিলে, তাৰ বিপক্ষে ৰজাই মাত নাতিব বুলি পাৰানে ? কেতিয়াও নেমাতে ! —অথচ, তুমি কৈছা, দেশখনৰ গুৰি ধৰিবলৈ, কেনেকৈ— ?

হৰনাথ :—সেই কাৰণেহে ডাঙৰীয়াক জনাইছোঁ, — ইয়াৰ কিবা এটা উপায় কৰিব লাগে। এইজনা স্বৰ্গদেউ সিংহাসনত উঠোতেই ৰাইজৰ ভিতৰত বু-বুৰনি। তাতে আকৌ ৰজা ঘৰৰ গুৰু পৰ্ব্বতীয়া গোসাঁয়ে, ৰজাক দীক্ষাৰ মন্ত্ৰ নিদিয়াত মানুহে বি-বিয়াবলৈ আৰু সুবিধা পাইছে। ডাঙৰীয়া সকলকো যদি ৰাজকাৰ্যাত এনেদৰে উদাসীন হোৱা দেখিবলৈ পায, দেশৰ অৱস্থা কি হব পাৰে, ডাঙৰীয়াই এবাৰ ভাবিছেনে?

বৰগোহাঁই :—এনে অৱস্থা হোৱাৰ সম্ভৱ দেখিয়েইতো ডাঙৰীয়াসকলে ৰাজেশ্বৰ সিংহৰ কোৱঁৰ এজনকে ৰাজ-পাটত তুলিব খুজিছিল। —এতিয়া আমি কৰিব পাৰোঁ কি?

হৰনাথ :—ডাঙৰীয়াসকলে ৰজাৰ কাণে ভৰ দিলেই, এই বি-বিয়নি-বিলাক আপোনা-আপুনি মাৰ যাব।

বৰগোহাঁই :—কেনেকৈ! কীৰ্ত্তিচন্দ্ৰই পদে পদে ডাঙৰীয়াসকলক অপমান কৰিব,— তাকে ৰজাই নিঃমাত মাৰি চাই থাকিব— !

হৰনাথ :—ডাঙৰীয়া— ।

বৰগোহাঁই :—শুনক, মই তোমাক ভালকৈয়ে চিনো। ৰঙাচিলা ভুৰবাৰ ঘৰক সিংহাসন আৰু দেশৰ মৰ্য্যাদা ৰাখিবলৈ আনে শিকাবহি নেলাগে। কীৰ্ত্তিচন্দ্ৰই জানো এইবিলাক কথা ভাবে! —তুমি মণিপুৰৰ ৰজাক সিংহাসন দিবলৈ গৈ লতা-কটা ৰণত কিমান কষ্ট পালাগৈ; কীৰ্ত্তিচন্দ্ৰই আকৌ তোমাকে বন্দী কৰিছিল। ডাঙৰীয়াসকলে যাতো তোমাৰ হকে মাতিলে। মুঠতে, শুনক: কীৰ্ত্তিচন্দ্ৰৰ হাতৰ মুঠি এবাৰ ঢিলা হলেই জানিবা বিপদ।

হৰনাথ :—সকলো কথা বুজিছে ডাঙৰীয়াক জনাইছোঁ,— সিংহাসন আৰু দেশলৈ চকু দিবলৈ।

ৰৰগোহাঁই :—ফুকন, দেশখনৰ বাবেই কীৰ্ত্তিচন্দ্ৰৰ অপমানকো অপমান বুলি জ্ঞান কৰা নাই। বাৰু, এতিয়া যাওঁ, আহাঁ।

(দুয়ো লাহে লাহে ওলাই যায়)।

———

দ্বিতীয় পট।

নামৰূপ—দিহিং নৈৰ দাঁতিৰ এজোপা বৰগছৰ তল।
কেউফালে ওখ-চাপৰ হাবি।

সময়—বেলি দুপৰ।

পিঠিত হোৰা আৰু ককালত পানীৰ চুঙা লৈ, চাওগোহাঁই আহি গছতলতে বহেহি।

চাওগোহাঁই:—আদা, আলু, কচু বেচোঁতে, একেখন গাৱঁতেই বেলাটো গ'ল। নগৰীয়াহঁত আহে মানে, ইয়াতেই জিৰাওঁ—।

(ককালত ওলোমাই অনা কাক বাঁহৰ চুঙাৰ সাজ-পানী, যেখোনৰ শিঙৰ চুঙাত বাকি কেইটুকুৰামান শুকান মঙহৰে লাহে লাহে খায়)।

,—কীৰ্ত্তিচন্দ্ৰ, কোনে তোক দিলে নাম কীৰ্ত্তিচন্দ্ৰ বুলি! তোৰ কু-কীৰ্ত্তিত দেখোন দেশ আজি উপচি পৰিল! —দেউতাৰ অপৰাধ!— নামৰূপৰ পৰ্ব্বতত দেউতাক নিৰ্ব্বাসিত কৰিছিলি! —মই পাঁচ-বছৰীয়া বালক, মোৰ কি অপৰাধ! মোকো নিৰ্ব্বাসিত কৰিলি! মাতৃহীনা পাঁচ বছৰীয়া বালক মই! জ্ঞান-অজ্ঞান ন্যায় অন্যায়, একো নুবুজিছিলো! —দেউতাই কৈছিল, সামান্য সন্দেহতে, বিনা বিচাৰতে, আমাক নিৰ্ব্বাসন দণ্ড দিলি! —এই সুদীৰ্ঘ পোন্ধৰ বছৰ নগা-চাওতেই নগাৰ আলু, কচু

খাই ডাঙ্গৰ-দীঘল হৈছো। —ঈশ্বৰৰ পাওপাত, আৰু বেলিৰ আঘোণ মাহটোৱে আমাৰ এইকন সুখো সহিব নোৱাৰিলে! —দেউতাও স্বৰ্গী হল! —অকলশৰীয়া হ'লো। (লগৰীয়া নগাইঁতলৈ চাই, হুঁফালসিফাল কৰে।) নগাৰ লগত নগা সাজিছো। আজি মোক এই জগতত কোনেও নিচিনে! মোক মাথোন মৰমে চিনো!—এবাৰ ভাবিছিলো, নগৰলৈ যাও, নিজৰ বংশ-পৰিয়াল বিচাৰি লওগৈ! —নগা বজাই ক'লে, —বাটত নামৰুপীয়া ৰজা আছে, মোক যাবলৈ নিদিব! —তেতিয়া সঁচাকৈয়ে খং উঠিছিল মই পাচ বছৰীয়া বালকে কি অপৰাধ কৰিছিলো, যাৰ বাবে জন্মভূমিৰ অধিকাৰৰ পৰা বঞ্চিত! —যি হাত ভুমিত প্ৰথমেই ভুমিষ্ঠ হৈ, এই দশ্যমান সংসাৰৰ লগত ঘনিষ্ঠ হৈছিলো, সেই ভূমিহাত মোৰ নিমিত্তে কিমান পবিত্ৰ, —সেই ভূমিহাত চাবলৈও মোৰ অধিকাৰ নাই নে! (আকৌ খাবলৈ বহে।) মন বিদ্ৰোহী হৈ উঠিল! —নগা ডেকাৰ ৰণচালি দেখি, নগা যাঠিলৈ মৰম লাগিল!—বাস্তৱিকতে, ক'ব নোৱাৰো, ভৈয়ামত কিমান সুখ! ভৈয়ামতো নগা ছোৱালীবদৰেই আমাৰ ছোৱালীবোৰেও হাঁহি নাচি গহু, বৰা শিকাৰ কৰি ফুৰেনে? নগা ডেকাৰদৰেই আমাৰ ডেকাবোৰেও হাঁহোতে নাচোতেই পৰ্ব্বত খহাব পাৰেনে? আৰু—!

(এনেতে দূৰণিত কিছুমান ছোৱালীৰ চিঞৰ-বাখৰ আৰু পানীৰ শব্দ হয়।)

আঁা, তিৰোতাৰ মাত! কিহৰ বাবে চিঞৰিছে—!

(বেগাবেগীকৈ নৈৰ দাতিয়ে দাতিয়ে ভটিয়নিলৈ যায়।

(পট পৰিবৰ্ত্তন।)

(দিহিঙৰ বুকুত সৰু নাও এখন উবুৰিথাই থাকে, এজনী গাভৰুৱে টিঙত ধৰি সাতুৰিবলৈ যত্ন কৰে। সিপাৰে কিছুমান ছোৱালীয়ে চিঞৰবাথৰ কৰে।)

(চাওগোহাই লৰী লৰী গৈ, নৈত জাপমাৰি পৰেগৈ আৰু ছোৱালীজনীক সাতুৰি সাতুৰি সিপাৰে তোলেগৈ!)

চাও গোহাঁই :— (পাৰত উঠি) পানী খালা নে কি, আইদেউ !

ৰূপহী :— (চাও গোহাঁইক নিৰীক্ষণ কৰি) —তুমি নগা-ডেকা! নগাই সাতুৰিবও পাৰে! তুমি আমাৰ মাত মাতিছা! মই পানী খোৱা নাই। তুমি কোন!

চাও গোহাঁই :—আইদেউ, মই সৌ পৰ্ব্বতৰ নগা। ভৈয়ামলৈ আহি আহি, মই সাতুৰিবও পাৰো, ভৈয়ামৰ মাতো মাতিব পাৰো। (ছোৱালীবিলাকলৈ) আইটিহঁত আইদেউক লৈ যোৱা। বৰ দুখ পালে। মই এতিয়া আহিলো। (নৈলৈ ঘূৰি আহে।)

ৰূপহী :— ৰ'বা, ৰ'বা, নগা-ডেকা! তোমাৰ পুৰস্কাৰ!

চাও গোহাঁই :—আইদেউ, পুৰস্কাৰ! মোক,—ক্ষমা কৰিব! সৌ নামচাং পৰ্ব্বতৰে মই নগা। কেতিয়াবা কিবা কাম কৰিবলৈ হ'লে মাতিব, মই আহিম। মই আপোনাক চিনি পাইছো। —এতিয়া আহিলো।

ৰূপহী :— নগা ডেকা— !
(চাও গোহাঁয়ে নৈত আকৌ জাপমাৰি পৰে।)

তৃতীয় পট।

তিবৰু নৈৰ দাঁতি মৰাণ গাওঁ।

নাহৰ মৰাণৰ ঘৰ।

সময়—দুপৰীয়া।

(নাহৰ মৰাণ লাহে লাহে ওলাই আহে।)

(নিজৰ কাণত হাত দি।)

নাহৰ :—পূৰ্ব্ব-পুৰুষৰ পাপ আজি ভোগ কৰিছো।—মৰাণৰ দেশত আহোমক সোমাবলৈ দিলে, আহোমৰ লগত মিতিৰ কৰিলে, আহোমক মৰাণৰ ৰজা বুলি স্বীকাৰ কৰিলে. আহোমৰ তলতীয়া পৰাধীন হ'ল!—উস্, আহোমৰ কি, বুদ্ধি! বছৰেকৰ মূৰত কেইটামান হাতী ধৰি নি ৰজাৰ ঘৰত শোধালেই মৰাণ জাতি মুকলি হয়। ৰজাই আমাৰ ঘৰক মৰাণৰ প্ৰধান মানুহ বুলি পুৰস্কাৰ দিয়ে, ধন-সোণ, কেৰু-মণি। তাতেই আমি সন্তুষ্ট! গোটেই জাতিটোকে আহোমৰ ভৰিত বান্ধি থৈ আহি, নিজক শত ধন্য মানোহি।—সেই সময়ত কষ্টেকলৈও নেভাবো, আহোমৰ চৰণত বছৰি বছৰি সেৱা কৰি থাকোতা—আমি পৰাধীন! এইবাৰ, এইবাৰ কিন্তু ববৰুৱা কীৰ্ত্তিচন্দ্ৰই পৰাধীন জাতিৰ চাব (কাণত হাত দি) এইয়া দি পঠিয়ালে। ববৰুৱাই যেন কাণে কাণে কৈ পঠিয়াইছে,—"মৰাণ, তইঁতৰ সাধ্য আছে যদি, পৰাধীনতাৰ যুৰঁলি থহাই পেলা! নতু, চিৰদিন আহোমৰ পদ-সেৱা কৰি, কুকুৰ মেকুৰীৰ দৰে জীৱন

কটাই থাক।" (এনেতে ভিতৰৰ পৰা ৰাধা আৰু ৰুক্মিণী ওলাই আহে। আন ফালৰ পৰা ৰাঘৱ আহে।)

(নাহৰে ৰাধা ৰুক্মিণীলৈ চায়)

ৰাধা :—চাব নেলাগে! মৰাণৰ তিৰোতাই নকৰে কি! তিৰোতাই খেতিত গৈ পুৰুষক সহায় কৰে, হাবিৰ পৰা খৰি আনে, নৈত মাছ মাৰে, ঘৰত ধান চাউল কৰি ভাত ৰান্ধে, তাৰো উপৰি, সন্তানৰ মাতৃ হৈ, স্বামীৰ বংশ অক্ষুণ্ণ ৰাখে। ৰণলৈ যোৱা নাছিল। এইবাৰ ৰণলৈ গৈও প্ৰমাণ কৰিব, মৰাণৰ তিৰোতা কোনো গুণতেই পুৰুষতকৈ নীহ নহয়! (নাহৰে ৰাধা-ৰুক্মিণীৰ মুখলৈ চাই থাকে) পুৰুষ জাতিৰ ভুল এইবাৰ সংশোধন কৰিব লাগিব। তিৰোতা অকল পুৰুষৰ ধেমালিৰ সামগ্ৰীয়েই নহয়, তিৰোতাইয়ো ইচ্ছা কৰিলে, পুৰুষৰ সমানেই সংসাৰত আগ বাঢ়িব পাৰে—।

ৰুক্মিণী :— (ৰাঘৱলৈ) ডেকাদেও, তোমালোকে মৰাণজাতিৰ আত্মসন্মান আহোমৰ চৰণত শোধাই থৈ আহিলা! চাৱা সেই মান আমি তিৰোতাই ঘুৰাই আনিবগৈ পাৰোনে নোৱাৰো!

ৰাধা :—ভনিটি, আহা, সময়ৰ মূল্য আছে! কথা পাতিবৰ সময় নাই! কাৰ্য্যত আগ বাঢ়োগৈ আহা (ৰাধা আৰু ৰুক্মিণী ওলাই যায়। নাহৰে তেওঁবিলাক যোৱালৈ চাই থাকে।)

নাহৰ :—ৰাঘৱ, আহাঁ, আজিয়েই এটা মীমাংসা কৰিম; হয়,—মৰাণ জাতি অসমৰ ধূলি মাটিত লীন হৈ যাব; নতু মৰাণ জাতিও যে এটা জাতি,—তাৰ অস্তিত্ব ৰক্ষাৰ এটা সুদিহা কৰিম। আহা—।

(দুয়ো লাহে লাহে সোমাই যায়।)

চতুৰ্থ পট।

ৰংপুৰ নগৰ—ৰাজকাৰেং, মিঠাপুখুৰীৰ পাৰ—দূৰৈত আমগছৰ শাৰী।

সময়—আবেলি।

(পুখুৰীৰ পাৰত কলহ লৈ পখিলীয়ে পানী নিবলৈ আহে। হাতত সাৰে ভৰিত সাৰে, বিহুধৰে পখিলীৰ পাচত থিয় হয়হি)।

পখিলী :—ইছ্, আমাৰ মলবিলাকৰো ইমান গোন্ধ! পুখুৰীলৈ আহিলেই ইয়াৰ পৰা যাবৰ মনেই নেযায়। —আই-বোপাইৰনো কি খাই ধুকাইছিলোঁ, ক'ব নোৱাৰো। বঙালৰ ঘৰত বা কিয় দিলে! ইয়াত আৰু হাতীশালৰ বন্দীহে হলোঁ। ইফালে সিফালে যদি অকনমান সময় মুকলিমূৰে ফুৰিব পাৰোঁ! —তেও, বমৰ আগত কৰলৈ হ'লহেঁতেন। যাওক, সেইবোৰ কথা, কপালত যি সাধি আহিছো, সেয়ে হে হব। তাক জানো কোনোবাই চাছি গুচাব পাৰিব!

বিহুধৰ :—(চুখোজমান আগ বাঢ়ি) কেলেই নোৱাৰিব, ময়ে পাৰিম। তই মাথোন অলপমান মোলৈ কেৰাহিকৈ চালেই হ'ল। ক-চোন বাৰু, সঁচাকৈয়ে তই মোক বেয়া পাৱনে কি?

পখিলী :—(চক খাই উঠি) উ—আই, তোমাক নো কোনে মাতিছে আকৌ!

বিহুধৰ :—হেৰ' পখিলি! শুনচোন, তই মোক যেনে তেনে মানুহ বুলি নেভাবিবি। আমাৰ ঘৰ মানুহ, বুজিছ—"পতিত পাৱনি, জগত জাননী।"

পখিলী :-- সেই কাৰণেহে কৈছোঁ, ডাঙৰ মানুহ ডাঙৰ ভাৱে থাকিব লাগে। আমাৰ ফালে চকু নিদিলেই হয়।

বিহুধৰ :—হেৰ' ৰজাই কি তোক পাটমাদৈ জনী পাতিবগৈ 'অ' ! ইমানবোৰ কথা কিহৰ, অ! চেঙেলীয়া ৰজা হোৱা হলে, কিজানি ৰেহ-ৰূপ দেখুৱাই খাৰছাই এজনীকে হ'ব পৰাৰ আশা থাকিলহেঁতেন। —শুন, তই যদি মোৰ কথা শুন, সচাঁকৈয়ে কৈছোঁ—তোৰ অমৰা সুখ হ'ব।

পখিলী :—থোৱা, থোৱা, আমাক তেনেখন সুখ নেলাগে। চদিনলৈ! কাইলৈ ফুকন-বৰুৱা হলেই, আমুকীক হাতীৰ ঠেঙত নিদিলেই ৰক্ষা।

বিহুধৰ :—তেনে কথা নকবি বুজিছ। মই দেউ-ব্ৰহ্মা সাক্ষী কৰি কৈছো, বুজিছ, মই যদি ৰজা হওঁ তই হবি ৰাণী।

পখিলী :—(অলপ গহীন হৈ ৰয়)।

বিহুধৰ :—পখিলি, আৰু এটা কথা মন কৰিছনে?--মই হলোঁ ৰজাৰ ভিতৰৰ লিগিৰা। তই হলি কুঁৱৰীৰ ভিতৰৰ লিগিৰী। আমি দুয়ো যদি মিল হও, ৰাজ কাৰেঙত আমি কি কৰিব নোৱাৰিম। চাবিচোন, তেতিয়া ডাঙৰীয়াসকলেও আমাক খাটিৰ কৰি ফুৰিব। তেতিয়া তইহে তই, মই হে মই।

পখিলী :—আমাৰ জানো সিমানখন কপাল হব!

বিহুধৰ :—কৈছু হে আকৌ—!

(এনেতে আনফালৰ পৰা লিগিৰা এটাই খেক্ খেক্ কৰি হাঁহি আহে)।

লিগিৰা :—হেৰা দেখিলোঁহে, দেখিলোঁহে। মোক আকৌ কোৱাঁ বোলে পথিলীয়ে তোমাক দেখিবই নোৱাৰে—।

(লিগিৰাক দেখি পথিলী নৰালৰিকৈ গুচি যায়)।

লিগিৰা :—(কাষলতিত হাত বজাই) সখি, "হেকাই টিলিকি বাওঁ, মাগুৰ মাছৰ খোলা খাওঁ।"

বিহুধৰ :—(মুখ টিপা মাৰি হাঁহে)।

লিগিৰা :—সখি, আজি ধৰা পৰিলাহে তেও। অ,'—ইয়াকেহে কয়, বোলে,— "আঠিয়া কলৰ পাতে নেকাটিবি

ছিটিকি পৰিব এঠা ;

লোকক দেখুৱাই কেটেৰাই মাতিবি

ভিতৰি নেৰিবি বেথা।"

—হো. কথাটো কি!

বিহুধৰ :—কথাটো আৰু কি! তাহানি যে খাইছিলা—"পাতত দিয়া দি।"

লিগিৰা :—অ' অ' এতিয়াহে—,মই পাক এটাকে দিও। মনটো এনে ভাল লাগিছে ; তুমি চাপৰি ধৰিবা দেই।

গীত।

আবেলি বেলিকা পানীলৈ আহিলি

—পথিলী ঘৰতে নাই ;

চৰাই হৈ যুৰিবি, বাইজকো খুৱাবি

নগৰ সমনীয়া পাই।

(লিগিৰাই গীত গাই গাই পাক দিয়ে, বিহুধৰে হাঁহে)

(এনেতে দূৰৈত কীৰ্ত্তিচন্দ্ৰক দেখা পাই বিহুধৰে লিগিৰাক আঙুলিয়ায়)।

লিগিৰা :—হয় নে কেনি—! (বুলি দুয়ো লৰালৰিকৈ গুছি যায়)।
(সিহঁতৰ পাচতে পখিলীয়ে কাষত পানীৰ কলহ লৈ, গুণ ২
কৈ গীত গাই যায়)।

গীত।

পখিলী :—　জোন বেলি— লগাই থৈ আছিছোঁ।
জোন বেলি— সোণৰ খুটি গছা
তৰাঐ— এতিয়াই আহোঁগে বুলি।
জোন বেলি— জলে নাবায়ণে
জোন বেলি— এৰিকে নিদিয়ে
তৰাঐ— মোকো লৈ যোৱা বুলি॥
জোন বেলি— পাঞ্চ বৰণীয়া
জোন বেলি— পাচোটি টেংকেলি
তৰাঐ— বিলা বৰণীয়া পানী।
জোন বেলি— আইদেৱে সুধিলে
জোন বেলি— ক'বা কিয়ে বুলি
তৰাঐ— জয় সাগৰৰে পানী॥

(পখিলী লাহে লাহে ওলাই যায়)।
(কীৰ্ত্তিচন্দ্ৰই চিন্তামগ্ন ভাৱে লাহে লাহে আহে।
আনফালৰ পৰা নগৰীয়া বৰুৱা ওলায়হি)।

নগৰীয়া বৰুৱা :—বৰ ভাগ্যৰ কথা। বৰবৰুৱা দেউতাক হঠাতেই লগ পালো। আজি মনটো অলপ গধুৰ যেন দেখিছোঁ—!

কীৰ্ত্তিচন্দ্ৰ :—অ' বৰুৱা, নগৰৰ সকলো বাতৰি শুভ নে?

নগৰীয়া বৰুৱা :—দেউতা সকলো শুভ। কেৱল ডাঙৰীয়া কেইজনৰ বিশেষকৈ বৰগোহাঁই ডাঙৰীয়াৰ হে মন বুজা বৰ টান।

কীৰ্ত্তিচন্দ্ৰ :—এৰা, ডাঙৰীয়াসকলে এতিয়াও মোৰ বিপক্ষাচৰণ কৰিবলৈ এৰা নাই। দিনে ৰাতিয়ে কিমান কথা শুনিম।

নঃ বৰুৱা :—সেই বুলি জানো, বুদ্ধি-কৌশলত দেউতাৰ সমান হ'ব।

কীৰ্ত্তিচন্দ্ৰ :—তোমালোকে সদাই দেখিয়ে আছিছা ; যি কামকে মই কৰোঁ, তাৰ বিপক্ষে ডাঙৰীয়াসকল উঠিবই উঠিব।

নঃ বৰুৱা :—দেউতা, বৰগোহাঁই ডাঙৰীয়া কিন্তু সদায় এখোপ চৰা— ।

কীৰ্ত্তিচন্দ্ৰ :—হোৱাৰ কথাই। তাহানি স্বৰ্গদেও ৰাজেশ্বৰ সিংহৰ দিনত বৰগোহাঁয়ে যেতিয়া দেখিলে,— ৰণত, মেলত, সমাজত, মোক কোনোমতেই বলে নোৱাৰে, তেতিয়া ৰাইজৰ আগত মোক লঘু কৰিবলৈ চকৰিফেটী বুৰঞ্জী লেখি,— আমাৰ ঘৰ মানুহ—সামান্য জলমৰতাৰ বুলি প্ৰকাশ কৰিলে।

নঃ বৰুৱা :—দেউতাৰ দেপোন মান-মৰ্য্যাদা তেতিয়াৰ পৰা অলপ চৰিলহে।

কীৰ্ত্তিচন্দ্ৰ :—হোঃ, মই কৰিলো কি ! দেশত,—যাৰ ঘৰত যি বুৰঞ্জী আছিল, সকলোখিনি আনি জুইত পুৰি ছাঁই কৰিলোহি। —নতুন বুৰঞ্জীৰ পাতনি মেলিলো। তেওঁ জানো মোৰ বিপক্ষদলৰ শিক্ষা হ'ল ! মোৰ গালৈকে তনিয়ালে। বিপক্ষৰ উদ্‌গণিত নাজিৰাহতীয়া গণক ৰতিকান্তই মোক ৰাজহাউলিৰ ভিতৰতে পাছফালৰ পৰা দা-ৰে ঘাপ মাৰিছিল !

নঃ বৰুৱা :—দেউতা, সিহঁতেও তাৰ উচিত দণ্ড পালে। কুঠাৰেৰে সেই—ষৰযন্ত্ৰকাৰীহঁতক ডুফাল ডুফাল কৰিলো নহয়।

কীৰ্ত্তিচন্দ্ৰ :—তথাপি জানো বুজিলে। কতবাৰ প্ৰমান দিছোঁ, মোৰ কাৰ্য্যৰ ওপৰত কোনেও হাত চলাই জয়ী হ'ব নোৱাৰে।

নঃ বৰুৱা :—দেউতা, মই অকল বৰ গোহাঁইৰ আকোৰ-গজালিটোতহে লাগিছো !

কীৰ্ত্তিচন্দ্ৰ :—গোহাঁই কেইঘৰৰ শুৱিতেই ভুল, বৰুৱা ! তেওঁবিলাকে বুজিব নোখোজে, ৰজা আৰু ৰাজ-সিংহাসন অকল গোহাঁই কেইঘৰৰে আচুতীয়া বস্তু নহয়। সিংহাসনৰ ওপৰত তেওঁবিলাকৰ যিমান স্বত্ব, আমাৰো সিমান স্বত্ব।

নঃ বৰুৱা :—দেউতা, গোহাঁই কেইঘৰে কিন্তু সেইদৰে নেভাবে। তেওঁবিলাকে ভাবে ৰজাৰ ওপৰত, দেশৰ ওপৰত একমাত্ৰ তেওঁবিলাকৰ হে অধিকাৰ !

কীৰ্ত্তিচন্দ্ৰ :—মৰো তেওঁবিলাকক বুজাম, দেশখন আজি কাৰ আঙুলিৰ ঠাৰত : তেওঁবিলাক মিছা অহঙ্কাৰতে গেলি থক। মই মোৰ কাম কৰি যাম। —আহা, এতিয়া কাৰেঙলৈকে যাওঁ। (বুলি লাহে ২ দুয়ো ওলাই যায়)।

পঞ্চম—পট

খুটিয়া-পোতা—মৰাণৰ গোসাইৰ ঘৰ।

বাট—চ'ৰাৰ মুখ।

সময়—বেলি এপৰিয়া।

কেৱলীয়া ভকত এজনে হাতত করতাল লৈ
গীত গাই গাই আছে।

গীত

কেৱলীয়া ভকত :—বাগৰি বাগৰি কান্দে শ্ৰীহৰি
ভোকে বেলা চৰি গ'ল!
ৰ'বা লাহৰি, নেপাইছো আহৰি
দধিও মথিবৰ হ'ল॥

(পদ)

পাছে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমান।
ফল-ফুল ধৰি জক-মক কৰি
আছে যত বৃক্ষমান॥

(এনেতে লগত মৰাণ ডেকা দুজন লৈ, চতুৰ্ভুজ
ওলাই আহে। ভকত নিজৰ গীততেই নিজে তন্ময়
হৈ থাকে। গোসায়ে ভকতক নিৰীক্ষণ কৰি
ডেকা দুজনক কয়।)

চতুৰ্ভুজ :—ডেকাহঁত এই ভকতজন দেখিছানে? কেনে সুন্দৰ
চেহেৰাৰ! বয়স হৈছে তথাপি মুখত ডেকাৰ তেজ।
এওঁ প্ৰাচীন সাত ঘৰীয়া আহোমৰ ঘৰৰে এজন আছিল।

চ'ৰাত বহি বিষয়ো থাইছিল। মোহনমালা কোঁৱৰৰ লগত এওঁৰ বন্ধুত্ব আছিল। . সেয়ে অপৰাধ! কীৰ্ত্তিচন্দ্ৰই এওঁৰ বিষয় ভাঙি, ঘৰ লুৰি, এওঁক নগৰৰ পৰা খেদি দিলে। এওঁ, এতিয়া আমাৰ আশ্ৰয়তে আছেহি। চোৱাচোন, কৃষ্ণ প্ৰেমত একেবাৰেই মতলীয়া। ডেকাইত, অকল মৰাণেই নহয়, আহোমৰ ভিতৰতো বহুতেই কীৰ্ত্তিচন্দ্ৰৰ বিপক্ষে আছে। (ভকতলৈ) বোলো, আতৈ, এই ফালে মন কৰিবাচোন। আমি আহিছো।

ভকত :—(ঘূৰি চাই) এ দেৱতা দেখোন, অসময়তে ওলাই আহিল কিয় বা!

চতুৰ্ভুজ :—আতৈ, তোমাৰ কৃষ্ণ-প্ৰেমৰ ঘোষা শুনিলে, কাৰ সাধ্য ভিতৰত সোমাই থাকিব পাৰে। কোৱাচোন, তোমাৰ কৃষ্ণইনো তোমাক কি কৈছে! আকৌ দশমৰ পদ গাঁথিব পৰা হ'বনে?

ভকত :—দেৱতা, মোৰ প্ৰভু কৃষ্ণই, কেতিয়াও পৃথিবীত অন্যায় অধৰম হ'বলৈ নিদিয়ে। মহাভাৰতৰ ৰণ এখন আজি কালিতে লাগেহে। আমি প্ৰমাণ পাইছো। ভক্তৰ হিয়াত যেতিয়া অবিশ্বাসে ভুমুকি মাৰে, মোৰ প্ৰভু শ্ৰীকৃষ্ণই তেতিয়াই সংহাৰ মূৰ্ত্তি ধৰি পৃথিবীৰ ভাৰ খণ্ডন কৰিবই কৰিব। দেৱতা, চাওকচোন, ৰজাৰ ঘৰত বিশ্বাস অবিশ্বাসৰ খলকনি বাইজৰ মুখত সন্দেহৰ জিলিকনি, বিষয়া সকলৰ মাজত খেলিয়া-খেলি, এনে ত্ৰয়স্পৰ্শত, দেশত তেজৰ নৈ এখন ন'বব'নে?

চতুৰ্ভুজ :—এৰা, আমিও তাকেই ভাবিছো। সেইজনে হৃদয়ত স্থিতি লৈ, বিদৰে প্ৰাণী সমূহক কাম কৰোৱাই, সেই দৰেই

জগতত কাম হৈ যায়। ব্ৰহ্মা-বিষ্ণু হ'লেও তাক খণ্ডন কৰিব নোৱাৰে।

ভকত :—আমিও তাকেহে কৈছো। আমাৰ এই কলিয়া-কানাইৰ লীলা বুজা বৰ টান, বৰ টান।

চতুৰ্ভুজ :—আতৈ, এই ডেকা দুজনক চিনি পাইছানে? এওঁবিলাক মৰাণৰ ডেকা! আমাৰ মৰাণ জাতিৰ নেতা নাহৰ সেনাপতিয়ে, ডিবৰু চহৰত ৰণৰ আয়োজন কৰি মোৰ পৰা অনুমতি নিবলৈ এওঁবিলাকক পঠিয়াইছে। তাত মৰাণ-বৰাহী-কছাৰী আদি সকলোৱে শপথ লৈ প্ৰতিজ্ঞা কৰিছে, দেশৰ এনে অন্যায় অধৰমৰ বিপক্ষে থিয় হ'বলৈ।

ভকত :—মোৰ প্ৰভু ভগৱন্ত বস্তুৱে দেৱতাক বা কি কৰিবলৈ কৈছে।

চতুৰ্ভুজ :—গুৰুৰ কৰ্ত্তব্য শিষ্যৰ মঙ্গল চিন্তা কৰা। আমি অনুমতি দিছো, তেওঁবিলাকে ডিবৰুতে ৰণৰ আয়োজন কৰি, ৰংপুৰৰ ফালে ঢাল লৈ আহক। আমি এই ফালৰ প্ৰজা সমূহৰ মনৰ কথা আৰু বিষয়া সকলৰ গতি মতি, দাবে দাবে তেওঁবিলাকক জনাই থাকিম। ৰণ বুলিলেই বুদ্ধি-কৌশল লাগে। আতৈয়ে নো কি বোলে?

ভকত :—জগতৰ ঈশ্বৰ শ্ৰীকৃষ্ণইও বুদ্ধি-কৌশলেৰেহে কৌৰৱক জিনি পাণ্ডৱক জয় কৰিব পাৰিছিল। বুঢ়ালোকে কয়, "কৰাক নকৰিলে, পিতৃয়েও পানী নেপায়।"

চতুৰ্ভুজ :—আতৈ, ভকতৰ ইচ্ছা, ভকত-বৎসল শ্ৰীহৰিয়ে সিদ্ধি কৰিবই! বাৰু, আমি এতিয়া ভিতৰলৈ আহিছো, এওঁবিলাকক বিদায় দিওঁগে।

(চতুৰ্ভুজে ডেকা দুজনক লৈ সোমাই যায়।)

ভকত :— মোৰ প্ৰভুৰ লীলা।—মই যে পৃথিবীত আজিও আছো, ইও, এক আচৰিত কথা। কাপোৰে-কানিয়ে মানুহটোক যিমানেই ঢাকি থোৱা হওক, তথাপি আছল মানুহটো মুলুকায়। দিনে-ৰাতিয়ে হৰিনাম লৈ, নিজৰ সুখ-দুখ মান-অপমান শ্ৰীহৰিৰ চৰণত সমৰ্পণ কৰি, যিমানেই প্ৰাণত শান্তি বিচাৰো, তথাপি, ক'তা—! সকলো বিফলে যায়। প্ৰাণত লগা আঘাত বিলাক পাহৰিব নোৱাৰো। এই মোৰ দুৰ্ব্বলতা প্ৰাণৰ পৰা নেযাব নে কি? ধন-ঐশ্বৰ্য্য, মান-মৰ্য্যাদা, বংশ-পৰিয়াল, সকলোকে পাহৰিব পাৰো; কিন্তু, কীৰ্ত্তিচন্দ্ৰৰ নামটো আজিও পাহৰিব নোৱাৰিলো। উস্ কীৰ্ত্তিচন্দ্ৰ, আজি মোৰ জীৱন পৰিবৰ্ত্তনৰ মূলত, এইটো তোৰ কটাক্ষ নে, নাই মোৰ প্ৰভু ভগৱন্তৰ লীলা। যাওক, ফলাফলৰ বাবে মই দায়ী নহওঁ।

গীত।

গোবিন্দ, গোবিন্দ, গোবিন্দ,

ৰাম হৰি এ হে।

(পদ)

গৈলন্ত নাৰদ ঋষি কংসৰ সমাজ।
নিচিন্তি আছ সে কেনে প্ৰভু ভোজৰাজ॥
তোকে মাৰিবাক লাগি দেৱৰ যতন।
দৈৱকীৰ গৰ্ভে উপজিল নাৰায়ণ॥
(গীত গাই গাই ভকত ওলাই যায়।)

ষষ্ঠ পট।

ঠাইৰূপ—দিহিং নৈৰ দাঁতি।

সময়—আবেলি।

(হাতত বীণখন লৈ ৰূপহীয়ে নৈৰ দাঁতিৰ শিল এটাত বহি,)
একেমনে গীত গাই আছে।)

গীত।

ৰূপহী :—

বৈ বৈ কিয়—

গছে নাচে, লতাই নাচে,
গায় বিহগীয়ে গান।
কোন অদূৰৰ কোন অসীমৰ
কপায় সিংহাসন॥

কাৰ আচলৰ মধুৰ হাঁহাত
কাৰ হাঁহিটিৰ মধুৰ সুধাত
আজি সান্ধ্য-গগনত,
হেঙ্গুলি বৰণ কাৰ আভৰণ
কোনে ক'ব—কি কাৰণ॥

ৰূপহী :—সোৰা, পচিম ফালে নৈৰ বুকুত বেলিয়ে বুৰ মাৰিছে। শেষ ৰ'দ ছাটিয়ে সৌ পৰ্ব্বতটোক ৰঙা-বোল দিছে। তাৰ পাছত, আন্ধাৰৰ ক'লা ঢাকনিত আন্ধাৰ হৈ পৰিব। —আকৌ কালিলৈ পুৱা পৰ্ব্বতে হাঁহিব, ভৈয়ামে হাঁহিব,

হাবি-বন লতা প্ৰফুল্লিত হৈ নাচি উঠিব। মোৰ কিন্তু, সেই দিনাৰ শেষ চাৱনিয়ে মোৰ বুকুত যি ৰঙা দাগ দি গ'ল, আজিও সেই দৰেই আছে। আন্ধাৰত খেপিয়াইছো, পুৱাৰ পোহৰ আৰু আহিবনে? হাঁহিবও নোৱাৰো, কান্দিবও নোৱাৰো, কিয়—সেই দিনাৰ কথা। নাও বুৰি নৈত পৰিলো। দ্বিহিঙৰ বহল বুকুত অথাই পানীত কক্ বকাবলৈ ধৰিলো—। কোন মুহূৰ্ত্তত ক'ৰ পৰা আহি এই বাউঁসিটোতে ধৰি, ততালিকে পাৰত তুলি দিলেহি। —ঘুৰি চাই দেখো, মোৰ বিপদৰ সহায়কাৰী নগা ডেকা। তাক পুৰস্কাৰ দিব খুজিলো, সি নললে। তাৰ প্ৰতিটো কথাত বীৰ পুৰুষৰ লক্ষণ প্ৰকাশ পাইছিল। নগা ডেকা, সচাকৈয়ে তুমি কোন? তুমি কোনোবা স্বৰ্গীয় দেৱকুমাৰ; আসন্ন বিপদত মোক ৰক্ষা কৰি, ছলনাৰ খেলা-খেলি, অন্তৰ্ধান হৈ আতৰি গ'লা।—ক্ষন্তেকৰ দেখা, তাতে নগা ডেকা। মন কিয় বিচলিত হয়—।

(হাবিতলীয়া বাটেদি তাতে কেইজনীমান গাঁৱৰ ছোৱালী ওলায়হি।)

গাঃ ছোৱালী :—ই ঔ, আইদেউজনী ইয়াতে লুকাই আছেহি! আমি—

(এই বুলি আটাইকেইজনী ছোৱালীয়ে খিল্-খিলকৈ হাঁহিবলৈ ধৰে)।

ৰূপহী :—বাইটাহঁত, মই আকৌ ভাবিছিলো, তোমালোক মাছলৈ কি পহুলৈ গ'লা বুলি।

গাঃ ছোৱালী :—ইছ্ ইছ্, এনে কথা ন'কবা, আইদেউ, আমিনো তোমাক এৰিথৈ যাম নে?

ৰূপহী :—ৰাক, বাইটীইঁত,—বহা !

(গাবঁলীয়া ছোৱালী কেইজনীয়ে ৰূপহীক মাজতে লৈ বহে।)

(লাহে লাহে বেলি মাৰ যায়, পূৰ্ণিমাৰ জোনৰ জোনাক ওলাই পৰে)।

গাঃ ছোৱালী :—আইদেউ, ইয়াত বহিলত মনটো দেখোন বৰ ভাল লাগিছে। নৈৰ পানীবোৰ জোনাকত কেনেকৈ জলমলাই উঠিছে। সচাঁকৈয়ে আইদেও, তোমাৰো ভাল লাগিছেনে ? তোমাৰ সেই মিহি সুৰৰ নাম এটা গোৱাচোন ? এতিয়া শুনিবৰ মন গৈছে।

ৰূপহী :—হয় নে ? গান যে দিনে-ৰাতি গায়ে আছো। তেও যে মনটো উকণ্ডা।

গাঃ ছোৱালী :—(নৈৰ সিপাৰে পহু এহাললৈ আঙুলিয়াই)—আইদেউ আজিও সৌ পহু কেইটা আহিছে। চোৱাচোন ! তুমি সুৰলা মাত লগাই নাম গালে, সিহঁতে ভাল পায়, নহয় নে ?

ৰূপহী :—ইহঁতৰ মনবিলাক ইমান সৰল।

গীত

কোনে গান গায়, কোনে বীণ বায়
সুৰদী পূৰবী মধুৰ সুৰৰ।
কেউফালে মোৰ বুৰি থক সুৰ
দিনে ৰাতি নপৰক ওৰ॥
সুৰ তৰঙ্গত, সুৰ হিল্লোলত,
চিৰ চেনেহী প্ৰিয় বান্ধোনত :
থাকক বাজিয়ে সুৰ মাধৱীৰ
গোটেই জীৱন উপচি মোৰ॥

সপ্তম পট।

ডিবরু নৈৰ দাঁতি।

আহোম বিষয়াৰ কোঠ।

সময়—দুপৰীয়া।

(হিলৈদাৰী হাজৰিকা আৰু বেজ টেকেলা বৰা আসনত বহি থাকে। দুই দাঁতিয়ে দুশাৰী হিলৈদাৰী আৰু চুতীয়া কাড়ী থিয় হৈ থাকে।)

হাজৰিকা :—বৰা, বৰ আচৰিত কথা, কাঁকতলীয়া মৰাণেও আমাৰ আদেশ কাটিব পাৰে। উলটি গৈ, ৰাজ চ'ৰাত কি ক'ম গৈ! বৰবৰুৱাই হুকুম দিলে, মৰাণৰ হতুৱাই বৰ ঢাক কটাই নিবলৈ! মৰাণৰ উত্তৰ শুনিছা।

বৰা :—মৃত্যু যেতিয়া ওচৰ চাপে, উই-চিৰিঙাৰ পাখি এই দৰেই গজে। সামান্য কাকতলীয়া মৰাণ। —কেইটামানক পিণ্ডত দিলেই—।

হাজৰিকা :—হয় নে বৰা, মৰাণে বোলে ৰাতি অবিতীয়া দেও কৰে। সিদিনা টেকেলাৰ মুখত শুনিছিলা নহয়? সিহঁতৰ বোলে মটা-মাইকী আটাইবোৰে ৰাতি উলঙ্গ হৈ দেও-পূজা কৰে আৰু ৰাতিৰ পৰে পৰে স্বৰ্গদেওক শাও দিয়ে।

বৰা :—থওক, বুজিছে নে! মৰাণৰ আকৌ দেও! সিহঁতৰ সেইবোৰ ৰাতি—লাওপানী খোৱাৰ মেল। ৰ'ৰচোন, আৰু অলপ সময়। মৰাণৰ ঘাই দুটাকেই ৰাঘৱ আৰু নাহৰক ধৰিবলৈ ছিটিকা পাতিছো। ছিটিকাত লাগে হে!

হাজৰিকা :—জানো বৰা, মই হ'লে একো বুজিব পৰা নাই। আজি কেইদিন হ'ল, মৰাণৰ দেশত বাহৰ কৰি আছোহি, সিহঁতে আমাক এদিনো বছৰ দিয়াহি নাই। ৰজাঘৰীয়া বিষয়াক বছৰ নিদিয়াটো কম সাহসৰ কথা নহয়।

(এনেতে, টেকেলা এটা সোমাই কয়হি।)

টেকেলা :—দেউতা, দুটা মৰাণৰ ঘাই মানুহ আহিছে।

বৰা :—হয় নে? ইয়াঁলৈকে মাতি আন।

(টেকেলা ওলাই যায়।)

হাজৰিকা :— বৰা, তোমাৰ বুদ্ধি আছে হয়। বনৰীয়া ম'হক পঘা এইদৰেহে লগাব পাৰি।

(এনেতে টেকেলাৰ লগত ৰাঘৱ আৰু নাহৰ সোমাই আহে।)

বৰা :—মৰাণ, বৰবৰুৱাৰ আদেশ তহঁতে বৰঢাক কাটিব লাগে। তহঁতে —আদেশ নেমান কিয়? সামান্য মানুহৰ ইমান সাহ কিয়?

ৰাঘৱ :—আমি মৰাণ।

নাহৰ :—জানানে বৰা, আহোম অহাৰ আগতে, এই দেশ মৰাণৰ আছিল!

বৰা :—মৰাণ, তহঁতৰ বুৰঞ্জী বিচাৰি আমি অহা নাই। তহঁতক ৰজাঘৰৰ কাম কৰাবলৈ আহিছো। তহঁতৰ হতুৱাই বৰঢাক কটাবলৈ আহিছো। আদেশ নেমানিলে তহঁতৰ কি দণ্ড হ'ব পাৰে জান নে?

ৰাঘৱ :—সামান্য বৰা-হাজৰিকা দুটা, তহঁতৰো ইমান কথা! (নাহৰলৈ) দেৱতা আহক, ইহঁতৰ লগত কথা নেপাতো—!

(এই বুলি, ৰাঘৱ আৰু নাহৰ ওলাই যাব খোজে। বৰাৰ আদেশত কাড়ী সৈন্যবিলাকে আগভেটা দিয়ে।)

বৰা :—বন্দী কৰ ইহঁতক, কি চাই আছ!

বাঘৱ :—আমাক—! (এই বুলি পেপাটো বজাই দিয়ে। পেপাৰ মাতত অসংখ্য মৰাণ সৈন্য হাবিৰ পৰা ওলাই, আহোম সৈন্যক বেঢ়ি ধৰেহি। যুদ্ধ— বাঘৱে আহোম সৈন্য খেদি লৈ যায়)

(বাহিৰত অস্ত্ৰৰ ঝনঝননি, ছিৰৈৰ শব্দ, মৃত্যুৰ কান্দোন।)

নাহৰ :—মৰাণৰ হাত আজি আহোমৰ তেজেৰে ৰাঙলী! পলা, পলা, আহোম সৈন্য পলা! বৰা-হাজৰিকাক ধৰ, ধৰ—নেৰিবি, নেৰিবি। —নাকী লগা, নাকী লগা—!

(এনেতে বাঘৱ আৰু কিছুমান মৰাণে তেজেৰে ৰাঙলী হোৱা হাজৰিকাৰ নাকত নাকী লগাই টানি টানি লৈ আহে।)

বাঘৱ :— (সোমায়েই, ভয়ঙ্কৰ মূৰ্ত্তিৰে।) —আহোম! মৰাণৰ বৰঢাক ল! (তৰোৱাল হাজৰিকাৰ বুকুত সুমাই দিয়ে) দেৱতা ৰণচণ্ডীলৈ এৱে মৰাণ জাতিৰ প্ৰথম নৈবিদ্য—!

সকলো মৰাণে :—"জয় মৰাণৰ জয়" দিয়ে।

তৃতীয় অঙ্ক।

প্ৰথম পট।

ৰংপুৰ নগৰ—ৰাজ চ'ৰা

সময়—পুৱা।

(মাজতে সিংহাসনত—লক্ষ্মীসিংহ। বৰ গোহাঁই, বুঢ়া গোহাঁই,
বৰপাত্ৰ গোহাঁই, কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা, হৰনাথ সেনাপতি
ফুকন, বেজ টেকেলা বৰা আৰু অন্যান্য
বিষয়াসকল নিজ ২ আসনত
বহে। কেউফালে চাউদাং
আৰু টেকেলাবিলাকে
আঠুলৈ থাকে)।

কীৰ্ত্তিচন্দ্ৰ :—টেকেলা বৰা, ৰাজসভাত মৰাণৰ বাতৰি কোৱা।

টেকেলা বৰা :—(বৰবৰুৱাৰ নিৰ্দ্দেশত আঠু লৈ কয় :—) স্বৰ্গদেউ ঈশ্বৰৰ আজ্ঞা শিৰত লৈ দাসে জনাও,— আমি শিক্ষিত সৈন্য লৈও হাতীচুণ্ডী মৰাণক জিনিব নোৱাৰিলো। আমাৰ হিলৈদাৰী হাজৰিকাক, কাড়ী আৰু হিলৈদাৰী সৈন্যক মৰাণে কাটিলে। সিহঁতৰ আয়োজন ভীষণ! সিহঁতে ৰাতি ৰাতি, অৰিতীয়া সকাম পাতি দেও কৰে আৰু সিহঁতৰ মৰাণনী ডুকনীক দেও তোলে। ৰাজচ'ৰাৰ সকলোকে ৰাতিৰ পৰে পৰে শাও দিয়ে। সিহঁতৰ বিদ্ৰোহ সামান্য নহয়। সিহঁতৰ ভিতৰতে ৰজা-মন্ত্ৰী পাতি দিহিঙৰ পৰা ওপৰছোৱা মৰাণৰ স্বাধীন দেশ বুলি কৈ ফুৰিছে।

সেই ফালৰ কচাৰী চুতীয়া আদি সকলোকে সিহঁতে বৰাই লৈছে। সিহঁতৰ লগত ভালৰূপে ৰণ দিলেহে মৰাণক বশ কৰিব পৰা হ'ব। দাসৰ এয়ে নিবেদন।

কীৰ্ত্তিচন্দ্ৰ :—মৰাণৰো বিদ্ৰোহ! তথাপি সিহঁত সকলো যেতিয়া এক গোট হৈছে, ইয়াৰ উচিত উপায় কৰিব লগীয়া হ'ল।

লক্ষ্মীসিংহ :—ডাঙৰীয়াসকল, মৰাণক আমি সদাই মৰম কৰি আহিছোঁ। সিহঁতে বছৰৰ মূৰত মাথোন কেইটামান হাতী, বছৰেকৰ কৰ-বৰঙণি বুলি ৰাজ-চ'ৰাত শোধায়হি। ইয়াৰ বাহিৰে সিহঁতৰ চলন-ফুৰণ খোৱা-লোৱা, একোতে আমি দিগদাৰ কৰা নাই। সিহঁতে বিদ্ৰোহ আচৰে কিয়!

কীৰ্ত্তিচন্দ্ৰ :—স্বৰ্গদেও, হাবিতলীয়া মানুহৰ স্বভাবো হাবিতলীয়া। বন-ৰীয়া ম'হৰ জাক আৰু মৰাণৰ বিদ্ৰোহ একে কথাই। ইয়াত কাৰণ বিচাৰি পাবলৈ নাই।

লক্ষ্মীসিংহ :—তথাপি সিহঁতৰ বিদ্ৰোহ সামান্য নহয়। আমাৰ হিলৈদাৰী সেনাকো সিহঁতে হৰুৱালে! ভাবিব লগীয়া—।

বৰ গোহাঁই :—সঁচা স্বৰ্গদেও, ভাবিব লগীয়া। সামান্য মানুহৰো ইমান প্ৰতাপ। ডাঙৰীয়াসকলৰ বোধেৰে, বৰ বৰুৱায়ে ৰণৰ আয়োজন কৰি, অতি শীঘ্ৰে মৰাণক দমাবলৈ যুগুত কৰক।

লক্ষ্মীসিংহ :—বৰ গোহাঁই ডাঙৰীয়া, ভাল কথা। মইও কওঁ, বৰ বৰুৱাই ৰণৰ আয়োজন কৰি, বেগতে এজন কাজুৱা সেনাপতিক মৰাণক দমাবলৈ পঠাওক।

কীৰ্ত্তিচন্দ্ৰ :—স্বৰ্গদেও আৰু ডাঙৰীয়াসকলৰ আজ্ঞা শিৰোধাৰ্য্য। ৰঙা-
চিলা চুৰবাৰ ঘৰৰ সেনাপতি ফুকন হৰনাথক লৈ, আজিয়ে
এটা ইয়াৰ সুদিহা কৰিম। গধূলিকৈ আমাৰ আয়োজনৰ
কথা স্বৰ্গদেওৰ মেলতে জনামহি।

বৰ গোহাঁই :—সুন্দৰ কথা। বৰবৰুৱা, বেমাৰ চাই ঔষধৰ ব্যৱস্থা হব
লাগে। স্বৰ্গদেও, আজিলৈ সভা ভঙ্গ হওক। গধূলিকৈ
আকৌ স্বৰ্গদেওৰ মেলত সকলোটি বহিমহি।

দ্বিতীয় পট।

দিখৌ নৈৰ দাঁতি চতুৰ্ভুজ গোসাইৰ বাঁহৰ।

গোসাইৰ চ'ৰা।

সময়—দুপৰীয়া।

(কেৱলীয়া ভকতে গীত গাই ২ আছে।)

গীত।

কেঃ ভকত :— হাতে শিঙা, মুখে বেনু
মাথাত ম'ৰাৰ পাখি।
বৃন্দাবনৰ মাজে প্ৰভু
ধেনু ফুৰা ৰাখি॥
নন্দৰ ঘৰে থাও তুমি
আছিলাহে সক।
কোন-সতে নন্দ-ৰাণী
ৰখাইছিলে গৰু॥
বৃন্দাবনৰ মাজে প্ৰভু
আছিলা লুকাই।
ভালেতো গোপিনীসবে
বিচাৰি নেপায়॥
বিচাৰিলো বিচাৰিলো,
অনেক প্ৰবন্ধে।
পাইলো গৈয়া পাইলো গৈয়া
তুলসীৰ তলে॥

(গীতৰ লগে লগেই চতুৰ্ভুজ ওলাই আহে)।

চতুৰ্ভুজ :—বোলো আতৈ, আজি পুৰা দেখোন দেখা নহল।

কেঃ ভকত :—দেৱতা, মোৰ প্ৰভু ভগৱন্ত বন্তৰ ইচ্ছাত, আজি দঁবিকা ডুবাবতে পুৰাটো গ'ল।

চতুৰ্ভুজ :—দঁবিকা ডুবাবতে! কোৱাঁচোন আৰু কি কি নতুন সংবাদ পোৱা হ'ল।

কেঃ ভকত :—দেৱতা, সকলো ঈশ্বৰৰ ইচ্ছা। কাৰেঙৰ ভিতৰখনত অবিশ্বাসৰ তাণ্ডৱলীলা! ডাঙৰীয়াসকলৰ পৰা লিগিৰালৈকে সকলোৰেই বৰবৰুৱাৰ মইমতালিত তিতা পাইছে। ৰজা-প্ৰজা সকলোৰে মনত এটা আতঙ্কৰ বিভিষীকা। ৰজাই ভাবে, ৰাজকোৱঁৰসকল নিপাত হওক। বিষয়াসকলে ভাবে, বৰবৰুৱা তললৈ যাওক। —তাতে আকৌ মৰাণৰ ৰণৰ কথা, ৰণৰ বাতৰিত সকলোৱে ভালকৈয়ে চমক খাইছে। নহলে নো সেনাপতি কুকনক লৰায় নে?

চতুৰ্ভুজ :—তেন্তে আতৈ, এইখন ডাঙৰ ৰণেই লা'গব নে কি?—প্ৰথমতেই সেনাপতি কুকনক! সিফালে বা মৰাণে কি আয়োজন কৰিছে! অৱশ্যে ৰাঘৱৰ বীৰত্ব আৰু নাহৰৰ কূট বুদ্ধিত আমাৰ বিশ্বাস আছে। তথাপি আৰু শুনোচোন—!

কেঃ ভকত :—দেৱতা, আজিৰ বাতৰিবিলাক অলপ ভীষণ। মোৰ প্ৰভুৰ লাগাৰ ওপৰতহে নিৰ্ভৰ কৰিছে। কালি ৰাতি ডাঙৰীযাসকল আৰু বৰবৰুৱা ৰজাৰ মেলত বহিছিল। সেনাপতি কুকন হৰনাথক ৰণৰ অধিপতি কৰি পঠিয়াইছে। লগত মূলে-দোৱালে আঁঠহেজাৰ ৰণুৱা যাব। আজিয়েই সেনাপতি কুকনে যাত্ৰা কৰিব।

—দেৱতা, মোৰ প্ৰভুৰ হে লীলা।

চতুৰ্ভুজ :—আতৈ, অতি সজ কথা। তেওঁ ৰৰৰকৰাই বুজিছে,—মৰাণ জাতিটো সামান্য নিশকতীয়া নহয়। আতৈয়ে মনত একো শঙ্কা নকৰিব। সিদিনা মালৌ পথাৰত আমাৰ শিষ্যসকলে গাইপতি এচপৰাকৈ মাটি দিওঁতেই, কিমান টো পৰ্ব্বত প্ৰায় বৰ ভেঁটী হল, দেখিলা নহয়! আমাৰ শিষ্য অসম দেশৰ এফাল বুলিয়েই ধৰাচোন! আতৈ দৈৱকীনন্দন আমাৰ সহায়।

কেঃ ভকত :—দেৱতাৰ বাক্য অথলে নেযায়। মোৰ প্ৰভু ভগৱন্তৰ ইচ্ছা হে হব লাগিছে।

চতুৰ্ভুজ :—বাৰু আতৈ, ভিতৰলৈকে আহাঁ, ঘোৰা-চোৰাৰ এটা দিহা কৰিব লাগিব।

(উভয়ে সোমাই যায়)

তৃতীয় পট।

নামৰূপ।

মোহনমালা কোঁৱৰৰ ঘৰ।

সময় আবেলি।

(মাৰলঘৰৰ আওলাত বহি ৰূপহীয়ে বীণখন লৈ টুং টাং কৰি আছে।)

ৰূপহী :—বাঃ, বীণখন লৈ যেতিয়া, গান গাবলৈ বহোঁ, মনটো এনেহে লাগে, মই যেন ৰজাৰ জীয়াৰী—আইদেউ। —গাভৰুতোলত বহি হৰিষ কৰি আছো। পিছ মুহূৰ্ত্তেতে, বীণখন যেতিয়া নমাই থওঁ, ছাত কৰে মনত পৰেহি, জলমৰতাৰ ঘৰৰ কীৰ্তিচন্দ্ৰৰ কথা। যাৰ কূট বুদ্ধিত, ৰজাৰ কোঁৱৰ হৈও, দেউতা আজি এই বয়সত হাবিৰ মাজত! —আকৌ মনটো, পাতল লাগে, হাঁহিবৰ মন যায়, গাবৰ মন যায় : ধেনুখন লৈ ধেমালি কৰিবৰো মন যায়! —তাতে নগৰীইঁতক পালে এনে অনুমান হয় মোৰ, —ৰাজ কন্যা হৈও, ঋষি কন্যাৰদৰে বন-বিহাৰিণীৰ সুখ সখীইঁতৰ লগত যেন অনুভব কৰিছোঁহি —মিছা, মিছ: সকলো মিছা, —এইবিলাক সপোন—! —প্ৰাণ চমকি উঠে! ছাতকৰে নগা ডেকাৰ কথা মনলৈ আহে। তাৰ কথা! সকলোৰে কৈছে, সি নগাৰ ডেকা। মোৰ মনত কিয় উগুল থুগুল! মোলৈ যেন সি দেৱতাৰ দূত! কৈ গ'ল, মোক চিনি পায়; নামচাঙত থাকে; মই মাতিলেই আকৌ আহিব। —ছিঃ, মই ইমান পাতল! তিৰোতা জাতিটোৰ মন সচাকৈয়ে পাতলনে?—নহয়, নহয়, মই মোৰ মনক তেনে

হবলৈ নিদিও! মন যোৰ শিলেৰে বান্ধিম, মই ঘোৰাত উঠিম, দুইহাতে কাড় মাৰিম! সকলোকে বুজাম, তিৰোতাৰ মন পুৰুষতকৈও টান—!

(মোহনমালা ওলাই আহে।)

মোহনমালা :—আই অ' ৰূপহি! অকলৈ বহি বহি কি কৰিছ!

ৰূপহী :—দেউতা, মই ভাবিছো,—পুৰুষ আৰু তিৰোতা উভয়ে মানুহ নহয় জানো! যদি পুৰুষৰ দৰে তিৰোতাও মানুহ; তেন্তে তাৰ মই পৰিচয় দিম! দেখুৱাম,—কৰ্ম্মক্ষেত্ৰত নামিলে, তিৰোতাইও পুৰুষক চেৰ পেলাই যাব পাৰে। নোৱাৰিম নে, দেউতা!

মোহনমালা :—পাৰিবি আই, কেলেই নোৱাৰিবি! আমাৰ আহোমৰে কত গাভৰু ঘোৰাত উঠি ৰণলৈ গৈছিল! পাছে—।

ৰূপহী :—পাছে আৰু কি! এতিয়া সুবিধা লাগে!

(বুলি বীণ খনত আকৌ টুং টাং কৰে)।

মোহনমালা :—(নিজে নিজে) এই মাউৰী ছোৱালীজনী! তাই সমূলি বুজা নাই, তাই আজি জগতত পিতৃ-মাতৃ হীনা অকলশৰীয়া বুলি। সকলো দুখৰ মাজতো, মোৰ এয়ে আনন্দ, মই পিতৃ নহৈও, তাইক মই পিতৃ স্নেহ দিব পাৰিছো,—তাই নিজৰ পিতাকক কিমান ভাল পালেহেতেন,—ক'ব নোৱাৰো! তাই মোক ইমান ভাল পায়। —(ফুটাই) বাৰু আই অ' ৰূপহি, কিবা এটা গা-চোন শুনো।

ৰূপহী :—(মোহনমালাৰ চকুলৈ চাই) বাৰু, দেউতাৰ কথা ৰাখো। মোৰ কথাও ৰাখিব লাগিব।

গীত।

ন-পানী বাঢ়িছে ডুকুল ডাকিছে
কি নো ছয়া-ময়া বাজি।
ডাৱৰৰ বুকুতে বিজুলি হাঁহিছে
নাই নাৱৰীয়া আজি॥
বৈ বৈ গাজিবা বিজুলি মাৰিবা,
চাকনৈয়া কাটি বাট পোহৰাবা;
ঘোৰ অন্ধকাৰ নেদেখি সিপাৰ
(প্ৰভু) তুমি গুৰিয়াল আজি॥

(এনেতে হঠাতে মাজিউ গোহাঁই আৰু সৰু গোহাঁই তেওঁবিলাকৰ আগত থিয় হয়হি)।

মোহনমালা :—তোমালোক! —বোপাইঁত ক'ৰ পৰা আহিলা? একো পা-খবৰ নোহোৱাকৈ!

মাজিউ গোহাঁই :—ৰংপুৰৰ ফালৰ পৰা। কালি অকস্মাতে বাটতে খবৰ পালো,— ৰণ এখন লাগিছে!

ৰূপহী :—কি, ৰণ! কাৰ লগত?

মোহনমালা :—এই খননো ৰণ কাৰ লগত?

মাজিউ গোহাঁই :—উজনিৰ মৰাণৰ লগত। সেনাপতি ৰুকনক হেনো ৰণলৈ পঠাইছে। বোধকৰোঁ, ৰণখন অলপ বাকবেই।

মোহনমালা :—মৰাণ হাতীযোগনীয়া, খৰি যোগনীয়া মৰাণ! সিহঁতৰ লগতেই ইমান ডাঙৰ ৰণ নে?

মাজিউ গোহাঁই :—ৰণৰ বাতৰি শুনিয়েই গা-টোত উলাহ লাগিছে! আমাৰ এতিয়া—কৰ্ত্তব্য কি হ'ব! —এই সোণালী সুযোগ আমি এৰিম নে ধৰিম! —এই বাবেই লৰালৰিকৈ আহিছো!

ৰূপহী :—গোহাঁইদেউ, আমি এৰিম কিয় ? কিবা এটা ধৰিমেই !

মোহনমালা :—ভালকৈয়ে ভাবি চাব লাগিব। বাৰু ৰৰ ভাগৱত আছিছা, থাইবৈও কথা পাতিম। —আই অ' ৰূপহি ! ব'ল গোহাঁইদেউইঁতক খাবলৈ দেগৈ !

(সকলোটিয়েই ভিতৰলৈ সোমাই যায়।)

চতুৰ্থ পট।

ভিবক নৈব দাঁতি

মবাণব কোঠ।

সময়—গধূলি।

(ৰাধা আৰু ৰুক্মিণী সোমায় আছে।)

ৰাধা :—ভনীটি, বণখন যে লাগিল, এইটো ঠিকেই।

ৰুক্মিণী :—বণৰ কথা শুনি মোৰ বৰ ভাল লাগিছে। এইখন দেশত আমাৰ দেৱতাক নেমানে কোনে? —যি দেৱতাক মানুহে থিয় হৈ কথা ক'ব নোৱাৰে, যাৰ আগেদি মানুহে বৰজাপি লৈ হাতীত উঠি যাব নোৱাৰে, যাৰ এটা কথাত, মবাণ ডেকা মাত্ৰয়ে আঠু লয়, তেওঁক যদি ববৰুৱা কীৰ্ত্তিচন্দ্ৰই এনে অপমান কৰিবলৈ হয়, এই দেশত আমাৰ আৰু কি সন্মান থাকিব?—ভালেই হৈছে, এতিয়াৰ পৰা আৰু মবাণৰ লগত আহোমৰ সম্বন্ধ নেথাকে।

ৰাধা :—সেইটো বুজিছো, এতিয়া আমি কৰিম কি?

(এনেতে নাহৰ সোমাই আহে)

নাহৰ :—সম্প্ৰতি, তোমালোক কোঠতে থাকিবা। তিৰোতাবিলাকে কোঠত থকা সকলো মবাণকে খোৱা-লোৱাৰ সুবিধা কৰি দিবা। পাচত, আৱশ্যক হ'লে, তোমালোকো বণলৈ ওলাবা। এতিয়া নহয়। এতিয়া পুৰুষবিলাকহে যাব!

ৰুক্মিণী :—সেইটো হবই নোৱাৰে, পুৰুষৰ লগতে, আমিও বণলৈ ওলাম।

নাহৰ :—তোমালোকে বুজা নাই। ৰণখন ধেমালিৰ বস্তু নহয় আৰু তাতে,—এখন ৰণতে ৰণখন শেষ নহয়। সৰু-বৰ বহুত ৰণ লাগিব। সেইদৰে ভাগে ভাগে দল গঠন হব লাগিব। অৱশ্যে তিৰোতাৰ দল এটাও থাকিব। সেই দলৰ গুৰিয়াল হবা তোমালোক।

(এনেতে কেইটামান মৰাণ ডেকাৰ সৈতে ৰাঘৱ সোমাই আহে)

(ৰাঘৱলৈ) ডেকাদেও, শুনিছা নহয় ৰংপুৰৰ কটকীৰ সংবাদ। ভিতৰুৱাল ফুকনে মূলে দোৱালে, ৰাজুৱা কোৱৰ চেকেৰা-তলীয়া হিলৈদাৰী আদি আঠ দহ হেজাৰ সৈন্যৰে, আমাৰ বিপক্ষে আগ বাঢ়ি আহিছে। এই বৃহৎ বাহিনীৰ বিপক্ষে থিয় হ'বলৈ আমাৰ আয়োজনো বৃহৎ হ'ব লাগে।

ৰাঘৱ :—দেৱতা, আহক বৃহৎ বাহিনী। ভাবিবলৈ একো নাই। হয়, আমি এই ৰণত জাহ যাম, নতু আহোম সৈন্যক কাটি ছাৰ্-খাৰ্ কৰিম।

ৰুক্মিণী :—ডেকাদেও, ময়ো তাকে কওঁ। ৰণলৈ আগ বাঢ়িলো যেতিয়া, বৃহৎ বাহিনীৰ নামত এতিয়া পাছ হুহকিম কিয়!

নাহৰ :—ডেকাইত, ৰণত জাহ যোৱাটোৱেই আজি আমাৰ উদ্দেশ্য নহয়। আমাৰ উদ্দেশ্য আজি অতি গুঢ়!—এখন প্ৰতাপী ৰাজসিংহাসনৰ বিপক্ষে থিয় দিবলৈ হ'লে সুন্দৰ কৌশলেৰে প্ৰস্তুত হ'ব লাগিব।—এতিয়াই, চোৰাং কটকী কিছুমান উত্তৰপাৰ আৰু দক্ষিণ পাৰে পঠিয়াব লাগে।—কটকীক তালৈকৈ বুজাই আদেশ দিবা - সিহঁতে, প্ৰতিখন গাওঁৰ প্ৰতিটো মানুহক বুজাই কৰগৈ,—আমি মৰাণে ৰাজদ্ৰোহ আচৰি ৰণলৈ ওলোৱা নাই! আমি ওলাইছো, ৰবৰকৰা

কীৰ্ত্তিচন্দ্ৰৰ স্বেচ্ছাচাৰিতাৰ বিপক্ষে। দেশত আমি নতুন নীতি প্ৰবৰ্ত্তন কৰিম। প্ৰজাবিলাক বিষয়াসকলৰ হাতৰ পুতলা নহয়। ৰাজ চ'ৰাত প্ৰজাৰো মূল্য থাকিব লাগিব। এই নীতিৰ নিমিত্তেই আজি আমাৰ এই আয়োজন। সকলো মানুহে বুজক, আমি সকলো প্ৰজাৰ মঙ্গলৰ অৰ্থেহে থিয় দিছো। যোৱা, এতিয়াই কটকীবিলাকক পঠাই দিয়া!

ৰাঘৱ :—দেৱতাৰ আদেশ শিৰোধাৰ্য্য।

(এই বুলি ডেকা কেইটাৰ সৈতে ৰাঘৱ ওলায় যায়।)

নাহৰ :— (ৰাধা-ৰুক্মিণীলৈ) তোমালোকেও তিৰোতাৰ দলটোক প্ৰতি মুহূৰ্ত্ততে ৰণলৈ যাবলৈ সাজু ৰাখিবা। --মইয়ো ডেকাবিলাকক সাজু ৰাখোগৈ। (ওলাই যায়)

ৰাধা :—ভনীটি, দেৱতাৰ আদেশ শুনিলা! ৰণলৈ বুলিলেই সকলোৱেই এক আদেশত চলিব লাগিব। দুটা আদেশ হলেই সকলো আয়োজন ততালিকে নষ্ট হৈ যাব। এতিয়া, বলা গাভৰু দলটোৰ ওচৰলৈ যাওঁ।

(ৰাধা-ৰুক্মিণী সোমাই যায়।

পঞ্চম পট।

ৰংপুৰ—ৰাজকাৰেং।

গাভৰু-টোল।

সময়—তিনিপৰীয়া।

(এখন ডুবাৰেদি চুচুক-চামাক কৈ, বিহুধৰ সোমাই আহে)।

বিহুধৰ :—পিতা হ'ল বৰভৰালৰ ভৰালী, মই হলো স্বৰ্গদেউৰ গা-চোৱা লিগিৰা। —আমাতকৈ আজি ধনী-মানি কোন আছে? চ'ৰাৰ বিষয়াসকলেও আমাক খাটিৰ কৰিহে চলে। —এটা কথা, কাৰেঙত শুনিবলৈ পাওঁ,—লিগিৰাৰ পৰাই মোমাই তামুলি এদিন অসম দেশৰ বৰবৰুৱা হৈছিল। হাচটী-ধৰা, তোলনীয়া ল'ৰা পাচিতেই এদিন গুৱাহাটী চহৰত বৰফুকন হৈছিল। —এইবিলাক কথা মোৰ মনলৈ আহে! এইবিলাক বাক কি কথা! সক হৈ ডাঙৰ হব নোৱাৰি জানো! ডাঙৰ হব পাৰিলেনো কোনে সদায় সৰু হৈ থাকিব খোজে! কেতিয়াবা ভাবো,— এইবোৰ কথা আমাক নেলাগে, ৰঙ-ধেমালীৰে দিন নিয়াব পাৰিলেই হ'ল। নহয়, মনৰ পৰা নেযায়েই। পাটীখনত দীঘল দিলেই বৰবৰুৱা-বৰফুকনৰ কথা মনলৈ আহে।

পখিলী :—(হাতত সোতা লৈ সোমাই আহে)। —উ আই এওঁ দেখোন ইয়াতেই অকলে অকলে আছেহি। মই বোলো এওঁ স্বৰ্গদেওৰ লগত হে আছে। (বিহুধৰলৈ) বোলো,

হেৰা, শুনিছা নে. স্বৰ্গদেও ভিতৰলৈ আহিছে। তোমাক পিচাৰিব পায়, নোযোৱা নে? —উ-আই, আজি-কালি কাণেৰে কম শুনে নে কি? —বোলো শুনিছা নে?

বিহুধৰ :—(অলপ টানকৈ) কি! শুনিছা, শুনিছা কি হ'ল! ভাল মানুহক এইদৰে মাতেহি নে' কি?

পখিলী :—আও, কি নো বুলিম। শিকাই দিয়া আকৌ কি বুলি সম্বন্ধ ধৰিম!

বিহুধৰ :—হেৰ', পেণ্ডলাই নকবিবি। তোক—! থাক থাক, এতিয়া, —সময় আছে। (অৰ্থপূৰ্ণ চকুৰে পখিলীলৈ চায়।)

পখিলী :—এওঁ কেনেকৈ চাইছে। খাবই যেন! ইছ্ মই—জানিবা তিয়ঁহৰ জালিহে।

বিহুধৰ :—(অলপ আগবাঢ়ি) —বুজিছু, পখিলি, তোৰ মনটোহে জুখি চালো; তইনো মোক কি কৱ! পাছে, শুনচোন, তোক লগ পাম বুলি ইয়াত বৈ আছোহি।

পখিলী :—এঃ, নকৈছো, এওঁ আক সদাই মোকেহে চিন্তা কৰি থাকে।

বিহুধৰ :—কৈছু হে! এতিয়া কুকুৰা কাটি শপথ কৰিব লাগিব নে কি? শুনচোন বাক, শুন, —আজি বুইছু!

পখিলী :—হেৰা, তোমাকে মাতিছো, এতিয়া, —কথা-ছথা থুলিয়াবা —আইচু দেউতা, এতিয়া ইয়ালৈকে আহিছে। দেখিবলৈ হলে আক সুদাই নেৰেহি।

বিহুধৰ :—আহিছেই নে? কি আপদ! কথা এষাৰ পাতিবলৈও সময় নাই!

পখিলী :—সৌৱা আহিছেই, তুমি এতিয়া যোৱা, বুইছা—!

বিহুধৰ :—হয় নে? ছেঃ, কিবা এটা কওঁ বুলিছিলো, থাকিল আক—! (ইকালে-সিকালে চাই চাই বিহুধৰ ওলাই যায়)।

পখিলী :— (চাই সাৰে, আৰু বহিবলৈ মাজতে আসন পাতে)। বোলো, ভৱানী ল'ৰাৰ ' এইখন মুখ-চুপতি নে, কি? সদাই আছলত ধৰি ফুৰে, অথচ বিয়া কৰিম বুলি নকয়! মই জানো ক'ম! মাকৰ জীয়েক হও যদি ময়ো সতকাই আসৈ নিদিওঁ নহয়। (বাহিৰলৈ চাই) অ' আইচু দেউতা আহিছেই। আহক বাৰু, মোৰো কাম হল।

(এনেতে মণিপুৰীয়া নাচনী এদলৰে কুৰঙ্গনয়নী সোমাই আহে।)

(কেউফালে নাচনীবিলাকে বাজনাবিলাকত টুং-টাং কৰে, মাজতে কুৰঙ্গনয়নী বহে।)

কুৰঙ্গনয়নী :—গানটোৰ আকৌ আখৰা দিয়াচোন। যদি ভাল শুনো গধূলিকৈ স্বৰ্গদেউক গানটো শুনিবলৈ নিমন্ত্ৰণ কৰিম।

গীত।

নাচনীবিলাক :—

চতুৰ কলিয়া আমাক বলিয়া
নকৰিবা নকৰিবা।
সন্ধিয়া পৰত কদম তলত
ফুলুকাবা ফুলুকাবা॥
বাহীটি বজাবা সা-ৰে-গা-মা,
বিজুলিত চমকত দিয়া দেখা,
জুৰাম তৃষিত নয়ন আমাৰ
(প্ৰিয়) ফুলুকাবা ফুলুকাবা॥
শুনো জুৰে জুৰে মলয়াৰ বেণু,
সেইয়ে জানো তোমাৰ নুপুৰৰ জুনু—,

ছাঁয়াতে লুকুৱা যোহৰ কৰিয়া
আৰু প্ৰিয় নগলাৱা॥

(এনেতে বিহুধৰ সোমাই আহে।)

বিহুধৰ :—আইচু-দেউতা, উজনিৰ মৰাণৰ বিদ্ৰোহ আলোচনা কৰিবলৈ, আজি গধূলিকৈ কাৰেঙত স্বৰ্গদেৱে মেল কৰিব। স্বৰ্গদেও আজি গাভকটোলৈ নাহে। স্বৰ্গদেওৰ আদেশত তাকে জনালোহি।

কুৰঙ্গনয়নী :—মৰাণৰ বিদ্ৰোহ ইমান ডাঙৰ হ'ল নে? স্বৰ্গদেও, এতিয়া ক'ত আছে!

বিহুধৰ :—স্বৰ্গদেও, এতিয়া তামুলী চ'ৰাতে আছে।

কুৰঙ্গনয়নী :—নাচনীহঁত, তোমালোক এতিয়া যোৱা,—মই তামুলীচৰালৈকে যাও—! (এই বুলি কুৰঙ্গনয়নী আৰু নাচনীবিলাক ওলাই যায়।)

(পখিলীয়ে আসন আদি নিবলৈ গোটায়।)

বিহুধৰ :—পাছে, কামত হে ধৰিলি, এইফালে মন কৰচোন!

পখিলী :—(কাম কৰি কৰি) কিবোৰ কৈ থাকা হে। মই আগেয়ে নকৈছো, বোলো.—' নাইহে নেখাও, লঘোণেও নেখাও, পইতাকো নোগোলো ভাত।"

বিহুধৰ :—হে'ৰ, 'কাটিলে কাটিবি, বেপিছ কিয়?' তোৰ মনৰ কথাবাৰ ভাঙিয়ে কচোন!

পখিলী :—যোৱা, যোৱা "বটুৱা মানুহৰ চতুৰা কথা" আমাক নেলাগে।

বিহুধৰ :—হে'ৰ, পখিলী, "তামোলটো হোৱা হলে, ফালি দেখুৱালো-হেঁতেন," তই এতিয়া কি বুজিবি! —ৰাতি চকুকেইটা মুদিলেই তোক সমাজিকত দেখো। শুনচোন,—

(পখিলীৰ আচুলত ধৰে)

(পখিলীয়ে থিয় হৈ বিহুধৰৰ মুখলৈ চায়।)

পখিলী :—বাক আজিলৈ থাওক। আন এদিন কবা বাক! কাম আছে যাও—।

(বুলি পখিলীয়ে আজন কেইখন লৈ ওলাই যায়)

বিহুধব :—এ গলেই। ইমান পিছল! মই পুরুষটো হৈ ইমান অকামিলা,—"এবুকু পানীত থাকি পিয়াহতে মৰিছো।" বাক চাওচোন 'ক'ব পানী কলৈ যায়।'

(লাহে লাহে ওলাই যায়।)

ষষ্ঠ পট।

ভিবক নৈব দাঁতি।

আহোম সৈন্যব কোঠ।

সময়—বেলি পৰোঁ পৰোঁ।

(কোঠব এফালে ওখ গড় দেখা হয়। গড়ব ওপৰত কেইটামান ৰবহিলৈ দেখা যায় আৰু কেইটামান চোবাংচোৰাই প্ৰহৰা দিয়ে।)

(এনেতে হৰনাথ ভিতৰুৱাল ফুকন গড়ৰ ওপৰলৈ উঠি আহে আৰু গড়ৰ মুখখন পৰীক্ষা কৰে)।

হৰনাথ :—সৈন্যসকল, তোমালোকে মৰাণৰ গতিবিধি ভালকৈ লক্ষ্য কৰি থাকিবা। সিহঁতে আজি তিনদিন আমাক আক্ৰমণ কৰি ব্যৰ্থ হৈছে। —সামান্যৰূপেও সিহঁত অহাৰ কিবা গম পালেই টিং-থাং বজাই দিবা, ততালিকে আমাৰ সৈন্যই যাতে বাধা দিব পাৰে। তোমালোক সাৱধানে থাকিবা। মনত ৰাখিবা, কৰ্ত্তব্যত সামান্যৰূপে অৱহেলা হলেও, চাওদাঙৰ হাতত তোমালোকৰ মূৰ যাব।

(এই বুলি হৰনাথ সোমাই যায়)।

(চোবাংচোৰা সৈন্যই কেউফালে প্ৰহৰা দি থাকে। বেলি পৰাৰ লগে লগেই আন্ধাৰ হৈ আহে আৰু সন্ধ্যাৰ লগে লগেই বিজুলি, বতাহ, ঢেৰেকনি হয়)।

(এনেতে অলপ দূৰৈত দুটা মৰাণে গছৰ আঁৰৰ পৰা আহোম সৈন্যৰ গড় লক্ষ্য কৰা, বিজুলিৰ পোহৰত দেখা যায়।)

১ম মৰাণ :—দেৱতাৰ আদেশ, গড়টোৰ সংবাদ ততালিকে দিব লাগে।
—সৌৱা দেখিছা—! (আহোম সৈন্যলৈ আঙুলিয়ায়)।

২য় মৰাণ :—ইহঁত কম নহয় পাই! চাচোন ইমান বিজুলি-ঢেৰেকনিতো গড়ৰ ওপৰত উঠি প্ৰহৰা দি আছে।

১ম মৰাণ :—তাকেই কওঁগে ব'ল। পলম হব লাগিলে পৈতৃক প্ৰাণ কেইটা থাকিব জানো?
(মৰাণ দুটাই হাবিৰ আৰে ২ গুছি যায়)।

(অলপ পাছতে, বিজুলি-ঢেৰেকনিৰ লগতেই অসংখ্য মৰাণ সৈন্যৰে ৰাঘৱ আহি, ভমক কৰে গড়ৰ মুখত ওলায়হি।)

ৰাঘৱ :—সৈন্যসকল, ততালিকে গড় আক্ৰমণ কৰা।

(গড়ৰ ওপৰলৈ কিছুমান মৰাণ সৈন্য উঠি আহোম সৈন্যক আক্ৰমণ কৰে। এনেতে টিং-থাং বাজে আৰু গড়ৰ ভিতৰৰ পৰা ধুম ধামকৈ হিলৈৰ শব্দ হবলৈ ধৰে। কিছুমান মৰাণ সৈন্য গুলি লাগি গড়ৰ পৰা বাগৰি পৰে, বাকী বিলাক পলায়।)

সপ্তম পট।

নামৰূপৰ হাবিতলীয়া গাওঁ।

মোহনমালা কোঁৱৰৰ চ'ৰাঘৰ।

সময়—পুৱা বেলা।

(ৰূপহী, মাজিউ গোহাঁই আৰু সৰু গোহাঁই সোমাই আছে।)

মাজিউ গোহাঁই:—আইদেউ, কথাটো একেবাৰে সঁচা! কীৰ্ত্তিচন্দ্ৰৰ অসহনীয় মইমতালিত দেশৰ প্ৰজাবৃন্দ আজি উত্তেজিত। উজনি নামনি, উত্তৰ পাৰ দক্ষিণ পাৰ যেনিয়ে যাও তেনিয়েই শুনিবলৈ পাও, ৰজা লক্ষ্মীসিংহ আজি কীৰ্ত্তিচন্দ্ৰৰ হাতৰ পুতলা। দেশৰ যাক যি কৰো বুলিছে, অবাধে কৰি যাব পাৰিছে। দেশত আজি মাতমাতোতা কোনো নাই। আনকি চ'ৰাৰ ডাঙৰীয়াসকলো কীৰ্ত্তিচন্দ্ৰৰ কুহক-মন্ত্ৰত আত্ম-বিস্মৃত হৈ মাথোন বহি আছে। দেশৰ অৱস্থা আজি এনে।—মৰাণ জাতিয়ে দল বান্ধিছে। এই দলটোৰ চালক নোহোৱাত, সিহঁতে একো কৰিব পৰা নাই। সিহঁতৰ ডেকা গোসাঁয়ে আহি যেতিয়া আমাক নিমন্ত্ৰণ কৰিছেহি; দেশৰ আৰু জাতিৰ মঙ্গলৰ বাবে, আমি এই আহ্বান ৰক্ষা কৰি সিহঁতৰ লগত যোগ দিয়াই উচিত।

সৰু গোহাঁই:—মই সেই একেষাৰ কথাকে কালিৰে পৰা কৈ আছো। কাকতলৰ মৰাণে ৰাজনীতিৰ কি ভু পাব! সিহঁতে কীৰ্ত্তিচন্দ্ৰৰ অসহনীয় অত্যাচাৰ সহিব নোৱাৰি, কেৱল কীৰ্ত্তিচন্দ্ৰৰ বিপক্ষেহে থিয় দিছে। আমি সিহঁতৰ লগত যোগ হলে, দেশৰ প্ৰজাবিলাকেও আমাক সহায় কৰিবহি।

সিংহাসনৰ একো লৰ-চৰ নহয়। সেই ইন্দ্ৰবংশী আহোম সন্তানৰ হাততেই সিংহাসন থাকিব। কেৱল, সামান্য মানুহ উচ্চপদধাৰী কীৰ্ত্তিচন্দ্ৰক ধ্বংস কৰি লোৱা হ'ব। এনেস্থলত ভাবিবলৈ আৰু কি আছে— ?

ৰূপহী :—গোহাঁইদেউসকল, কালি যদিও দেউতাই, কি—কৰো, কি নকৰো, বুলি চিন্তা কৰিছিল, ৰাতি কিন্তু অকলে অকলে বহুত কথা ভাবি ঠিক কৰিছে, আপোনালোকৰ বাবেই দেউতাই মৰাণৰ লগত যোগ দিব।

মাজিউ গোহাঁই :—সেঁচা নে আইদেও, ঈশ্বৰ-ঈশ্বৰী তেন্তে আমাৰ প্ৰতি সুপ্ৰসন্ন।

ৰূপহী :—দেউতা এতিয়া স্নানৰ পৰা আহিব। ডেকা গোসায়ো আহিব। দুয়ো ইয়াতে এতিয়া মেল কৰিবহি। আপোনালোক এতিয়া আহক, মেললৈ সাজু হওক হি।

মাজিউ গোহাঁই :—অতি সুন্দৰ কথা!

(এখন দুৱাৰেদি ৰূপহী আৰু গোহাঁইদেও দুজন সোমাই যায়)

(আন এখন দুৱাৰেদি মোহনমালা লাহে ২ সোমাই আহে।)

মোহনমালা :—কাহানিবাই যে দেশৰ প্ৰজাবৃন্দই উত্তেজিত হৈ বিদ্ৰোহ কৰা নাছিল, এইটোৱেই এক আচৰিত কথা। কীৰ্ত্তিচন্দ্ৰৰ অত্যাচাৰিত, দেশত আজি প্ৰজা সমূহ উত্তেজিত। মৰাণ জাতিয়ে মাথোন বিদ্ৰোহৰ ধ্বজাহে ধৰিছে; এই ফিৰিঙটিয়েই খাণ্ডৱ দাহনত পৰিণত হ'বগৈ। উস্ ইমান সুন্দৰ চেহেৰাৰ অতবিলাক ৰাজ-কোঁৱৰক অৰাবতে নামৰূপৰ হাবিত নিৰ্ব্বাসিত কৰিছে। কীৰ্ত্তিচন্দ্ৰৰ কু-কাৰ্য্যৰ ফলত, প্ৰজাই আজি, পবিত্ৰ ৰাজবংশক সন্দেহৰ চকুৰে চাইছে।

(এনেতে ডেকা গোসাই এজন লগুৱাৰ সৈতে সোমাই আহে।)
—আহক, আহক, গোসাইদেও, মই ঠিৰাং কৰিলো, কোৱৰ সকলৰ সৈতে, মৰাণৰ এই অভিযানত যোগ দিমগৈ। কিন্তু, আমাৰ কথা থাকিল, প্ৰজাবৃন্দই আমাৰ কোৱৰ সকলৰ ভিতৰত যাকে সিংহাসনত বহুৱাব খোজে, তাতে মৰাণ জাতিয়েও হয় দিব লাগিব। অৱশ্যে, সিংহাসনৰ পৰা আমি সকলো প্ৰজাবৃন্দক ন্যায় চকুৰে চাম বুলি প্ৰতিশ্ৰুতি দিম। সকলো প্ৰজাৰ জন্মস্বত্ব সমানে স্বীকাৰ কৰা হ'ব। মৰাণ জাতিকো পূৰণি গৌৰৱেৰে থাকিবলৈ সকলো সুবিধা দিয়া হ'ব।

ডেকা-গোসাই :—কোৱঁৰ, মৰাণ জাতিয়ে আজি বিদ্ৰোহ কৰিছে, কেৱল কীৰ্ত্তিচন্দ্ৰৰ অত্যাচাৰ সহিব নোৱাৰি। আহোম ৰাজবংশলৈ মৰাণ জাতিৰ ভক্তি অটুট আছে। মৰাণৰ প্ৰতিজ্ঞা, কীৰ্ত্তিচন্দ্ৰক ধ্বংস কৰি, লক্ষ্মীসিংহক সিংহাসনৰ পৰা নমুৱাই, যোগ্য কোৱৰ একনক সিংহাসনত বহুৱাবলৈ। মৰাণ জাতিৰ বিবেচনাত, সকলো বিষ্যাতে পাৰ্গত, আপুনিয়েই সিংহাসনলৈ যোগ্য।

মোহনমালা :—আপুনি গোসাই, এখন ধৰ্ম্ম-গাদীৰ গৰাকী। আপোনাক আমি বিশ্বাস কৰিছো। —এতিয়া, আহক ভিতৰত গৈ, কোৱৰ সকলৰ লগত আলোচনা কৰোগৈ।
(এই বুলি ডেকা গোসাইক লৈ, সোমাই যায়।)

অষ্টম পট।

নামৰূপ—নামচাঙ পৰ্ব্বতৰ দাঁতি।

সময়—আবেলি।

(পৰ্ব্বতীয়া জুৰি এটাৰ শিল এটাৰ ওপৰত চাও গোহাঁয়ে ভেজাদি কিবা ভাবি থাকে।

(দূৰণিৰ পথাৰত নাগিনীয়ে বীণৰ সুৰত গীত গায়)।

গীত।

মেঘতে জিলিকে বিজুলি চতকে
শূইনত জিলিকে তৰা;
পৃথিবীত জিলিকে আমাৰে মইনা
তাতোকৈ এফেৰি চৰা।

চাও গোহাঁই :—(যাঠিদালত ধৰি থিয় হৈ ইফালে সিফালে চায়)।
—আইদেৱে ভাবিছে, মই নগা ডেকা। মই বৰা-পহু মাৰি আনু, কচু খান্দি খাওঁ। —তাৰ বাহিৰে মোৰ যেন একো চিন্তাই নাই! —ভৈয়ামৰ পৰা ঘুৰি অহা নগা দুটাই কৈ গ'ল, ভৈয়ামত ধেৰাই লাগিছে। আইদেৱে মোক ততালিকে মাতি পঠাইছে। আৰু কৈছে, সোঁৱৰাই দিবলৈ আইদেওৰ কথা। কিজানি বা বৰা-পহু মাৰি ফুৰোতে, আইদেওৰ কথালৈ পাহৰিলোৱেই! —দেহি, আইদেৱে নেজানে, মই যে এজন আশৈশৱ নিৰ্ব্বাসিত এঘৰ বিখ্যাত বৰ গোহাঁই ফৈদৰেই সন্তান। মই আজি নগা। নগা হৈও সুখ আছে, যদি মই জন্মভূমিৰ বাবে

মাতিব পাৰোঁ, জন্মভূমিৰ বাবে নাচিব পাৰোঁ আৰু জন্মভূমিৰ বাবে মৰিব পাৰোঁ।

(লাহে ২ নাগিনীৰ গীতৰ সুৰ ওচৰ চাপি আহে।

গীত।

মিকিৰ বৰ চাঙত বজায় বৰকাঁহী
ভৈয়ামত বজালে ঢোল;
চেঙেলীয়া মনক বান্ধিব নোৱাৰোঁ
চিঙে মৰাপাতৰ ডোল।

—(গীতলৈ কাণ দি) এই নাগিনী ছোৱালীবিলাকে কিয় মোক এইদৰে বিচাৰি ফুৰে! সিহঁতেতো জানে প্ৰকৃততে মই নগা নহও।—অলপ আতৰি আহিলেই সিহঁতে মোৰ পাছ ধৰে।—সেয়া দিনৰ দিনটো পথাৰত কাম কৰি, সিহঁতে এতিয়া চাঙলৈ নগৈ, মোকেই বিচাৰি এই ফালে আহিছে—। অলপ আতৰি থাকো। সিহঁতে লগ পালে আকৌ মোৰ কথাবোৰ খেলি-মেলি হ'ব।

(এই বুলি ইফালে-সিফালে চায়)

(আকৌ নাগিনীৰ গীত শুনা যায়।

গীত।

ৰিঙেকৈ পহুৰে শিঙে ঐ মইনা
ৰিঙেকৈ পহুৰে শিঙ;
চতাই পৰ্ব্বতৰ নাহৰ ফুল আনিছো
মোৰ ধনৰ হাতত্তে দিম।

(লাহে ২ গীতৰ সুৰ আতৰি যায়।)

বে'ছ, মোক দেখা নেপালে, সিটো বাটে আতৰি গ'ল

মোকেই বিচাৰি গৈছে। যাওক; ভাল হৈছে! —আইদেউৰ চকুযুৰিত কিবা আকৰ্ষণী আছে; এবাৰ দেখা, এবাৰ তেওঁৰ চকুযুৰি মোৰ চকুত পৰিছিল। মই কৈছিলো আইদেউক মই চিনি পাওঁ বুলি। মাতিলেই যাম। —আজি! কথা দি আহিছো, যামেই। নগলে আইদেৱে কব, নগাই কথাৰ মূল্য নুবুজে! নগাডেকাৰ সাজত নগা জাতিক অপমান কৰা হব! —ও-হো, হ'ব নোৱাৰে, যামেই—

(এই বুলি ভৈয়ামৰ ফালে, নগা খোজত বেগেৰে নামি আহে।)

নৱম পট।

ভিবক নৈৰ দাঁতিত—

আহোম সৈন্যৰ কোঠ।

সময়—তিনিপৰীয়া।

(আহোম সৈন্যৰ কোঠৰ গড় এফালে দেখা যায়। হিলৈবিলাক পাতি থোৱা থাকে। কোঠৰ বাহিৰে ভিতৰে বৰা-শইকীয়া বিষয়াবিলাক বৰ ব্যস্তভাৱে ঘূৰে। হিলৈ ফেৰ কৰা শব্দ হয়। কাড়ী সৈন্যই কাড় মাৰে। বিপক্ষদলৰ পৰাও কাড়বিলাক আহোমৰ কোঠত পৰেহি)।

(এনেতে দূৰণিত গায়ন-বায়ন আৰু গীতৰ শব্দ শুনা হয়। লাহে ২ সেই শব্দ কোঠৰ ফালে ওচৰ চাপি আহে।)

দূৰণীত গোৱা গীত।

অসমৰ দেশত ঐ অসমৰে ৰজা

চুকাফাৰ নাতিৰ ঐ নাতি।

নামৰূপ হাবিত ঐ মেলি থৈছিলে

দেৱতাই আনিছে মাতি॥

কিনো ঐ সুকোমল মোহনমালা কোৱঁৰ

তুংখুঙীয়াৰ ঘৰৰ।

এবেলা দোলাত ঐ এবেলা হাতীত

ৰণথন সামৰ সামৰ॥

(গীতৰ শব্দ আৰু ওচৰ চাপে, সৈন্যবিলাক মাজে ২ চমকি উঠে।)

(হঠাৎ আনফালৰ পৰা হৰনাথ সেনাপতি ফুকন সোমাই আহি অস্ত্র নেমাৰিবলৈ সঙ্কেত দি কয়)।

হৰনাথ :—সৈন্যসকল, ক্ষন্তেকলৈ ৰণ ক্ষান্ত দিয়া! সৌৱা গায়নে-বায়নে, হাতীৰে মৰাণবিলাক আমাৰ কোঠলৈ আহিছে। সিহঁতে ৰণত তিষ্ঠিব নোৱাৰি, আমাক বৰিবলৈ আহিছে; নহ'লে— ।

(সৈন্যবিলাকে অস্ত্র সামৰে, আনফালৰ পৰা গায়ন-বায়ন সোমাই আহে, হৰনাথে বাহিৰৰ ফালে একেথিৰে চাই থাকে।)

—হাতীৰ ওপৰত কোন! হাতীৰ ওপৰত বয়-বস্তু লৈ মৰাণে আমাক বৰিবলৈকে আহিছে নে? কোন হাতীৰ ওপৰত— ?

("জয় মৰাণৰ জয়, জয় মোহনমালা কোৱঁৰৰ জয়।" বুলি জয়ধ্বনি দি অসংখ্য মৰাণ সোমাই আহে; —হৰনাথে সৈন্যবিলাকক অস্ত্র ধৰিবলৈ ইঙ্গিত দি, নিজৰ তৰোৱালৰ ফাকত হাত দিওঁতেই মোহনমালা কোৱঁৰে হাতীৰ ওপৰৰ পৰা জাপ মাৰি, হৰনাথৰ হাতত ধৰি হাঁহিবলৈ ধৰে। —আহোম সৈন্য চমক খাই উঠে।)

মোহনমালা :—ফুকন, তই দুৰ্বাৰ ঘৰৰ। এদিনীয়া নহয়, তোৰ সপ্তম পুৰুষে আমাক সেৱা কৰি গৈছে, মিত্র সম্বন্ধো আছে। বৰুতীয়াল বৰ বৰুৱাৰ কূট মন্ত্রণাত আমি নামৰূপলৈ খেদা খালোঁ। সম্প্রতি মইহে ৰজা। বৰুতীয়ালৰ ঘৰক মাৰিবৰ নিমিত্তে, আলচি ৰণ কৰিছোঁ। ডাঙৰীয়া কেইঘৰো আহোম কেইঘৰো— যাৰ যি বিষয় মৰ্য্যাদা, সেইৰূপেই থাকিব। সামান্য পাইকান মানুহৰো একো নকৰোঁ! কাকো কটা-মৰাও নকৰোঁ— !

হৰনাথ :—(সেৱা কৰি) কোঁৱৰ, হাতীৰ ওপৰত তুমিয়েই আহিছিলা! তোমালোক যেদি খোৱা গোসাঁই, তোমাক কেনেকৈ ৰজা

ন'ম! সম্প্ৰতি স্বৰ্গদেও পাটতে আছে। আমি বজা ন'ব নোৱাৰো। —কোৱৰ, হাতীৰ ওপৰত তুমিয়েহে আছিছিলা! —অ', এতিয়া বুজিলো, মৰাণৰ আজি ইমান সাহ কিয়? তুমি আজি ৰাজদ্ৰোহীয়েই নহয়, তুমি দেশ-দ্ৰোহীও— !

মোহনমালা :—ইয়াৰ উত্তৰ পাচে দিম! সম্প্ৰতি ময়ে বজা। —পাৰ যদি মোৰ গাত অস্ত্ৰ মাৰ! ফুকন, সকলো সৈন্যসামান্তৰে তই মোৰ বন্দী।

(এইবুলি হৰনাথক হাতত ধৰি মোহনমালাই লৈ যায়। সৈন্যবিলাকে তৰধ মানে। সকলো সৈন্য অবাক হৈ পৰে।)

চতুৰ্থ অঙ্ক।

প্ৰথম পট।

ৰংপুৰ—পছগড়ৰ ছাবি।

সময়—আবেলি।

ৰবৈ ডুবলীয়া ফুকন আৰু তেওঁৰ তামুলী :—চিকাৰী সাজত ওলাই আছে।

ডুবলীয়া ফুকন :—বান্ধৱ, তামোলকে এখন দিয়া, আজি মিছাতেই দিনটো গল।

তামুলী :—দেউতা, তামোল বাক দিছোঁ, ধৰক!—মোৰ এতিয়া ছাবিতকৈয়ো ঘৰলৈহে বৰকৈ চিন্তা লাগিছে।

(দুয়ো তামোল খায়)

ডুঃ ফুকন :—কেলেই বা। ওলাই আহোঁতে বান্ধৈয়ে কিবা কৈ পঠাই-ছিল নে কি? ঘিলাৰ ফাকৰ কথা, নহয় নে বান্ধৱ!

তামুলী :—দেউতা গাভৰুদেৱলৈ হে ভয় লাগিছে। ক'ব,—দেউতাই তৰোৱাল চলাব নেজানে বুলি। তেতিয়া দেউতাই সহিলেও মই হে সহিবলৈ টান পাম।

ডুঃ ফুকন :—থোৱা থোৱা, বান্ধৱ, গাভৰুদেৱলৈ ভাবিব নেলাগে। তাৰ ভাল ঔষধ আছে, জোকৰ মুখত চুণ লগাব দৰে, গাভৰুদেৱে সেই দিনেই বৈ যাব। থোৱতে শিকাই দিওঁ, শুনি থোৱা।

তামুলী :—জানো, দেউতাই কি কথাবোৰ কয়! দেউতায়ে দেখোন গাভৰুদেওৰ ঔষধ আৰু অমৃত।

দুঃ ফুকন :—নহয় হে, হাতত চিকাৰ নেদেখি, গাভৰুদেৱে যেতিয়া ক'ব, জেবেঙাত আকৌ তৰোৱাল খেল শিকিবলৈ, তেতিয়া ঠাইতে বান্ধৱে কৈ থ'বা, —মোৰ এই পিন্ধা কাপোৰ মোৰ বওতে, গাভৰুদেওৰ মনটো তাতৰ পাটত নাছিল হ'বলা! —তেতিয়া দেখিবা, তোমাৰ গাভৰুদেও কেনি পলাই ফাট মাৰে! পাছে, তোমাৰ নো বান্ধৱৰ কি ঔষধ! খিলাৰ ফাকেই নে, আৰু কিবা আছে?

তামুলী :—দেউতাৰ ঔষধটো হওতে বাকয়েই। গুণ-ধৰিব। —বাৰু, তাৰ পাচত যেতিয়া গাভৰুদেৱে মোক জোকোৰা মাৰিব, —তেতিয়া মই ক'লৈ পলাম!

দুঃ ফুকন :—লৰমাৰি গৈ, ঠাইতে বান্ধৱৰ বিহাৰ আঁৰত!

তামুলী :—ও-হো, সেইটো হ'ব নোৱাৰিব। তেতিয়া, দেউতাই সোন্দা-কলৰে দোৱা-ভজা চিবা, ফুলাম বান-বাটিত খাব। —মই অকলৈ গৈ ঘৰত দুটা চাউল চোবামগৈ। দেউতাই মোক আৰু তেনেই অজলা পাইছে!

দুঃ ফুকন :—বান্ধৱ, আমাৰ দুইৰো ভিতৰত কোন টেঙৰ হে?

তামুলী :—বণত দেউতা, ভোজ খোৱাত এই অজলা!

দুঃ ফুকন :—কি হে বান্ধৱ, ওলোটাই ক'লা কিয়? পাপ নহ'ব জানো! —বাৰু, খিলা-ফাকৰ কথা কি ক'বা গৈ—!

(এনেতে কেইটামান পহু-খেদা মানুহে লৰি লৰি আহি কয়হি।)

দুটা পৰিয়া মানুহ :—দেউতা, দেউতা, সৌ ডোবাটোতে, কাউৰীয়ে বৰকৈ ৰমলিয়াইছে, তাত বাঘেই কি পহুয়েই কিবা এটা আছে—!

দুঃ ফুকন :—(আগ্ৰহেৰে) কেনি অ', দেখুৱাই দেগৈ ব'ল। —বান্ধৱ, পহু হলে তোমাৰ ভাগৰ আৰু বাঘ হলে মোলৈ এৰি দিবা দেই।

তামুলী :—দেউতাৰ হুকুম হলে, মযে দেখোন দিহা লগাই আনিবগৈ পাৰোঁ।

দুঃ ফুকন :—নহয় হে বান্ধৱ, চিকাৰ নেপাই মনটো বেয়া লাগিছে হে। তাতে আকৌ বাঘক জোকাই ধেমালি কৰিবলৈও ভাল লাগে।—আহাঁ যাওঁ।

(সকলোটি ওলাই যায়)।

(অলপ পাচতে বাঘৰ গোজৰণি শুনা যায়)।

(কেইটামান পৰিয়া ল'ৰি ল'ৰি আহে)।

১ম পৰিয়া :—আও, আও, নক'বি পাই, বাঘৰ আগ-তেল খোৱা ইয়াকে কয়।

২য় পৰিয়া :—ক'ত দেখিছা শুনিছা ঔ, জীয়া বাঘৰ নেজত ধৰিবলৈ যোৱা—!

(এনেতে বাঘৰ বৰকৈ গোজৰণি উঠে।)

(পৰিয়া কেইটাই ভয়ত নিজৰ ২ বুকুত হাত দি দি চায়।)

১ম পৰিয়া :—হেৰ' চাচোন, বুকুখনে কেনেকৈ ধান বনাদি বানিছে।

২য় পৰিয়া :—মোবো, মোবো, গোজৰণিতে ইমান! এইকালে আহিবলৈ হলে, আমাক লফা লোৱাদি লবহি পাই! বোৱাই হে ভাল! ব'ল ব'ল—

(পৰিয়া কেইটাই পাচলৈ চাই চাই থৰক-বৰক কৈ যাবলৈ ধৰে; আনকালৰ পৰা তামুলী বেগা-বেগীকৈ ওলাই আহে।)

তামুলী :—কটাইঁত, কলৈ যাব। ৰবি, নেযাবিইঁত।

(পৰিয়া কেইটা ভয়ে ভয়ে ওলটে।)

—ভয় নাই, বাঘৰ আক গোজৰণি শুশুন। তবোৱালৰ একে ঘাপতেই দিহা লাগিল।

পৰিয়া কেইটা :—(অলপ সাহসেৰে আগ বাঢ়ি) —হয় নে দেও, কেনেকৈ, কেনেকৈ! —ক'তা, আপোনাৰ তৰোৱালত দেখোন তেজ লগা নাই?

তামুলী :—কটাৰ পোইঁত! হেৰ' দেউতা থাকোঁতে, মই আকৌ তৰোৱাল উলিয়াম কেনেকৈ! সৌ ঐ তলৰ বেতনিত ঢেকিয়াপতীয়াটো শুই আছিল। দেউতাই অলপ আগবাঢ়ি বাঘটোলৈ দলি এটা মাৰি দিলে, সি আকৌ গেঙেৰি দি গোজৰণিহে মাৰিলে। পাছপাকত ডাঙৰ চপৰা এটা দেউতাই জোৰেৰে মাৰি পঠালে; বনপতি ঢেকীয়াপতীয়াই এইবাৰ অলপ অপমান বোধ কৰি, হাউম্ কৰি দেউতাৰ গালৈ দিলে জাপ মাৰি; মই বোলো, সৰ্ব্বনাশ!

পৰিয়াইঁত :—দেও, পাছে, পাছে!

তামুলী :—পাছে, আৰু কি হব। চকুৰ পচাৰতে দেউতাৰ তৰোৱাল-খন চিক্‌মিকাই উঠিল: ঢেকীয়াপতীয়া সেইপিনেই দুখণ্ড হল।

পৰিয়াইঁত :—(কিৰিলি মাৰি) হয় নে দেও! কি নো কয়! ফুকন দেউতাই সকতে বাঘ-তেল খাইছিল নে কি?

তামুলী :—বাৰু, এতিয়া আহইঁত। বনপতিক দাংদোলা দিওঁগৈ। আহইঁত।

(পৰীয়াইঁতে কিৰিলি মাৰি তামুলীৰ লগত ওলাই যায়)।

দ্বিতীয় পট।

ৰংপুৰ—নগৰ।

কাৰেং—তামুলী চ'ৰা।

সময়—পুৱা-বেলা।

লক্ষ্মীসিংহ আৰু কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা।

ৰজাৰ ওচৰতে বিহুধৰ লিগিৰা।

লক্ষ্মীসিংহ :—বৰবৰুৱা, গতি বিষম দেখোন! মৰাণৰ লগত মোহনমালাইও যোগ দিলে। ৰণলৈ পঠিবা, আমাৰ ফৌজবিলাকে দেখোন, ৰণক্ষেত্ৰত মৰাণৰ ফলিয়া হে হয়গৈ! সিদিনা দেশৰ ধৰণী স্বৰূপ সেনাপতি ফুকনক পঠিয়াই ভাবিছিলো, এইবাৰ মোৱামৰীয়া মৰাণৰ বিদ্ৰোহ, ফুকনে অন্ত পেলাই আহিব; পাছে—!

কীৰ্ত্তিচন্দ্ৰ :—স্বৰ্গদেও, অতি আচৰিত কথা, সেনাপতি ফুকনকো মৰাণে বন্দী কৰিলে!—মৰাণৰ কি সাধ্য ফুকনক বন্দী কৰে! —স্বৰ্গদেৱে তেতিয়া নুবুজিলে! মই বুজিছিলো!—এই বাবেই বাটঘৰীয়া গোহাঁইবিলাকক তেতিয়াই অন্ত কৰিব খুজিছিলো! এতিয়া আমাৰেই বঙহে মৰাণৰ লগত যোগ হৈ, সেনাপতি ফুকনক ধৰিবলৈ বুধি উলিয়ালে। আৰু আচৰিত কথা,— কাৰ সাহসত যে স্বৰ্গদেও পাটত থাকোতেই, বিষয়াবিলাকে ৰণলৈ গৈ, ৰণ নকৰি মৰাণৰ লগত যোগ দিছেগৈ!

বিহুধৰ :—(আঁঠু লৈ) স্বৰ্গদেৱে কাটক বা মাৰক, শুনিবলৈ পাইছো; নাহৰ মৰাণৰ ঘৈনীয়েক ভুজনীৰ গাত ৰণচণ্ডী লম্ভিছে

বোলে! সিইঁতো ৰণলৈ আহিছে! সেই বাবেহে, আমাৰ মানুহবোৰ জুইত চগা পৰা দি পৰিছেগৈ!

কীৰ্ত্তিচন্দ্ৰ :—বিহুধৰ—!

বিহুধৰ :—দেউতা!

কীৰ্ত্তিচন্দ্ৰ :—স্বৰ্গদেও, আমাৰ মানুহক ভয় খুৱাবলৈ, এইবোৰ মৰাণৰ ফন্দি! মোৰ সম্পূৰ্ণ বিশ্বাস হৈছে, স্বৰ্গদেৱে সিংহাসনত উঠোতে, বিপক্ষাচৰণ কৰা সকলেই, তলে তলে বাট-ঘৰীয়া গোহাঁইসকলৰে যোগ হৈ, মৰাণক সহায় কৰিছে। নহলেনো কাকতলীয়া মৰাণৰ ইমান শক্তি ক'ৰ পৰা হ'ব পাৰে!

লক্ষ্মীসিংহ :—বৰবৰুৱা, এতিয়া ভাবিবলৈ সময় নাই। দেখিছো, শত্ৰুপক্ষ আমাৰ পক্ষতকৈও বলী। গতিকে, গুৱাহাটীৰ বৰফুকনলৈ, ততালিকে খবৰ দি গুৱাহাটীৰ ফৌজবিলাক আনি মৰাণক ধৰিব লাগে। এটা বৰ ডাঙৰ ফৌজ নহলে মৰাণক হতাবলৈ বৰ টান হ'ব।

কীৰ্ত্তিচন্দ্ৰ :—ময়ো তাকেই কওঁ বুলিছিলো! স্বৰ্গদেওৰ আদেশ পালো যেতিয়া এতিয়া গুৱাহাটীলৈ ঘোৰা-চোৰাৰ কটকী পঠিৱা হ'ব!

লক্ষ্মীসিংহ :—বৰবৰুৱা, মোৰ মূৰটো জিন্‌জিনাইছে। মই ভিতৰলৈকে আহো। সিংহাসন আজি আপোনাৰ চিৰ-প্ৰখ্যাত অকাট্য বুদ্ধিৰ ওপৰতহে নিৰ্ভৰ।

(বিহুধৰক লৈ লক্ষ্মীসিংহ ভিতৰলৈ সোমায় যায়)

বিহুধৰ :—(যাওঁতেই নিজে নিজে) দেখিছো নিজৰ মূৰ আছে বুলি বজাৰ গম আছে। (সোমাই যায়)

কীৰ্ত্তিচন্দ্ৰ :—ফিৰিঙটিত খাণ্ডৱদাহ ইয়াকেই কয়। কাকতলৰ কেইটামান মৰাণ, বিৰাট ৰাজবাহিনীৰ বিপক্ষে আজি থিয়। অতি আচৰিত! —নহয়, —আচৰিত হবৰ একো কাৰণ নাই! ৰজা সিংহাসনত উঠোতে, সপক্ষে মাথোন আছিল, আমাৰ ঘৰ মানুহ। প্ৰায় সকলোৰেই বিপক্ষে আছিল। যি দুই-চাৰি ঘৰ মধ্যস্থ আছিল, পৰ্ব্বতীয়া গোসায়ে ৰজাক দীক্ষা দিবলৈ অস্বীকাৰ কৰাত, তেওঁবিলাকেও ৰজাৰ জন্ম সম্পৰ্কে সন্দেহ কৰি, বিপক্ষ দলত যোগ দিলেগৈ। এনেস্থলত, ৰাজবাহিনীয়ে ফৌজে ফৌজে মৰাণৰ লগত যোগ নিদিব কিয়? —তথাপি শুৰি ব’ঠাপাত মোৰ হাতত। নাও বুৰি তলি নোপোৱালৈকে ব’ঠা মাৰিবই লাগিব। (লাহে লাহে যায়গৈ) (ভিতৰৰ পৰা বিহুধৰ ওলাই আহে।)

বিহুধৰ :—মোৰ মাতিবৰ অধিকাৰ নাই। কীৰ্ত্তিচন্দ্ৰই ভাবে! কাৰণ মই লিগিৰা,—কীৰ্ত্তিচন্দ্ৰ, তোমাৰ আয়ুসৰ দিন কেইটা আঙ্গুলিৰ মূৰত গণা।—বাট-ঘৰীয়া গোহাঁই ৰজা হ’লেও মোৰ লাভ মৰাণ ৰজা হলেও মোৰ লাভ।—তামুলীৰ পৰা তামুলী ফুকন! তাৰ পাচত একে জাপেই—! হেঃ হে—! (হাঁহে) —মায়ামৰীয়া গোসায়ে দেউ-ধৰ্ম্ম সাক্ষী কৰি কৈছে; —মোৰ কামত মই কৃতকাৰ্য্য হ’ব পাৰিলে, কথাৰ অন্যথা কেতিয়াও কেতিয়াও নহয়! —মোৰ কাম, যাই কামটো কৰিলোৱেই। থাৰ ঘৰত ডবাপিতা বৰষুণৰ পানী সোমাবলৈ, ঘৰৰ ওপৰত বিন্ধা দি থলো। তাক কোনেও ধৰিব পৰা নাই। পানীত

তিতা খাৰ যে হিলৈৰ মুখত ফেছেক্‌কৰে ওলাই য'তে পৰে ত'তে মুমাই যায়গৈ. তাক কোনেও তত ধৰিব পৰা নাই। মানুহে কৈছে, ৰণচণ্ডী লম্বা নাহৰৰ ঘৈণীয়েক হুজনীয়ে আছলপাতি শুলি ধৰিছে। —স্বৰ্গদেউৰ কাৰেঙৰ ভিতৰত বাক কাৰথন কপাল ফুলিছে! মোৰথন নহয়নে? —পাছে, পথিলীকেই মানুহে গাভৰুদেও বুলিব নে? বুলিব তো—!

(লাহে লাহে ওলাই যায়)

তৃতীয় পট।

দিহিং নৈৰ পাৰ।

মৰাণৰ কোঁঠ।

সময়—বেলি ডাঠি দিছে।

(নাহৰ আৰু ৰাঘৱ সোমাই আছে।)

নাহৰ :—ডেকাদেও, এনে সুন্দৰভাৱে আমি ৰণত জয় কৰিব পাৰিম বুলি সপোনতো ভাবিব পৰা নাছিলো। ধন্য তোমাৰ বুদ্ধি, ধন্য তোমাৰ তৎপৰতা! তোমাক শতবাৰ বখানো।

ৰাঘৱ :—দেৱতা, আমি মাথোন কাম কৰোঁতাহে। দেৱতাৰ নিৰ্দ্দেশ মতেই সকলো কাম সুচাৰুৰূপে হৈ গৈছে। —আহোমৰ ৰাজচ'ৰাত কীৰ্ত্তিচন্দ্ৰৰ অন্যায় অনিয়মৰ বাবেই দেশৰ সকলো প্ৰজাই আমাক সহানুভূতি দেখুৱাইছে। আনকি আহোমৰ ফৌজবিলাকেও আমাৰ লগত হে যোগ দিছেহি। একমাত্ৰ সৈমান নোহোৱা সেনাপতি আছিল,—হৰনাথ ভিতৰুৱাল ফুকন। দেৱতাৰ বুদ্ধিত মোহনমালা কোঁৱৰে সেনাপতি ফুকনকো ধৰি বন্দী কৰিলে। এতিয়া দিহিঙকে সীমা কৰি ডিবৰু চহৰ গোটেইখনেই আমাৰ মৰাণৰ দেশ হল। কেইদিনমান জিৰণি লৈ ৰংপুৰ নগৰখন ল'ব পাৰিলেই আমাৰ সকলো কাম সু-সম্পন্ন হয়—।

নাহৰ :—নহয়, আৰু এটা কাম বাকী আছে। দেও, তুমি জানা নে? আহোম মাত্ৰকে বিশ্বাস কৰিব নোৱাৰি। এই বাটঘৰীয়া গোহাঁইবিলাকক ৰাজ-পাট দিবলৈ হলে, ৰাজ-পাটত উঠি সিহঁতেই আমাক ৰাজদ্ৰোহী বুলি দণ্ড দিব। —এতিয়া

দেশ লৈ যোৱাৰ লগে লগেই বাটঘৰীয়া গোঁহাইহঁতকো, এটি এটি কৈ দিহা লগাই য়াব লাগিব। আমি ৰাজ-পাটত থিতাপি লোলোৱালৈকে, বাহিৰত কিন্তু সকলোকে ক'ব লাগিব, মোহনমালা কোঁৱৰৰ পুতেকটিহে আমাৰ ন-ৰজা। —এই কাৰ্য্য অতি গুপুতত হব লাগিব।

ৰাঘৱ :—দেৱতা, ইও এটা ডাঙৰ কথা নে? এই কাম অতি সুন্দৰৰূপে সময়ত সমাধা হৈ যাব। মই তো আগেয়ে কৈ থৈছো;—এই দেশ আহোমৰ নহয়, মৰাণৰ হে।

(এনেতে এটা কটকীয়ে আহি নয়হি।)

নাহৰ :— কটকি, শীঘ্রে আমাৰ গোসাই প্রভুৰ বাতৰি কোৱা!

কটকী :— দেৱতা, এইখন চিঠি আছে।

নাহৰ :— (চিঠি পঢ়ি অলপ ভাবে।)

কটকি, তুমি জিৰণি ঘৰত অলপ জিৰোৱাগৈ। অলপ পাচতে, আমি ইয়াৰ উত্তৰ দিম।

(কটকী ওলাই যায়)

নাহৰ :— ডেকাদেও, দেৱতাই লিখিছে, ৰংপুৰত এইবাৰ এটা ডাঙৰ ফৌজৰ আয়োজন হৈছে। কীৰ্ত্তিচন্দ্ৰই ঘোৰা চোৱাৰ কটকী পঠিয়াই, গুৱাহাটীৰ বৰফুকনৰ ফৌজবিলাকক ততালিকে মাতিছে।

ৰাঘৱ :— তেন্তে, এইবাৰৰ ৰণ অলপ ডাঙৰকৈয়ে হ'ব!

ৰাধা-ৰুক্মিণী আৰু ৰূপহী সোমাই আহে।)

ৰাধা :— ডেকাদেও, ৰণ জানিবা ডাঙৰ হলেই, সেই বাবে, একো ভাবিবলৈ নাই।—আহক, ডাঙৰ ফৌজ, আমিও অবলাৰ বল কিমান তাক ভালৰূপে পৰিচয় দিবলৈ সুযোগ পাম।

নাহৰ :— পাৰিবা হয়, তোমালোকৰ মুখ দেখিলেই, আহোমৰ সৈন্যবোৰে গুলি মাৰিবলৈ পাহৰি যায়।

ৰুক্মিণী :— দেৱতা, মস্কৰা কৰিব নেলাগে। মৰাণ জাতিৰ মান-মৰ্য্যাদা কীৰ্ত্তিচন্দ্ৰৰ হাতত আমি দি থৈ অহা নাই। তথাপি সেই মান-মৰ্য্যাদা ঘূৰাই আনিবৰ শক্তি যদি কাৰোবাৰ আছে,— আমাৰ তিৰোতাৰ শক্তিয়েহে। নহয়নে আইদেও?

ৰূপহী:— আপোনোলোক সঁচাকৈয়ে বীৰৰ সন্তান। আপোনালোকলৈ মোৰ শ্ৰদ্ধা হৈছে।— কীৰ্ত্তিচন্দ্ৰৰ বাহিনী যিমানেই ডাঙৰ নহওক, আমাৰ কাড়ৰ আগত কেতিয়াও তিষ্ঠিব নোৱাৰিব। মোৰ লগত থকা ফৌজটোত যে নগা-ডেকাটো আছে, তালৈকে মন কৰা নাই নে? —আমাৰ প্ৰত্যেকেই ৰণত সুন্দৰ দক্ষতা দেখুৱাইছে।

নাহৰ :— আইদেও, আমি ভাবি লৈছো, কীৰ্ত্তিচন্দ্ৰক ধ্বংস কৰি, গোহাঁইদেও সকলক নগৰত বহুৱাব পাৰিলেই, মৰাণ জাতিয়ে আৰু নিৰ্য্যাতন সহিব নেলাগে। আকৌ, স্বৰ্গদেও চুকাফাৰ দিনৰ দৰেই, আহোম আৰু মৰাণৰ অভিন হিয়াৰ বন্ধুভাৱ হ'ব।

ৰাধা :— ডেকাদেও, ৰংপুৰ নগৰ নোলোৱালৈকে, তোমালোকৰ খাৱন-শোৱন নাই, জানি থ'বাইত! আমি আহিলো!

(ৰাধা-ৰুক্মিণী আৰু ৰূপহী ওলাই যায়)

নাহৰ :— ডেকাদেও, এইবাৰৰ ফৌজ শকত হ'ব যেতিয়া, আমাৰ ৰণৰ আয়োজনো বেলেগ ধৰণৰ হব লাগিব। ব'লা, এই বিষয়ে পৰামৰ্শ কৰোগৈ।

(উভয়ে ওলাই যায়)

চতুৰ্থ পট।

ৰংপুৰ—জেৰেঙা।

সময়—পুৱা।

জেৰেঙাৰ একাষে ৰংঘৰ—তাতে লক্ষ্মীসিংহকে আদি কৰি বিষয়া-সকল বহি থাকে। আন দাঁতিয়ে কপহী, নৈৰ দাঁতিয়ে দাঁতিয়ে সৈন্যৰ তামী ঘৰ। জেৰেঙাৰ মাজতে সৈন্যবিলাকে ঠেন কৰিছে।

সৈন্যৰ পৰা অলপ আঁতৰত বৰৈ ডুবলীয়া ফুকন আৰু তেওঁৰ তামুলীটো।

বৰৈ ডুবলীয়া ফুকন :— (হাতত থকা হিলৈটোৰ কল-কব্জাবিলাক পৰীক্ষা কৰি কৰি কয়)

—বান্ধৱ, মন কৰিছা নে, আমাৰ মূল আৰু দোৱাল সৈন্যলৈ। পুৱাৰ ৰঙচুৱা ৰ'দত সিহঁতৰ তৰোৱালবিলাক কেনেকৈ চিক্‌মিকাই উঠিছে।

তামুলী :—দেউতা, মই নো কিমানৰ মানুহ টো! দেউতাৰ মাতষাৰ শুনিলেই মোৰো দেখোন তৰোৱালখন লৈ নাচিবৰ মন যায়। —সিহঁত হৈছে সন্মুখ-সংগ্ৰামৰ যাত্ৰী। দেউতাক দেখি সিহঁতৰ গাত ৰণ-জেউতি লম্ভিছে। সিহঁতক এতিয়া কাৰ সাধ্য বাধা দিব!

বৰৈ ডুবলীয়া ফুকন :—এৰা হে ৰণ এথন কৰিবই লাগিব যেন দেখিছোঁ। পাছে—

তামুলী :—দেউতাই নো কি ভাবিছে?

বৰৈ ডুবলীয়া ফুকন :—ভাবিবলৈ একো নাই। ভাবিছো, কাকতলৰ মৰাণৰ সাহ পিত! মৰাণবো ইমান বিক্ৰম নে?

তামুলী :—মই হলে আচৰিত হোৱা নাই। মৰাণৰ তো বিক্ৰম হ'বই লাগিব, নহ'লে যে দেউতাৰ ৰণকৌশল স্বৰ্গদেৱে আৰু ডা-ডাঙৰীয়াসকলে দেখিবলৈ নেপায়। আৰু এই ছালছিগাই দেউতাৰ লগত তাকুৰি ঘুৰাদি ঘুৰিবলৈ এনে সোণত সুৰগাৰ সুযোগ ক'ত পাম?

বৰৈ ডুবলীয়া ফুকন :—ৰণলৈ তুমিও ওলাইছা নে কি? ক'তা মই তো তোমাক ওলাবলৈ কোৱা নাই; —তুমি জানিবা যোৱাই, পাছে বান্ধৈৰ ফালে!

তামুলী :—দেউতাই নো কি সুধিছে! —তাই মোক কি কৈছে, দেউতাই জানে জানো? —শুনক, গাভৰুদেৱে যদি দেউতাক ৰণলৈ পিন্ধাই উৰাই পঠিয়াব পাৰে, তাই নো পাছ হুহকিব কিয়? গাভৰুদেৱে যেনেকৈ দেউতাৰ বাহাদুৰী কথা শুনিলে হৰ্ষ পায়, তায়ো তেনে মোৰ বাহাদুৰী শুনিলে বৰ ৰঙ পায়। —দেউতাই ৰণলৈ যাব আৰু মই ঘৰত সোমাই থাকিম, তেতিয়া তাই জানো মোক লেথৰ মানুহ বুলি ধৰিব!

বৰৈ ডুবলীয়া ফুকন :—মই নকৈছো বান্ধৱ, তোমাৰ বান্ধৈ তোমাতকৈ একোৰ চৰা! তুমি বান্ধৈৰ কথা বৰকৈ শুনা; নহয় নে বান্ধৱ?

তামুলী :—দেউতাই যেনেকৈ গাভৰুদেওৰ কথা শুনে, —তাকে হে এই ছাল-ছিগাই শিকি-বুজি লৈছো। তাতকৈ একতিলো বেছি নহয় দেউতা।

বৰৈ ডুবলীয়া ফুকন :—বান্ধৱ, ৰণ-ক্ষেত্ৰত আকৌ তোমাৰ বান্ধৈ লৈ মনত পৰি মোক গাভৰুদেওৰ কথা সুসুধিবা। অৱশ্যে

সুধিলেও সুধিব পাৰা। গাভৰুইঁতৰ আগত বীৰৰ দৰে কাচি-পাৰি ওলাই গৈ, ফেঁচাটোৰ দৰে যে উলটি নাহো সেইটো একেবাৰে ঠিক। হয় ৰণৰ জয়-তিলক লৈ, গাভৰুৰ সাদৰি আলিঙ্গন লমহি; নহয় দেশৰ হকে, জাতিৰ হকে. মাটিৰ দেহা মাটিতে এৰি থৈ, সৌ দেৱ-সমাজত আগধৰি গৈ গাভৰুক আলিঙ্গন কৰিবলৈ সাজু হৈ থাকিম গৈ।

তামুলী :—দেউতা, এই নিঃকিনো যে গা-টোৰেই ছাঁ-টো।

বৰৈ ডুবলীয়া ফুকন :—বান্ধৱ, সঁচাকৈয়ে ভেবেঙাত থিয় হৈ ভাল লাগিছে হে। —শুনা. শুনা, ৰণ-বাদ্য শুনা. এই ফাললৈকে আহিছে। ৰণুৱাবিলাকক অভিবাদন কৰিবলৈ সাজু হোৱা।

তামুলী :—সঁচাকৈয়ে দেউতা, চ'ত মহীয়া ঢোলৰ মাতত তিনিখন কৰা গা-টোৰ দৰেই আজিও দেখোন মোৰ গাটোত কিবা ৰণজিং ৰণজিং এটা লাগিছে!

(এনেতে ৰণ-বাদ্যৰে সৈন্যবিলাকে ফুকনক অভিবাদন জনায় পাৰ হৈ যায়হি।)

(—আনফালে, ৰংঘৰৰ ওপৰৰ মূধৰ মহলত বিষয়াসকলৰে স্বৰ্গদেৱে দেখা দিয়ে।)

(বৰৈ ডুবলীয়া ফুকনে তৰোৱাল দাঙি স্বৰ্গদেওক অভিবাদন জনায়।)

পঞ্চম পট।

দিহিং নৈৰ দাঁতি।

মৰাণৰ কোঠ।

সময়—মাজ ৰাতি ক্ষীণ জোনাক।

(কোঠৰ মুখলৈ নগা সাজত চাও গোহাঁই ওলাই আহে।)

চাও গোহাঁই :—মই পৰিয়া, এই মহানিশা মই পৰিয়া! এই পুণ্য সলিলা দিহিং নৈৰ পাৰতেই মই পৰিয়া!—তাহানি এদিন আমাৰ পূৰ্ব্বপুৰুষসকল স্বৰ্গদেও চুকাফাৰ লগত, এই দিহিং নৈয়েই ভটিয়াই আহি, সৌমাৰত ৰাজ্য স্থাপন কৰিছিলহি। সেইদিনা তেওঁবিলাকে এই সৌমাৰত থকা মৰাণ, বৰাহী, কচাৰীক জয় কৰি, এই দেশ দেৱতাই আমাক দিছে বুলি, সগৰ্ব্বে বাহুতুলি কৈছিল! কিন্তু, আজি মই এই দিহিং নৈৰ দাঁতিতেই যাঠি-জোং লৈ, নিজৰ স্বজাতিৰ বিপক্ষে থিয় হৈছোহি! মৰাণৰ আদেশৰ তলতীয়া হৈ! —নহয়, নহয়, মোৰ ভুল হৈছে মোৰ উচিত কৰ্ত্তব্য মই হাতত লৈছো।—মই জাতিৰ বিপক্ষে থিয় হোৱা নাই। মই থিয় হৈছো, ৰাজ চ'ৰাৰ অন্যায় অত্যাচাৰৰ বিপক্ষে, কীৰ্ত্তিচন্দ্ৰৰ বিপক্ষে! যাৰ ষৰ-যন্ত্ৰত দেউতাই নিৰ্ব্বাসন দণ্ডতেই, নগাপৰ্ব্বতত নিজৰ প্ৰাণ দিলে! —মই শ্ৰেষ্ঠ আহোম বৰগোহাঁই কৈদৰ ল'ৰা হৈও সামান্য কাড়ীপৰিয়াৰ কামত—মৰাণৰ অধীনত! যাৰ ষৰ-যন্ত্ৰত, আজি আমাৰ এই দশা, তেওঁৰেই বিপক্ষে আজি মই থিয়! তেন্তে এনে দুৰ্ব্বল বেয়া চিন্তা মনলৈ আহে কিয়? —বুকু

ডাঠ হ, মন সবল হ, মুৰ স্থিৰ হ! পুত্ৰৰ কৰ্ত্তব্য, পিতৃৰ চিৰশত্ৰুক ধ্বংস কৰি, স্বৰ্গ-গত পিতৃৰ আত্মাক তৃপ্তি কৰো!

(এনেতে ৰূপহী সোমায় আহে।)

(দূৰৈত মানুহ অহা গমপাই বাঠি দাল পোনাই সষ্টম হৈ।)

—কোন তুমি! যম দুৱাৰত! এনে মাজ ৰাতি মিত্ৰও ইয়ালৈ আহিব নোৱাৰে। মাত দিয়া, ন'হলে—!

ৰূপহী :—(সোমায় আহি) —নগা ডেকা,ময়ে, ময়ে। তোমাৰ কৰ্ত্তব্য পালনত, মোৰ প্ৰাণ গলেও যাওক। কৰ্ত্তব্যত কেতিয়াও পিছলি নেৰাবা।

চাও গোহাঁই :—আইদেও, আপুনি কি পৰীক্ষা কৰিলে মোক! আপোনাৰেই আদেশ, এনে মাজ ৰাতি, এইখন দুৱাৰত শত্ৰু-মিত্ৰৰ বিচাৰ হব নোৱাৰে।

ৰূপহী :—এই বাবেই তো কোঠৰ প্ৰধান দুৱাৰৰ ৰখীয়া আজি, মৰাণো নহয়, আহোমো নহয়,—হৈছে এজন নামচাঙ পৰ্ব্বতৰ নগা ডেকা। —নগা ডেকা, শুনা, সংবাদ আছে। কীৰ্ত্তিচন্দ্ৰই এইবাৰ গুৱাহাটীৰ বৰফুকনৰ ফৌজবিলাক আমাৰ বিপক্ষে আনিছে। মূল-দোৱাল কাড়ী সৈন্যৰে তেজী বীৰ বৰৈ দুৱলীয়া ফুকনকো পঠাইছে। —এইখন ৰণত, ময়ো অস্ত্ৰ ধৰিম, হেপাহ পলুৱাই ৰণ কৰিম। তুমি মোৰ ওচৰতে থাকিবা মই কাঁড় মাৰোতে, ভুল কৰিলে, তুমি মোক শিকাই দিবা দেই! তাকে কবলৈ আহিলো। —এতিয়া যাও, তুমি তোমাৰ কৰ্ত্তব্য কৰা। (এইবুলি ওলাই যায়, যাওতে নিজে নিজে কৈ যায়।) —এই মাজ ৰাতিও নগা ডেকাৰ কাষত আহি মই উপস্থিত।

কিহৰ আকৰ্ষণত। নগা ডেকাই কি বুজিছে!—বুজিছেনে, কঠোৰ কৰ্ত্তব্যত পৰি হে আহিছো বুলি! —তিৰোতা তোৰ হিয়া কলিত লিখা কোনেও পঢ়িব নোৱাৰেনে!

(লাহে লাহে ওলাই যায়।)

চাও গোহাঁই:—(ৰূপহী যোৱাৰ পিনে চাই ২) —আইদেও আহিল আৰু গ'ল! আইদেও, তোমাৰ চকুত ইমান মোহনী, তোমাৰ মাতত ইমান আকৰ্ষণী, তোমাৰ চাৱনিত ইমান মাধুৰী,—কোনে দিলে! ক'ত পালা! —মই স'চাকৈয়ে, মই মোৰ নিজৰ কৰ্ত্তব্য বিচাৰি মোৰ শৈশৱৰ লগৰীয়া সৰল প্ৰাণৰ নগা-নাগিনীক এৰি, ৰণক্ষেত্ৰলৈ ন'ৰি আহিছোঁ নে,—নাই, আইদেৱে মোক এনা-ডৰিৰে পৰ্ব্বতৰ পৰা ভৈয়ামলৈ টানি আনিছে। নেভাবো, ৰণক্ষেত্ৰত বিপক্ষৰ তীৰে যেতিয়া মোৰ দেহা থকা-সৰকা কৰিব, প্ৰতি নোমৰ গুৰিয়ে গুৰিয়ে তেজ মোৰ যেতিয়া ছিটিকি পৰিব, সেই তেজে মোৰ প্ৰাণৰ কথা আইদেওক কৈ দিব। আইদেৱে বুজক নুবুজক, মই কিন্তু বিহ-কাড়ৰ অসহ্য যাতনাতো প্ৰাণত শান্তি পাম, —আইদেওক কথা দিছিলোঁ, আইদেওৰ কথা আখৰে আখৰে পালন কৰিলো বুলি ভাবি! প্ৰভু, শক্তি দিয়া, কৰ্ত্তব্যত জয়-যুক্ত হওঁ।

ষষ্ঠ পট।

তিমন মৈৰ মুখ।

দূৰৈত আহোম সৈন্যৰ কোঠ দেখা যায়।

সময়—পুৱা দোক-মোকালি।

(কেইটামান মৰাণৰ সৈতে ৰাঘৱ হাবিৰ পৰা ওলাই আহে।)

ৰাঘৱ :—(আহোমৰ কোঠত ৰণ-বাদ্য শুনি) সেয়া শুনা যায়; আহোম সৈন্যই আমাক আক্ৰমণ কৰিবলৈ সাজু হৈছে, ৰণ-বাদ্য লাহে লাহে বাজি উঠিছে। আৰু অলপ পাচতে আহোম সৈন্যই আমাৰ দিহিঙৰ কোঠ আক্ৰমণ কৰিবলৈ যাত্ৰা কৰিব। বাৰু, আমাৰ সৈন্যও ঠিক ঠাইতে আছেহি। --শুনিছো বৰৈ দুবলীয়া ফুকন এজন কাজুৱা সৈনিক, স্বৰ্গদেৱৰ বিশ্বাসী বিষয়া! সিদিনাৰ ৰণত অহা বাজখোৱা ফুকন কেইজনৰদৰে, এইজনা দুবলীয়া ফুকনে, আমাৰ বশ বোধকৰো নলʼব! এওঁৰ পাচত গুৱাহাটীৰ ৰাণী আৰু লুকিৰ ফৌজবিলাক ৰংপুৰ নগৰত বৈ আছেহি। এইবাৰৰ খেৰাই বাৰকৈয়ে ডাঙৰ হʼব,—ভালকৈয়ে সাজু হʼব লাগিব। এইখন ৰণত, হয় মৰাণৰ ৰাজ্য আকৌ স্থাপন হব; নতু, এই মৰাণ জাতিটো চিৰকাললৈ লুপ্ত হব, নাম নাইকিয়া হব।

(আনফালৰ পৰা চাও গোহাঁই, ৰাধা, ৰুক্মিণী আৰু ৰূপহী বেগেৰে সোমাই আহে।

ৰাধা :—বীৰ পুৰুষৰ মুখত এনে কথা কদাপি শুৱায়। ডেকাদেও, হতাশ নহʼবা চকুমেলি চোৱা, মৰাণ জাতি আজি উঠিছে,

ধূলি-মাটিত লীন যাবলৈ নহয়, লুপ্ত সন্মান উদ্ধাৰ কৰিবলৈ। উত্তৰৰ হাবিত তিৰোতাৰ ফৌজ, দক্ষিণৰ হাবিত পুৰুষৰ ফৌজ, সাজুহৈ থাকিব লাগিব। আহোম সৈন্যক কেউফালৰ পৰা বেৰি ধৰিম। ডেকাদেও, যোৱা, যোৱা, নিজৰ সৈন্য-সামন্তৰে সাজু হৈ থাকাগৈ।

(ওলাই অহা হাবিখনলৈকে ৰাধা ৰুক্মিণী ৰূপহী আৰু চাওগোহাঁই আকৌ সোমাই যায়;)

ৰাঘৱ :—সচাকৈয়ে, এই তিৰোতা জাতিটোৱেই পুৰুষৰ সঞ্জিৱনী শক্তি। এওঁবিলাক প্ৰিয় সংসৰ্গত, এওঁবিলাকৰ কৰ্কশ অথচ মধুৰ গৰ্জ্জনাত, প্ৰাণত এক নতুন উদ্দীপনা আছে। ধন্য তিৰোতা! —তিৰোতা, তুমি মোৰ মাতা, তুমি মোৰ ভগিনী, তুমি মোৰ প্ৰিয়া! তিৰোতা, আজি কিন্তু তুমি ঘোৰ প্ৰলয়ৰ বিজুলিৰ ছাটি। দেশ ধ্বংস হওক, জাতি ধ্বংস হওক, পৃথিবী ধ্বংস হওক, তাতো যেন মই, এটা মৰাণে, বীৰোচিত ভাবে, ৰাঙলী শয্যাত শুবলৈ পাও। তেতিয়া তিৰোতা জাতিয়ে চণ্ডীকাৰ গীতি গাই গাই, মোলৈ চাই ক'বহি, বীৰৰ দৰে ৰঙা জবাৰ ফুল শয্যাত শুই আছা। সেই বানী শুনি আত্মা মোৰ তৃপ্ত হ'ব। দেৱতা, আজি এই ৰণভূমি মোৰ ৰঙ্গভূমি হওক। তিৰোতাৰ মঙ্গল উৰুলিত, প্ৰাণ মোৰ নাচি উঠক কঁপি উঠক!—

(এই বুলি বেগেৰে হাবিলৈ সোমাই যায়, মৰাণ কেইটাও লগে লগেই যায়।)

(আন ফালৰ পৰা চাও গোহাঁই সোমাই আছে।)

চাও গোহাঁই :—দেউতাৰ একমাত্ৰ ধ্যানৰ ব্ৰতত আজীৱন মই ব্ৰতী হলো। এই কঠোৰ ব্ৰতত ভালেখিনি পথ আগবাঢ়ি আহিলো। কিন্তু মোৰ লক্ষ্য এতিয়াও বহুত দূৰৈত। ৰংপুৰ নগৰৰ সুৰক্ষিত ৰাজ-হাউলিত কীৰ্ত্তিচন্দ্ৰ এতিয়াও নিৰাপদ! কীৰ্ত্তিচন্দ্ৰক দেখা পামগৈ নে? মোৰ এই তীক্ষ্ণ তৰোৱালেৰে আলিঙ্গন কৰি, মই নিৰ্ব্বাসিত পিতাৰ পুত্ৰ বুলি কীৰ্ত্তিচন্দ্ৰৰ লগত চিনাকী হবলৈ সোণালী সুযোগ পামগৈ নে? —এতিয়াও ভালেখিনি দূৰ! বহুত বহুত বাট আছে! —আইদেওৰ আদেশ, ৰণুৱা মই! পৰ্ব্বতৰ নগা মই! জাতত নহলেও আচাৰত! —কথা-বোৰ খেলি-মেলি হয় কিয়? মই আইদেওৰ আদেশত অস্ত্ৰ ধৰিছো নে? নাই, মই মোৰ আজীৱন জীৱনৰ লক্ষ্য লৈ অস্ত্ৰ ধৰিছো! কোনটো সত্য! মোৰ ভুল হয় কিয়! আইদেও, মোৰ এই জীৱনৰ খেলি-মেলি ভুলটো তুমিয়েই ভাঙি দিবা নে?

(ৰূপহী সোমাই আহে।)

ৰূপহী :—নগা ডেকা, নগা ডেকা, তুমি মোক এৰি আহাঁ কিয়? তুমি মোৰ কাষতেই থাকিবা! মই আজি পুৰুষৰ সমাজক দেখুৱাম, অবলা তিকতাইও সবলা হৈ, ন্যায়ৰ নিমিত্তে, সত্যৰ নিমিত্তে, কেনেকৈ নিজৰ বুকুৰ তেজ দি ৰণ কৰিব পাৰে! নগা ডেকা, তুমি নেথাকিলে মই হতাশ হৈ পৰোঁ। তুমি কাষতেই থাকিবা, আহাঁ নগা ডেকা!

(ৰূপহীয়ে চাও গোহাঁইক লৈ হাবিলৈ সোমাই যায়)।

(আহোম সৈন্যৰ ৰণবাদ্য শুনা যায়। বৰ ব্যগ্ৰ ভাৱে বাঘৰ হাবিৰ পৰা ওলাই আহে।)

বাঘৰ :—এই ঠায়েই অতি উত্তম! এফালে অটব্য হাবি, দুফালে দুখন নৈ। যেনে কি শত্রু নহওক, এই সন্ধিস্থলত শত্রুক আক্রমণ কৰিলে, পৰাজয় নহৈ নোৱাৰিব। —সেয়া, সেয়া, আহোম সৈন্য ওচৰ চাপি আহিছে, আৰু এটি মূহূৰ্ত্ত! (এই বুলি বেগেৰে হাবিলৈ সোমাই যায়)

(আলি বাটেদি আহোম সৈন্য আগ বাঢ়ি আহে।)

গীত।

আহোম সৈন্য :—ৰণজিত্ ৰণজিত্ শত্রু পৰাজিত,
গা, গা, গা, জীৱনৰ গীত।
তেজ উথলক মন উথলক
কৰ, কৰ, কৰ, দেশৰে হিত॥
মেঘেও গাজক, বিজুলি মাৰক
ধুমুহা আহক, ধৰণী কপক
আমি ৰণুৱা আমি ৰণুৱা
প্ৰাণ দি কৰোঁ দেশৰে হিত॥

(আহোম ফৌজে গীত গাই ২ আহি থাকোঁতে, আলিৰ দুই ফালৰ পৰা মৰাণ-সৈন্যই (মুনিহ আৰু তিৰুতাই) "জয় মৰাণৰ জয়" বুলি জয়ধ্বনি দি, অতৰ্কিতে আহোম সৈন্যক আক্রমণ কৰে। আক্রমণত আহোম সৈন্য ছেদেলি-ভেদেলি হয়। উভয় পক্ষে ৰণ কৰি হাবিলৈ সোমাই যায়।)

(অলপ পাচতে, বৰৈ দুৱৰীয়া ফুকনে তেওঁৰ তামুলীজনৰে সৈতে ওলাই আহে।)

বৰৈ দুৱৰীয়া ফুকন :—মৰাণৰ চোৰ-আক্রমণত বিচলিত নহবা! সুন্দৰ ভাৱে আমাৰ সৈন্যই মৰাণৰ আক্রমণ ওফোৰাই দিছে।

আৰু অলপ সময় ৰ'ব পাৰিলেই আমাৰ জয়। আহাঁ—।

(আকৌ ভুয়ো হাবিলৈ সোমাই যায়)।

(কিছুমান সৈন্যই ৰণ কৰি ২ হাবিৰ ইফালৰ পৰা সিফাললৈ অহা-যোৱা কৰে। হাবিত তৰোৱালৰ ঝন্‌ঝননি আৰু হিলৈৰ আৱাজ উঠে!)

(আনফালৰ হাবিৰ পৰা এজাক আহোম সৈন্যই ফোপাই-জোপাই লৰি আছে।)

আহোম সৈন্য :—পলা, পলা, ৰক্ষা নাই, ৰক্ষা নাই! সাক্ষাৎ ৰণচণ্ডী লোল-জিহ্বা মেলি খেদি আহিছে, খেদি আহিছে। ৰক্ষা নাই, ৰক্ষা নাই—!

(বেগেৰে পলাই যায়)।

(আৰু এজাক সৈন্যই কান্দি-কাচুতি এৰি লৰি আহে।)

সৈন্যবিলাক :—হেৰ' গোসানীৰ লগত কোনে ৰণ কৰে ঐ! ডিঙি ছিঙি তেজ পিব ঐ! পলা, পলা।

(বেগেৰে ওলাই যায়)।

(তামুলী বেগেৰে ওলাই আহে।)

তামুলী :—উস্ কি ফন্দি, কি ফন্দি! সামান্য মৰাণনী কেইজনীক দেখিয়েই ৰণচণ্ডী বুলি সৈন্যবিলাকে ক্ষিৰিঙটি ভগা দি ভাগিছে! —কাৰ ফন্দিত, সৈন্যবিলাকে এনেদৰে চক খালে! ইমান বুজাইছো, কোনেও নুবুজে। আকৌ যাওঁ, আকৌ যাওঁ—।

(তামুলী বেগেৰে সোমাই যায়)।

(আন কেইবা জনো সৈন্যই পাচলৈ ঘুৰি চাই আৰু পলায়)।

(এনেতে কিছুমান মুনিহ তিৰুতা সৈন্যৰে বান্ধা ৰুক্মিণী আৰু কপহী ওলাই আহে।

ৰাধা :—আইদেও, আহোমৰ বল-বীৰ্য্য ইমানেই নে? আমাৰ লগত সিহঁতে ৰণ কৰাটো দূৰৰ কথাই, আমাক দেখিয়েই সিহঁতে নিলগতে ফিৰিঙটি ভগা দি ভাগিছে! তিৰোতাৰ এফাল সাহো সিহঁতৰ নাই নে? এনে বল-বীৰ্য্যৰে সিহঁতে কেনেকৈ বিদেশীৰ হাতৰ পৰা দেশক ৰক্ষা কৰিব।

ৰূপহী :—এই বাবেই দেশত আজি যোগ্য ৰজা, যোগ্য সেনাপতি লাগে।

ৰুক্মিণী :—বাইদেও ব'লা ব'লা! সিহঁতৰ ৰঙ চাই মোৰ এনে ভাল লাগিছে। এইখন আজি ৰণ নে ধেমালি! ব'লা ব'লা—।

(ৰাধা-ৰুক্মিণী; ৰূপহী আদি হাৰিলৈ সোমাই যায়।)

পট পৰিবৰ্ত্তন।

হাবিৰ মাজ।

(কেউফালে মৰাণ সৈন্যই বেৰি ৰণ কৰে। মাজতে বৰৈ ডুৱৰীয়া ফুকন আৰু তেওঁৰ তামুলীটোৱে পিঠিয়া পিঠিকৈ মৰাণৰ লগত ৰণ দিয়ে। এনেতে সৈন্যৰ মাজৰ পৰা ৰাঘৱে জাপমাৰি আহি, বৰৈ ডুৱৰীয়া ফুকনক কয়।)

ৰাঘৱ :—ফুকন ভই কাৰ সৈতে ৰণ কৰ! নেজাননে ৰৰজনা গোহাঁইৰ পুতেকহে আজি আমাৰ দেশৰ ৰজা! দিহিঙৰ পৰা উজনিৰ সকলো প্ৰজাই আমাক বৰিলে। সেনাপতি ভিতৰুৱাল ফুকনেও সৈন্য সামান্তৰে আমাক বৰিলেছি। —অস্ত্ৰ এৰ, বন্ধু ভাবে আহ! দেশখন আকৌ সুগঠন কৰোঁ।

বৰৈ-ডুৱৰীয়া ফুকন :—সামান্য মৰাণ, পাটত থকা ৰজা এৰি, থেদি খোৱা গোহাঁই এজনক সাতঘৰীয়া আহোমৰ দিহিঙীয়াৰ ঘৰৰ লবাই সেৱা নকৰে, জানিবি! সামান্য মোৱামৰীয়া-বিদ্ৰোহী

মৰাণ এটাই মোৰ ৰজাক চিনাই দিবহি নেলাগে —তহঁতৰ বিদ্ৰোহী দলক এটা এটাকৈ সমুচিত দণ্ড দিয়া হব। এতিয়াও নিজৰ মঙ্গল চিন্তিলে, ৰজাৰ শৰণাগত হ! এতিয়াও সময় আছে।

ৰাঘৱ :—(দাঁত কৰচি।) কি কলি, আমি বিদ্ৰোহী, আমি সামান্য মৰাণ!—পাৰ যদি নিজক ৰক্ষা কৰ!

(আকৌ দুৱলীয়া ফুকন আৰু তামুলীক মাজত লৈ মৰাণবিলাকে ৰণ কৰি কৰি ওলাই যায়—অলপ পাচতে ৰাঘৱ ঘুৰি আহে)

ৰাঘৱ :—ৰংপুৰ নগৰত আৰু এনে যোদ্ধা কেইজন আছে! —ফুকনৰ হাতত মাথোন এখন চোকৰ তৰোৱাল আৰু ইখন হাতত মাথোন কাড়-ধনু; তামুলীটোৰ হাতত দাখন আৰু যাঠিদাল। —আহোম সৈন্য এটাও নাই, সকলো পলাল! তথাপি ফুকন আৰু তামুলীটোৱেই আমাৰ অতবোৰ মৰাণক দূৰতে ৰাখিছে। ৰথানো তহঁতৰ ৰণ শিক্ষা, ৰথানো তহঁতৰ বীৰত্ব! কিন্তু, তহঁতে, ৰাঘৱৰ চতুৰ ৰণ-বিদ্যা এতিয়াও দেখা নাই আৰু ক্ষন্তেক সময়— !

(বুলি ৰাঘৱ বেগেৰে ওলাই যায়।)

(অলপ পাচতে, ৰণ কৰি কৰি, দুৱলীয়া ফুকন আৰু তামুলী আৰু অসংখ্য মৰাণৰে ৰাঘৱ ওলাই আহে।

ৰাঘৱ :—ফুকন, তহঁতে মৰাণ জাতিক যদিও নীহ বুলি ভাব, তথাপি মৰাণে গুণীৰ গুণক আদৰ কৰিব জানে। ফুকন, তোৰ ৰণ-শিক্ষা মই ৰথানো। ধনুৰ কাড় অন্ত পৰিল, এতিয়া অকল তৰোৱালখনেৰেই যুঁজিবি নে? সকলোৱেই আমাক ৰৰিছে; ফুকন, তয়ো ৰৰ! আমি সকলোৱে মিলি দেশখন আকৌ সুগঠন কৰোঁ— !

বৰৈ চুৰণীয়া ফুকন :—ছিঃ সামান্য বিদ্ৰোহী-মৰাণ এটাৰ মুখত ৰাজনীতিৰ কথা! অস্ত্ৰ ল, অস্ত্ৰ ল!

ৰাঘৱ :—বাৰু তেন্তে—!

(বুলি আকৌ উভয়ে ৰণ কৰে। এনেতে ৰাঘৱে যাঠিদাল ফুকনৰ গালৈ মাৰে, ফুকন আৰু তামুলীক একেদাল যাঠিয়েই শালি ধৰে দুয়ো একেলগে পৰি যায়।)

("জয় মৰাণৰ জয়" বুলি ৰাঘৱ আদি সকলো হাবিলৈ সোমাই যায়)

(অলপ পাচতে চাও গোহাঁই, চুচৰি বাগৰি, সোমায় আহি পৰি যায়)

(এনেতে ৰূপহীয়ে চাও গোহাঁইক বিচাৰি আহি, চাও গোহাঁইক এনে অৱস্থাত দেখি বিচুৰ্ত্তি খাই, লৰি চাও গোহাঁইক ধৰেগৈ।)

ৰূপহী :—নগা ডেকা, নগা ডেকা, তোমাৰ এনে অৱস্থা! দেহি ঐ, মোৰ নিমিত্তেই, তুমি আজি পৰ্ব্বত এৰি ভৈয়ামত প্ৰাণ দিলাহি!

চাও গোহাঁই :—আইদেও, আইদেও— !

ৰূপহী :—নগা ডেকা, উস্, মনৰ আশা মনতেই মাৰ গ'ল! নগা ডেকা!

(ৰূপহীয়ে নিজৰ ৰিহাখনৰে চাও গোহাঁইৰ কটা ঘা বান্ধে।)

চাও গোহাঁই :—আইদেও, সামান্য নগা এটাৰ বাবে, ইমান যত্ন কিয়! আইদেও মই নেবাচো, মোৰ অন্তিম! এয়া চোৱা,— ইমানতো বাচিম বুলি আশা কৰা নে?

ৰূপহী :—নগা ডেকা, মোৰ প্ৰাণ দিলে, তোমাৰ ঋণ পৰিশোধ হ'ব নে?

চাও গোহাঁই :—আইদেও, মোৰ অন্তিমৰ একেষাৰ কথা শুনা! উস্ বৰ টান পাইছো! শুনা মই নগা নহও! মই বৰগোহাঁই ফৈদৰ ল'ৰা।

ৰূপহী :—কি নগামাকো পিন্ধা, তুমি বৰগোহাঁই ফৈদৰ ডেকা!

চাও গোহাঁই :—মোহনমালা কোৱঁৰৰ লগত বন্ধুত্ব আছে বুলি, কীৰ্ত্তিচন্দ্ৰই দেউতাকে মোকে নগা-পৰ্ব্বতত নিৰ্ব্বাসিত কৰিছিল! উস্, মোৰ লক্ষ্যৰ পথত বহুত আগ বাঢ়িছিলো! কিন্তু, কীৰ্ত্তিচন্দ্ৰ এতিয়াও বহুত দূৰৈত থাকিল। মোৰ আজীৱন লক্ষ্যক লগ নেপালো! বৰৈ তুৱলীয়া ফুকনৰ তৰোৱালেই মোক পেলালে, কীৰ্ত্তিচন্দ্ৰক মোৰ হাতৰ পৰা ৰক্ষা কৰিলে! উস্ বৰ টান পাইছো! পানী!

ৰূপহী :—হৰি, হৰি, মই আজলীয়ে চিনিব নোৱাৰিলো। বৰ ফাকি দি আছিলা, বৰ ফাকি দি আছিলা!

(ৰূপহীয়ে পানী আনি, নিজৰ কৰঙণত মূৰটো থৈ চাও গোহাঁইৰ মুখত পানী দিয়ে।)

চাও গোহাঁই :—আইদেও, আইদেও, পানী!

ৰূপহী :—কি, কি, আৰু যে নেমাতা! গোহাঁইদেও, গোহাঁইদেও ফাকি দি আছিলা, ফাকি দি গ'লা! হায়, মোক তুমি নিচিনিলা, নুবুজিলা! গোহাঁইদেও, গোহাঁইদেও!

(মৃত চাও গোহাঁইক সাবতি ধৰে।)

পঞ্চম অঙ্ক।

প্ৰথম পট।

ৰংপুৰ নগৰ তলাতলি ঘৰ।

সময়—ৰাতি দুপৰ।

(অসংখ্য মৰাণ সৈন্য লৈ ৰাঘৱ সোমাই আছে।)

ৰাঘৱ:—প্ৰিয়তম বন্ধু সকল, ৰাজনগৰত কোনোৱেই নাই। কাৰেং সুদা। স্বৰ্গদেও পলাল, ডাঙৰীয়াসকল পলাল, বিষয়াসকল পলাল। তোমালোকে এতিয়াই নগৰৰ চৌদিশে যোৱা। হিলৈ জাই কৰি সকলোকে জনাই দিয়া, মৰাণে কাৰেংঘৰ ল'লে, ৰংপুৰ ল'লে, ৰাজ্য ল'লে।

(কিছুমান মৰাণ সৈন্য ওলাই যায়।)

—কিছুমান সৈন্যই এতিয়াই সিংহ দুৱাৰত, দৰিকা দুৱাৰত আৰু বৰদোলৰ মুখত, আমাৰ দেশ লোৱাৰ জাননী স্বৰূপ তিনিবাৰকৈ হিলৈ জাই কৰাগৈ—এতিয়াই—!

(বাকী সৈন্যৰ আৰু কিছুমান ওলাই যায়।)

—কীৰ্ত্তিচন্দ্ৰ জলমৰ্তাৰ ঘৰৰ বৰবৰুৱা কীৰ্ত্তিচন্দ্ৰ, সেই চমতাৰ কোব আজিও মই পাহৰা নাই। (দাঁত-কৰচি) চমতাৰ কোব সোৱাদ কিমান, পাবি, পাবি!

(এনেতে নগৰৰ কেউফালে হিলৈৰ শব্দ হয়)—(মৰাণ সৈন্যই হিলৈৰ জাৱে ২ 'জয় মৰাণৰ জয়' বুলি জয়ধ্বনি দিয়ে।) (জয়ধ্বনিৰ লগে লগেই বিহুধৰ লিগিৰাই পখিলীৰ সৈতে সোমাই আছে।)

ৰাঘৱ :—কোন তোমালোক ?

বিহুধৰ :—দেৱতা, দেৱতা, মস্নে সেই বিহুধৰ লিগিৰা ! দেৱতাসকলক ৰজাঘৰৰ বাতৰি দা-ৰে দা-ৰে দি আছিলো ! এই গৰাকী এই গৰাকী (পথিলীৰ আছলত ধৰি) আমাৰ ঘৰৰে !

ৰাঘৱ :—(বিহুধৰক আলিঙ্গন কৰি) বন্ধুবৰ, তোমাৰ উপকাৰ কেতিয়াও নেপাহৰো ! যোগ্য পুৰস্কাৰ পাবা ! তোমাৰ তিৰোতাক দোলাতো তুলিম, হাতত খাৰুও দিম !

বিহুধৰ :—(পথিলীলৈ) শুন, শুন, কি কৈছে দেৱতাই। সোণ-ৰূপৰ মুখৰ কথা।

ৰাঘৱ :—বন্ধুবৰ, কোৱা এতিয়া, বেগাই কোৱা, ৰজা কলৈ গল, ৰৰবৰুৱা কলৈ গল !

বিহুধৰ :—দেৱতা, ৰজা, বৰবৰুৱা আৰু বিষয়াসকল গুৱাহাটীলৈ বুলি পলাই গৈছে। অলপ আগতে শুনিলো, ৰজাৰ দলটোৱে বৰনৈত নাও নেপালেগৈ। সোনাই নৈৰ বাহৰতে আজি ৰৈছে। কালিলৈ পুৱাতেই সেই ঠাই এৰিব।

ৰাঘৱ :—কি, ৰজা গৈ সোনাই নৈৰ বাহৰত আছে ! —বন্ধুবৰ, তুমি অলেখ পুৰস্কাৰ পাবা ! (সৈন্যসকললৈ) মোৰ প্ৰিয়তম বন্ধুসকল, তোমালোক সকলোটিয়েই এতিয়াই যোৱা ! সোনাই নৈৰ বাহৰত ৰজা বিষয়া যাকে পোৱা—সকলোকে ততালিকে বন্দী কৰি আনাগৈ ! যোৱা যোৱা— !

(কিছুমান মৰাণ সৈন্যই "জয় ৰাঘৱৰ জয়, জয় মৰাণৰ জয়।" বুলি ওলাই যায়।)

(বাকী সৈন্যলৈ) তোমালোকৰ ডুজনে এতিয়াই আমাৰ দেৱতা নাহৰক খবৰ দিয়াগৈ, ৰাজপাট খালি, ৰজা নাই !

ততালিকে আহিব লাগে, ৰাজপাটত বহিবহি লাগে।

(দুজন মৰাণ সৈন্য ওলাই যায়)

বিহুধৰ :—দেৱতা, ৰাজপাটত কোন বহিবহি, বাটঘৰীয়া গোহাই নে কি ?

ৰাঘৱ :—হাঃ হাঃ হাঃ, বন্ধুবৰ, কাকতলত থাকিলেও, মৰাণ ইমান অজলা নহয়, জাত-শত্রু আহোমৰ হাতৰ পৰা ৰাজপাট এবাৰ কাঢ়ি লৈ, আকৌ সেই আহোমকে ৰাজপাট দিম !

বিহুধৰ :—তেন্তে, বাটঘৰীয়া গোহাঁই সকলৰ !

ৰাঘৱ :—এটি এটি কৈ সকলোৰেই দাঁত নিকটালে। আছে মাথোন, আধা-মৰা আধা জীয়া মোহনমালা কোৱঁৰ। তেওঁকো !

(এনেতে তেজেৰে বাঙলী হৈ আদবলীয়া ৰূপহী লৰি লৰি আহে।)

ৰূপহী :—বে'ছ, বে'ছ, সুন্দৰ, সুন্দৰ ! বাটঘৰীয়া গোহাঁয়ে দাঁত নিকটালে। নিজৰ চিতাৰ জুইত নিজে ঘিউ ঢালিছো। কোনে ধুমাব, কোনে ধুমাব ! ইন্দ্ৰবংশী আহোমৰ শিঙৰি ঘৰত মযে জুই দিলো, মযে জুই দিলো ! হাঃ হাঃ হাঃ !

ৰাঘৱ :—কোন, এই জনী ?

ৰূপহী :—সোৱা, সোৱা, জুই জ্বলিছে, দপ্-দপ কৈ জ্বলিছে ! এই কালাগ্নি আজি জ্বলিল জ্বলিল ! এই জুইত অকল আহোমেই ধ্বংস হ'ব এনে নহয়, কৃতঘ্ন, নৰাধম, বিশ্বাসঘাতক মৰাণ ! তইঁতো, তইঁতো এই জুইত ভস্ম হ'বি ! হাঃ হাঃ হাঃ !

ৰাঘৱ :—(খঙেৰে) মনে মনে থাক।

ৰূপহী :—চুকাফাৰ সিংহাসন, গদাধৰৰ সিংহাসন, ৰুদ্ৰসিংহৰ সিংহাসন অপবিত্ৰ, অপবিত্ৰ ! সামান্য মৰাণে আজি অপবিত্ৰ কৰিলে !

বাঘৰঃ—(সৈন্যলৈ) উলিয়াই দে, উলিয়াই দে!

ৰূপহী :—দিখৌ, দিখৌ, পুণ্যসলিলা দিখৌ, ইন্দ্ৰবংশী আহোমৰ নগৰখন উটুৱাই নিয়া, উটুৱাই নিয়া; নহলে, পবিত্ৰ নগৰত মৰাণ সোমাব, মৰাণ সোমাব।

বাঘৰঃ—পাগলী, পাগলী,—বান্ধ কৰ!

ৰূপহী :—হাঃ হাঃ হাঃ, কাৰেংঘৰ, তুমি হাঁহিছা! বংঘৰ, তুমি হাঁহিছা! অস্, অস্!

কুটুমে বান্ধিলে কুটুমে বাঢ়িলে
কুটুমে কুটুমেই খালে।
কুটুমৰ তেজেৰে বন্তি জ্বলালে—
মজিয়া ভকে-ভকালে॥
—হাঃ হাঃ হাঃ!

বাঘৰ :—সৈন্যসকল, কি চাই আছ! ক'ৰ এই বলিয়ানী। গতিয়াই দে, দৰিকা দুবাৰ পাৰ কৰি দে, এতিয়াই, এতিয়াই!

(কেইটামান সৈন্যই ৰূপহীক গতিয়াই নিয়ে।)

ৰূপহী :—(যাওঁতে) বংপুৰ ঐ ৰঙাপুৰৈ
গড়গাওঁ ঐ কিমান দূৰৈ।
বংপুৰ নগৰত ৰজাৰে কাৰেঙত
কিহৰ বিলৈ কিহৰ বিলৈ॥
—হাঃ হাঃ হাঃ!

দ্বিতীয় পট।

ৰংপুৰ নগৰ।

বিহুধৰৰ চ'ৰাঘৰ।

সময়—পুৱা।

(গহীনে গম্ভীৰে, সাজে-পাৰে, বিহুধৰ লাহে ২ ওলাই আহে।)

বিহুধৰ :—মৰাণৰ বৰবৰুৱাজন বৰ গুণীৰ গুণ বুজা লোক। একেবাৰেই তামুলী ফুকনৰ বিষয়খন গাত জাপি দিলে! মনটোও ভাল লাগিছে, বিষয়খনো ভাল লাগিছে, কেৱল এটা কথা হে!—এই ফুকনৰ সাজটো পিন্ধি চ'ৰালৈ আহিলে মনটোহে বৰ কিবা কিবা লাগে! কোনোবাই যেন ধৰি বান্ধিছে, মোৰ গাত এই কাপোৰ-কাণিবোৰ বান্ধি দিছে! —আগৰদৰে গা-টো দোখোন এতিয়া ফুল যেন পাতল নেলাগে। এৰা, হয়তো, বৰা নহওঁ, শইকীয়া নহওঁ, হাজৰিকা নহওঁ, বৰুৱা নহওঁ, একেবাৰেই ফুকন! —ফু—ক—ন, বল, বুদ্ধি, ক্ষমতা—তিনটাৰ গৰাকী, গধুৰ হবই হো। (ভিতৰলৈ) হেৰা, হেৰা, শুনিছানে?

(পখিলী ওলাই আহে।)

পখিলী :—হঁ' কিবা বোলে বঙ্গহৰদেও, মোকেই মাতিছে নে? আজি দেখোন তুমি তুমা!

বিহুধৰ :—এৰা হে এৰা, তোমাক ফুকননীৰ সাজটোৱে তেনেই তুলি ধৰিছে হে!—আগেয়ে হ'লে, কেটেৰাই মাতা, এতিয়া একা!

পখিলী:—হেৰি, আপোনাৰ আসৈ হে চাইছিলো। বোলো, মুখৰেই চুপতি নে, আৰু কিবা—!

বিহুধৰ :—মই জানো কমটো, অমুকা বাঘৰ টিকাত আঙুলি দিয়াটো নহয় জানো। বাৰু, এই ফুকনৰ বিষয়থন কাৰ কপালতে পোৱা হ'ল; তোমাৰ নে মোৰ!

পখিলী :—মই তেতিয়াই নকৈছিলো, ৰাম-ৰাৱণৰ পদ, দেখাম নে শুনাম। তামোলৰ হে বেটু গেলে, কথাৰ জানো বেটু গেলে। —মই জানো এতিয়া কথা এৰিলো।

বিহুধৰ :—নহয় হে, সেই বাবেহে কৈছো, কাৰ কপালত!

পখিলী :—আপোনাৰ আৰু কাৰ হ'ব! আপোনাৰ থন কপাল্ জোখকচোন, মোৰথনৰ দুগুণ হয় নে নহয়!—আকৌ সুধিছে কেলেই! এতিয়া ডাঙৰ মানুহ হৈ পেংলাই কৰিবলৈ এৰি দিয়ক, বুজিছে নে?—বন্দী-বেটীয়ে শুনিলে কিবাহে বুলিব!

(এনেতে লগুৱা এটা সোমাই আহে।)

লগুৱা :—দেউতা, দেউতাক দেখা কৰিবলৈ পুৱাৰে পৰা ভালেমান মানুহ ভাৰে-ভেটিয়ে সৌ পদূলিৰ মুৰতে ৰৈ আছেহি!

বিহুধৰ :—হয় নে, হয় নে কটা! কিয় আহিছে, ক'ব পাৰ নে?

লগুৱা :— দেউতা, আটাইবোৰ বিষয় খোজা মানুহ, কোনো আহিছে বৰা হবলৈ, কোনো আহিছে বৰুৱা হবলৈ, কোনো আহিছে কাড়ী গুচি চমুৱা হ'বলৈ, কোনো আহিছে উত্তৰ পাৰত ভূঞা হবলৈ, কোনো আহিছে একেবাৰেই পানবাৰীত ডিমৰুৱাত ৰজা হবলৈ—!

বিহুধৰ :—হয় নে, হয় নে, ৰাৰু 'অ'!—সিইঁতক ইয়ালৈকে মাতি আন! (লগুৱা ওলাই যায়)

(পথিলীলৈ) দেখিছা, আগেয়ে অমুকাক কেৱে চিনিকে নেপায়! এতিয়া দেখোন ভাবে-ভেঁটায়ে একা!—ব'লা আমি তামুলী চ'ৰাত বহোঁগৈ। সিহঁত ডাঙৰ মানুহৰ ঘৰলৈ আহিছে যেতিয়া, অলপ সময় আঠুলৈ বহক হি! ডাঙৰৰ ঘৰলৈ অহাৰ নিয়ম বুজক! ব'লা— !

পথিলী :—মই সঁচা কৈছো। বহু জনমৰ ভাগ্যৰেহে আপোনাৰ তিল-মাহ খালো। (উভয়ে সোমাই যায়।)

তৃতীয় পট।

ৰংপুৰ নগৰ—তলাতলি ঘৰ।

ৰাজ চ'ৰা।

সময় পুৱা।

(সিংহাসনত মৰাণৰ ৰজা ৰমানন্দ, ওচৰতে এখন আসনত নাহৰ আৰু ৰাধা, ৰুক্মিণী, ৰাঘৱ, লিকচন বৰা, কাকতি বৰা মদন আৰু মৰাণৰ বিষয়াসকল।)

ৰমানন্দ :—ৰৰবৰুৱা কীৰ্ত্তিচন্দ্ৰৰ বিচাৰৰ ভাৰ আপোনাৰ হাততেই দিলো।

(এনেতে কিছুমান বন্দীৰ সৈতে কীৰ্ত্তিচন্দ্ৰক মৰাণ সৈন্যই লৈ আহে।)

ৰাঘৱ :—ৰৰবৰুৱা কীৰ্ত্তিচন্দ্ৰ আজি কোন ৰৰবৰুৱাৰ আসনত তুমি নে মই ?—সেই চমতাৰ কোৰ, মনত আছে নে ?

কীৰ্ত্তিচন্দ্ৰ :—মৰাণ, আজিও ময়েই ৰৰবৰুৱা !

ৰাঘৱ :—হাঃ হাঃ হাঃ কীৰ্ত্তিচন্দ্ৰ, কীৰ্ত্তিচন্দ্ৰ, চমতাৰ কোৰ ! মই ৰৰবৰুৱাই আদেশ দিছো, তোৰ পিঠিত এবুৰি চমতাৰ কোৰ, তাৰ পাচত তোৰ গাৰ সুকোমল মঙহ কাচিৰে কাচি কাচি, তাত নিমখ আৰু খাৰনি চেতিয়াই দি, জেৰেঙাত তোক তিল-তিলকৈ বধ কৰিব। সামান্য মৰাণৰ ক্ষমতা কি, অধম নৰ্ব্বৰ কীৰ্ত্তিচন্দ্ৰ, আজি বুজ, বুজ ! (সৈন্য সকললৈ)—সৈন্যসকল, আদেশ শুনিলা, কীৰ্ত্তিচন্দ্ৰক জেৰেঙালৈ লৈ যোৱা ! আৰু কীৰ্ত্তিচন্দ্ৰৰ বংশ পৰিয়াল য'ত যিমান আছে, সকলোকে ধৰি আনি মাহ-মৰা চাপৰিত, এটা এটাকৈ টঙনিয়াই মাৰাগৈ ! কীৰ্ত্তিচন্দ্ৰৰ নাম পৃথিৱীৰ পৰা লুপ্ত হৈ যাওক— !

(কীৰ্ত্তিচন্দ্ৰক সৈন্যবিলাকে লৈ যায়, বাকী বন্দীবিলাককো নিয়ে।)

কীৰ্ত্তিচন্দ্ৰ :– (যাওঁতে) কুকুৰধুলি মৰাণ, বাঘ গৰালত পৰিলে, ফেকৰাই এইদৰেই ফেউ ফেউ কৰে !

ৰাঘৱ :—কি ক'লি ! কুকুৰধূলি মৰাণ ! ক্ষন্তেক অপেক্ষা কৰ, কীৰ্ত্তিচন্দ্ৰ ! তোৰ শাস্তি মই নিজ হাতে বিহিম ! ৰৰৰকৰা ৰাঘৱৰ আজি ক্ষমতা কি ! বুজিবি, বুজিবি– !

(ৰাঘৱ বেগেৰে ওলাই যায়) ।

ৰাধা :—ভনীটি, কীৰ্ত্তিচন্দ্ৰৰ বিচাৰ দেখিলো, এতিয়া ব'লা ।

(ৰাধা আৰু ৰুক্মিণী ওলাই যায় ।)

নাহৰ :—তিৰোতা জাতিটো আৰু গুৰুৰ শ্ৰেণীটো সদাই মৰমীয়াল। নহলে নো, মোৰ এনে অপমানতো তিৰোতাই কয়, শত্ৰুক ক্ষমা কৰিবলৈ, গুৰুয়ে কয়—এনে অত্যাচাৰী কীৰ্ত্তিচন্দ্ৰকো ক্ষমা কৰিবলৈ । দেশ শাসন কৰা কূট-ৰাজনীতি সঁচাকৈয়ে গুৰু আৰু তিৰোতাৰ নিমিত্তে নহয় । এওঁবিলাক ৰাজ-নীতিৰ পৰা আঁতৰি থকাই শ্ৰেয়ঃ !

লিকচন ৰৰা :—দেৱতা, ময়ো তাকেই কওঁ, —গুৰু আৰু তিৰোতাই আমাৰ মঙ্গল চিন্তা কৰিব, বাকী ৰাজ-নীতিৰ কামত থাকিম আমি ।

নাহৰ :—ৰৰা, সকলো ডাঙৰ বিষয়, মৰাণক দিয়া হৈছে । মৰাণক অত্যাচাৰ কৰা আহোম বিষয়া মাত্ৰকে প্ৰাণ দণ্ড দিয়া হ'ল । কুঁৱৰী আৰু ৰজাৰ জীয়ৰীসকলক বন্দী কৰা হল । এতিয়া আছেগৈ, ৰংদোলত বন্দী হৈ থকা ৰজা লক্ষ্মীসিংহ আৰু নজৰবন্দীত থকা মোহনমালা ।

মদন :—সিংহাসনত স্বৰ্গসুখ ভোগ কৰা ৰজাই কিছুদিন বন্দীশালৰ সুখো অনুভৱ কৰক ! বন্দীশালৰ পৰা দেখক, চিৰদিন

হেয় মৰাণ জাতিৰ আজি প্রতিপত্তি কি! কেতিয়াও দুখীয়াৰ দুখ নুবুজা এই ৰজাবিলাকে, দুখীয়াৰ দুখ কি এবাৰ বুজক! তাৰ পাচতো ৰজাক আনি বিচাৰ কৰিব পৰা হব।

লিকচন বৰা :—কাকতি বৰাৰ কথা উত্তম হৈছে।

নাহৰ :—বাৰু, তোমালোকৰ পৰামৰ্শকে মানিছোঁ। —কিন্তু, এয়ে যথেষ্ট নহ'ব। মৰাণৰ গুৰু-মায়ামৰীয়া গোসাইক, অসমৰ যি বিলাক গোসায়ে হেয় জ্ঞান কৰিছিল, সেই সকলো গোসাইকে আমাৰ গুৰুৰ ওচৰত আঠু লোৱাব লাগিব। সকলোৰে জানক, অসমত আজি মৰাণ জাতি সবাতোকৈ শ্রেষ্ঠ আৰু মৰাণৰ গোসাইৰ ধৰ্ম্ম হে সকলো গোসাইৰ ধৰ্ম্মত কৈ উচ্চ।

মদন :—কিন্তু অসমৰ চাৰিসত্ৰীয়া—কুৰুৱাবাহী, গড়মূৰ, আউনীআটী, দক্ষিণপাট—বৰ জাগ্ৰত সত্ৰ। —আহোমৰ ৰজাসকলে চাৰিসত্ৰীয়াৰ আশীৰ্ব্বাদতে অখণ্ড প্ৰতাপে ৰাজত্ব কৰি আছিছিল। কেবল স্বৰ্গদেও শিৱসিংহই বিদেশী গোসাই আনি দীক্ষা লোৱাৰ পৰাই ৰাজশক্তিত কেৰোণে ধৰিলে, প্ৰজা সমূহৰ ভিতৰত অবিশ্বাসে ঠাই ললে, ধৰ্ম্মৰ নামেৰে মৰাণ জাতিৰ ওপৰত, বৈষ্ণৱধৰ্ম্মৰ ওপৰত অত্যাচাৰ হল। দেৱতা, চাৰিসত্ৰীয়াক নেমানিলে দেশ সুগঠন কৰা টান হব!

ৰমানন্দ :—শুনিছো, চাৰিসত্ৰীয়া গোসাইসকল বাক্যসিদ্ধি বুলি। বাৰু, আউনীআটী-দক্ষিণপাটে আঠহেজাৰ কৈ, গড়মূৰ-কুৰুৱাবাহীয়ে চাৰি হেজাৰ কৈ টকা আমাক উপঢৌকন

দিয়ক। আৰু বাকীবিলাক মহন্তই অৱস্থা অনুযায়ী অৰ্থ দণ্ড দি, আমাৰ গুৰুক শ্ৰেষ্ঠ ৰাজ-গুৰু বুলি স্বীকাৰ কৰকহি। আৰু দেশত আদেশ হ'ব লাগে, তুমাহলৈ কোনো মহন্তই কোনো শিষ্যক শৰণ দিব নোৱাৰে। দেশৰ অশৰণীয়া মাত্ৰয়ে আমাৰ ৰাজ-গুৰু মায়ামৰা গোসাইত এই তুমাহ শৰণ ল'ব লাগিব। আৰু আজিৰ সভাত মই ঘোষণা কৰিলো, আমাৰ গুৰু মায়ামৰা গোসাই আজিৰ পৰা কেকোৰা-দোলাত উঠিব।

নাহৰ :—ৰাজোচিত বিচাৰ হৈছে। ধন্য, ধন্য, ধন্য পুত্ৰ!

(এনেতে উন্মত্ত ভাৱে ৰাঘৱ সোমাই আহে)।

ৰাঘৱ :—দেৱতা, জয় মৰাণৰ জয়, জয় মৰাণৰ জয়! আজি হে মোৰ প্ৰাণে শান্তি পাইছে। হেপাহ পলুৱাই কীৰ্ত্তিচন্দ্ৰক শাস্তি দি দি বধ কৰি আহিছো। চাওক, চাওক এয়া মোৰ হাতত জয়-শ্ৰী, জয়-শ্ৰী—!

(তেজেৰে ৰাঙলী হোৱা হাত দেখুৱায়।)

সকলোৱে :—জয় মৰাণৰ জয়।
জয় মৰাণৰ জয়।

চতুৰ্থ পট

জয়ধ্বজ সিংহৰ গৰ্ড়গাঁৱৰ কোৱাঁৰী

দ্বিতীয় দৃশ্য

ফিংখী নৈৰ দাঁতি

এটি পজাঁঘৰ।

সময়—আবেলি।

মোহনমালা :—দোষ কাৰ? কীৰ্ত্তিচন্দ্ৰৰ নে, মৰাণৰ নে, মোৰ? দোষ কাৰো নাই, কেৱল, মোৰ, মোৰ! ৰাজবংশৰ ল'ৰা হ'লো, ৰজাৰ সন্তান হ'লো, কিন্তু, ৰাজসিংহাসনত উঠা মোৰ ভাগ্যত নাছিল। সেই বাবেই ৰাজসিংহাসনত উঠিবলৈ নেপালো। কীৰ্ত্তিচন্দ্ৰ কেৱল, নিমিত্ত হে হ'ল! গোটেই জীৱনকে এক প্ৰকাৰ শাস্তিত নামৰূপৰ হাবিত কটালোঁ। —আকৌ মোৰ কি হৈছিল, ৰাজসিংহাসনৰ সপোন দেখিবলৈ। —মৰাণৰ আচাৰ-বিচাৰ-ধৰ্ম্ম একোতেই আমাৰ মিল নাই। তথাপি, মই ইমান মূৰ্খ; একেবাৰ মুখৰ কথাতে মৰাণক বিশ্বাস কৰিলো। সেই সময়ত, অকনো মোৰ মনলৈ নাহিল. যাৰ লগত, মোৰ অলপো মিল নাই, সি কিয় মোক আপোন বুলি ল'ব! মোকেই ৰজা পাতিম বুলি মৰাণে দেশখন ৰবালে; ৰাজ-বাহিনীৰ গুৰিয়াল, বিচক্ষণ সেনাপতি হৰনাথ ভিতৰুৱাল ফুকনকো মোৰ হতুৱায়ে ধৰালে। ধন্য মৰাণ, তইঁতৰ কুটবুদ্ধি! ৰণ জয়ৰ লগে-লগেই ৰাজপুত্ৰ সকল মৃত্যুৰ কোলাত! তেওঁবিলাকৰ মৃত্যু আজিও সন্দেহজনক, অযোগ্যৰ হাতত অস্ত্ৰ দি আজি কি কৰিলো! সেইদিনা, এদিন কেৱল সিংহাসন হে হেৰুৱাইছিলো; তাকো অকল মই নিজে।

আজি কিন্তু, ক্খাতি, জ্ঞাতি, দেশ তিনিওকো হেৰুৱালো। মোৰ নিজৰ পাপত।

(এনেতে আনফালৰ পৰা কেৰলীয়া ভকত আহে।)

কেৰলীয়া ভকত :—কোৱৰ, অকল আপোনাৰেই নহয়, আমাৰো! পাপৰ ভাগী আমিও! এক কীৰ্ত্তিচন্দ্ৰক ধ্বংস কৰিবলৈ চাওতে, আমি ইমান অন্ধ হ'লো; নিজৰ জ্ঞাতি, জাতি, দেশ সকলোলৈকে পাহৰিলো। মৰাণে, আজি অকল মৰাণৰ বাহিৰে, দেশৰ কাৰো মান-ইজ্জত ৰক্ষা কৰা নাই! সামান্য কাকতলীয়া মৰাণ-ৰাঘৱ, সিও মনিপুৰীয়া আই-কুৰঙ্গীক লৈ এশ ভাৰ্য্যাৰ স্বামী হৈ, তাৰ বৰবকৰা খিতাপৰ বাহাদুৰী কৰিছে! এয়ে মৰাণৰ ৰাজ-নীতি! কোৱৰ, দেশ ধ্বংস হ'ব, অসমীয়াৰ নাম লুপ্ত হ'ব, মৰাণ আকৌ কাকতলৈকে ঘূৰি যাব,—পাপ আজ্জিলো আমি, মৰাণক সহায় কৰোতা সকলে!

মোহনমালা :—কোন তুমি? তোমাক চিনে চিনো কৰিছে। কোন তুমি বন্ধু!

কেৰলীয়া ভকত :—কোৱৰ, মই! মই সেই তোমাৰ বাল্য-বন্ধু—ফুকন! যাক এদিন কীৰ্ত্তিচন্দ্ৰই তোমাৰ লগত বন্ধুত্ব আছে বুলি, চ'ৰাৰ বিষয়ধন কাঢ়ি লৈ নগৰৰ পৰা বাহিৰ কৰি দিছিল!

মোহনমালা :—(ভকতক সাবতি ধৰি) ক্ষমা কৰা, ক্ষমা কৰা, বন্ধু! ভাগ্য বিপৰ্য্যয়ত মোৰ সকলো স্মৃতি লুপ্ত হৈছে। ঈশ্বৰৰ কি কৰুণা, আজি এই জীৱনৰ শেষ মুহূৰ্ত্তত, মোৰ সেই প্ৰিয় বন্ধুক লগ পালো! বন্ধু, ইমান বিপদৰ পাছত,

কিজানি বা মোৰ মৃত্যু সুখৰ হ'ব। ফুকন, ফুকন, মোৰ প্ৰিয় বন্ধু ফুকন! আকাশত চাঙ পাতি, দিনৰ সপোন দেখি, নিজৰ বিবেকক আনৰ হাতত বলি দি, সেই দিনা ভাবিছিলো কি? ভাবিছিলো, স্বেচ্ছাচাৰী কীৰ্ত্তিচন্দ্ৰক ধ্বংস কৰি, ৰাজ-চৰা আৰু সিংহাসন হাতত লৈ, অসমত নতুন ৰাজনীতি প্ৰবৰ্ত্তন কৰিম! প্ৰজাসকলক জানিবলৈ দিম, এই দেশত যাৰেই জন্ম তাৰেই স্বত্ব। ন্যায়সোধা ফুকনৰ বিচাৰত ৰজা, প্ৰজা, বিষয়া সকলোৱেই ন্যায় বিচাৰ পাব। ৰজা মাথোন এজন প্ৰজাৰ যাই কৰ্ম্মচাৰী হিচাপে সিংহাসনত বহি, প্ৰজাৰ মঙ্গলৰ অৰ্থে ৰাজ চ'ৰাৰ কাৰ্য্য আৰু নীতিৰ শুৰি ধৰিব। ধৰ্ম্ম-বিদ্বেষ দেশত থাকিবলৈ দিয়া ন'হব। শাক্ত-বৈষ্ণৱ উভয়কে ৰাজনীতিত সমান অধিকাৰ দিয়া হ'ব। নিৰ্য্যাতীত মৰাণ জাতিকো সকলো প্ৰজাৰ সম-অধিকাৰ দিয়া হ'ব। বন্ধু, মৰাণৰ কুটিলতাত, মোৰ এই সপোনৰ জালখন, কোনোবা পছোৱাত কেনিবা দি উৰি গ'ল! পুত্ৰ-পৰিয়াল সকলো হেৰুৱালো। মোৰ শুকান প্ৰাণত ৰস দিওতা মোৰ তোলনীয়া আদ-বলিয়া ছোৱালীজনীও কৰবালৈ বলিয়া হৈ গুচি গ'ল! জীৱন আজি মোৰ সৰ্ব্বস্বান্ত! মোৰ এতিয়া মৃত্যুৱেই শ্ৰেয়ঃ!—

কেহলীয়া ভকত :—কোৱৰ সেই একেটা সপোনতে, মৰাণৰ সহায়কাৰী মাত্ৰয়ে অন্ধ হৈছিল। নহ'লে নো—

মোহনমালা :—বন্ধু, বন্ধু, এই জীৱনৰ আবেলি পৰত, সৰ্ব্বস্বান্ত হৈ নিজৰ ঘৰত নিজে জুই দি, সেই জুই আৰু চাব নোৱাৰো!

—এই কুৰা ভুই চাবলৈ মোৰ শক্তি নাই, সাধ্য নাই, প্ৰাণ নাই! —মই প্ৰাণহীন এটা মৰা-শ! কিন্তু, বন্ধু, এই আধা-মৃত অৱস্থাতো এটা শিক্ষা পালো। মোক দেখি মানুহে বুজিব, মানুহ যিমানেই দুখ-কষ্টত পৰক, যিমানেই আত্মীয়ৰ পৰা নিৰ্য্যাতন সহক, তথাপি নিজৰ বংশৰ জাতিৰ বিপক্ষে, পৰ জাতিৰ লগত মিল হৈ, নিজৰ জাতিৰ বংশৰ বিপক্ষাচৰণ কৰিব নেপায়। তাৰ ফল—তাৰ সাক্ষী মই এই নৰাধম, ইন্দ্ৰবংশী আহোমৰ কুল-কণ্টক, ঘোৰ পাপী-মোহনমালা! —বন্ধু, বিদায়, বিদায়, মই কোনোবা নৰকৰ অন্ধ-কুপত সোমাই মোৰ স্বকৃত পাপৰ প্ৰায়শ্চিত্ত স্বৰূপে, এই পাপ দেহা বিসৰ্জ্জন দিওঁগে, দিওঁগে! (বেগেৰে ওলাই যায়।)

কেৱলীয়া ভকত:—কোৱৰ, কোৱৰ, মোকো লৈ যোৱা, মোকো লৈ যোৱা, তোমাৰ লগতেই মোৰো এই পাপ দেহা অন্ত পৰক!

(কোৱৰৰ পাছে২ লৰি যায়।)

পঞ্চম পট।

ৰংপুৰ নগৰৰ—ৰাজকাৰেং

ৰৰবৰুৱাৰ ভোল—ভিতৰ চ'ৰা।

সময়—সন্ধ্যা লাগিছে।

(কুৰঙ্গনয়নী আৰু ৰামকৃষ্ণাই দুয়ো কথা পাতি পাতি সোমাই আহে।)

কুৰঙ্গনয়নী :—তামুলি, তোমালোকৰ উদ্যম সফল হওক! ঈশ্বৰ-ঈশ্বৰী তোমালোকৰ সহায় হওক! তুমি মুহূৰ্ত্তলৈকো বিশ্বাস নকৰিবা, বাঘবৰুক পতি স্বৰূপে গাভৰুইতে শ্ৰদ্ধা কৰিছে বুলি। —ক'ত বুদ্ধিৰে যে বাঘবৰুক মই স্বামী বৰিম বুলি, দিনৰ পাছত দিন কটাই আহিছো, তাক মই বৰ্ণাবলৈ অক্ষম! উপায় নাই, জালত সিংহিনী আজি বন্দী!

ৰামকৃষ্ণাই :—আই কুৱৰি, আমাৰ ডা-ডাঙৰীয়াসকলৰ বাতৰি সকলো জনোৱা হ'ল। আমাৰ সকলো জাতৰ সকলো শ্ৰেণীৰ মানুহেই মৰাণৰ বিপক্ষে থিয় হৈছে। আমাৰ আয়োজন প্ৰায় সম্পূৰ্ণ!—বহাগৰ বিহুলৈ আৰু মাজতে পোন্ধৰ দিন। বিহুৰ দিনা মৰাণৰ ডেকাবিলাক বিহুত মতলীয়া হৈ থাকিব। আমি সেই সুযোগতে বিহুৰ দিনা গধূলি, কাৰেঙত হুচৰি গাবলৈ আহিম। তাৰ পাচত আমাৰ মন্ত্ৰণা মতে, আই কুৱৰী সাজু হলেই, আমাৰ কাৰ্য্যসিদ্ধি হব।

কুৰঙ্গনয়নী :—তামুলি, সকতে সাধু কথাত শুনিছিলো, বাঘিনীক শিয়ালে ভাবুকি দিছিল বুলি। মোৰ ভাগ্যৰ ফেৰত, সেই সাধুকথা আজি মোৰ গাতেই ফলিয়াইছে।—তামুলি, নিৰ্ভয়ে যোৱা।

ডাঙৰীয়াসকলক মোৰ কথা কবাগৈ। কাৰ্য্যসিদ্ধি হ'ব। আৰু এই কেইদিনৰ বা-বাতিৰি দি থাকিবা।

ৰামকৃষ্ণাই :—যনাই আহিলে, জানোবা—।

কুৰঙ্গনয়নী :—ব্ৰাহ্মণ, তোমালৈ মৰাণৰ দুৱাৰো মুকলি। মৰাণৰ এই কেৰা অন্ততঃ জ্ঞান আছে, ব্ৰাহ্মণে আশীৰ্ব্বাদ হে দিয়ে, অস্ত্ৰ নধৰে! যোৱা, তামুলি, ঈশ্বৰ-ঈশ্বৰী তোমালোকৰ সহায় হওক।

ৰামকৃষ্ণাই :—আই কুৱঁৰী, তেন্তে আজিলৈ বিদায়।

(ৰামকৃষ্ণাই ওলাই যায়।)

(ভিতৰত লাহে লাহে গান-বাজনা হয়।)

কুৰঙ্গনয়নী :—দেৱতাৰ আসন আজি পিষাশে কলুষিত কৰিলে। সিংহিনীক লৈ শিয়ালৰ ধেমালি। —অকাতৰে সহ্য কৰিছো, কিহৰ বাবে? প্ৰবল প্ৰতাপী ইন্দ্ৰবংশী ৰাজকুল ৰক্ষা কৰিবলৈ! মোৰ এই সামান্য দেহা নিপাত হ'ব পাৰে, হওক! যিহৰ বাবে আজি ইমান দিনে,—কত মায়াৰ মায়াবিনী সাজি, দুৰ্দ্দান্ত বাঘৰক মিছা সপোনৰ এনা-জৰিৰে বান্ধি থৈছো; ৰাজকন্যা, ৰাজৰাণী হৈ সামান্য মৰাণৰ ভোগৰ নৈবিদ্য সজাই দিছোঁ, সি কি অৰাবতেই, বতাহৰ লগত উৰি যাব? নোৱাৰে! কামৰূপা মহামায়াৰ দেশত, সেইদিনা মহামায়াৰ সংহাৰ মূৰ্ত্তি ধাৰণ কৰিম! জগতক দেখুৱাম,—তিৰোতা ছোৱালী, তিৰোতা প্ৰেয়সী, তিৰোতা ঘৰিণী আৰু সেই তিৰোতায়ে ধ্বংসৰ লীলাত কৰালবদনী কালী!

(লাহে ২ গান-বাজনা কৰি ২ মণিপুৰী নাচনী আৰু কালুগঞা নটী সোমাই আহে)।

—এয়া, আৰু এক ভূমিকা! দুৰ্দান্ত মৰাণ ৰাঘৱক তুষ্ট কৰিবলৈ, এতিয়া মই সাজিব লাগিব, প্ৰেমময়ী ৰাধিকা! বাহ্, ধন্য তিৰোতাৰ জীৱন! তিৰোতা তোৰ হিয়া ফুলৰ নে শীলৰ! —তোৰ নাৰী ভূমিকাত তোক চিনে কোনে? —এয়ে মোৰ নাৰীত্ব!

(এনেতে নাচনীবিলাক সোমাই আহে)।

গীত।

নাচনীবিলাক :—

ঐ তটিনি—।

শিল ভাঙিছ, বুকু ভাঙিছ

ভৈয়ামত কি বিচাৰিছ!

তোৰ বুকুতেই ঢৌ উঠিছে

ঢৌ ভাগিছে, কি বিচাৰিছ!

তোৰ বুকুতেই মণি-মুকুতা

তোৰ বুকুতেই প্ৰেম সফুৰা

—আৰু তই কি বিচাৰিছ, বিচাৰিছ,

ঐ তটিনি,—কি বিচাৰিছ!

(গীত-বাদ্যৰ লগে লগেই, কেইজনীমান নিগিৰীৰ সৈতে ৰাঘৱ সোমাই আহে।)

কুৰঙ্গনয়নী :—(আগবাঢ়ি) আহক, আহক বৰবৰুৱা ডাঙৰীয়া গোটেই দিনৰ অশেষ পৰিশ্ৰমত ক্লান্ত হৈ থকা দেহাত এই সুন্দৰ নৃত্য-গীতৰ ক্ষন্তেক বিৰাম লভকহি।

ৰাঘৱ :—কুৰবি, দুৰ্জ্জয় ৰণত জয়ী হলো, এশ ভাৰ্য্যাৰ স্বামী হ'লো, অসম সিংহাসনৰ অভিভাৱক হ'লো। —অসমত আজি

এনে কোনো প্ৰাণী নাই, যি ৰৰৰকৰা ৰাঘৱৰ ইঙ্গিতৰ বিপক্ষে থিয় দিব পাৰে! কিন্তু, কুঁৱৰি একমাত্ৰ তুমিয়েই অসমৰ বীৰ-চুৰামণি ৰাঘৱক বশ কৰি থৈছা! —কোৱা কোৱা কুঁৱৰি, আমাৰ মধু-পূৰ্ণিমালৈ আৰু কিমান দিন আছে? আৰু কিমান দিনৰ মূৰত মোৰ প্ৰাণৰ আকাঙ্ক্ষা পূৰণ হ'ব?—সেই শুভদিনলৈ আৰু কেইদিন আছে? যি দিনা মোৰ অঙ্কশায়িনী প্ৰিয়তমে বুলি তোমাক সম্বোধন কৰিবলৈ পাম! কুঁৱৰি, কুঁৱৰি প্ৰাণে মোৰ নেমানে! কোৱা সেই শুভ দিনলৈ আৰু কেইদিন আছে?

কুৰঙ্গনয়নী :—সেনাপতি, আপুনি মোৰ ব্ৰতৰ কথা জানে! বহাগ বিহুৰ দুদিনৰ পাচত, মোৰ ব্ৰত শেষ হ'ব।—তেতিয়া আৰু আপোনাৰ ইচ্ছাৰ বিৰুদ্ধে মই কেতিয়াও থিয় নিদিওঁ। বীৰমণি আপোনাৰ মঙ্গলৰ বাবেই মৰাণ জাতিৰ কল্যাণৰ বাবেই, মোৰ ব্ৰত পালনৰ এই সামান্য দিন কেইটাত ব্যাঘাত নকৰে যেন!

ৰাঘৱ :—কেতিয়াও নকৰোঁ, কুঁৱৰি, কেতিয়াও ব্যাঘাত নকৰোঁ। বহু ভাগ্যৰ ফলত, জগতৰ সুন্দৰী মণিপুৰ জীয়াৰী, মোৰ আজি ভাবী পত্নী। ভাবিবলৈও সুখ লাগে, কুঁৱৰি—!

কুৰঙ্গনয়নী :—ৰৰৰকৰাদেও কন্তেক জিৰণি লওক। গাভৰুইঁতে মধুৰ নৃত্য-গীতেৰে, সেনাপতিক প্ৰিয় সম্ভাষণ জনাওক।

(কুৰঙ্গনয়নীৰ ইঙ্গিতত, নাচনীইঁতে গীত ধৰে, ৰাঘৱে গীতত মুগ্ধ হৈ চাই থাকে।)

নাচনীবিলাক :—

গীত।

আমাৰ ফুলনীৰ গোলাপ ফুলত।
কলিয়া ভোমোৰা বলিয়া গোৰত ॥
পচিমৰ ডাৱৰে,
আকাশ আবৰে,
নুবুজে ভোমোৰাই অন্ধ প্ৰেমত ॥
তিতিৰ বুৰিব,
কাইটে বিন্ধিব—,
প্ৰেম-প্ৰণয়ৰ মিলন পথত ॥

ষষ্ঠ পট।

ৰংপুৰ নগৰ—ভোগবাৰী।

সময়—মাজৰাতি।

(বাইলুং গোহাঁই, কুৰৈগয়া গোহাঁই হাজৰিকা, বকতিয়ালৰ ভদ্ৰসেন, নেওগ-গোহাঁই ডেকা, লাই-সন্দিকৈৰ বাঘমুৰা, কহন হাজৰিকা, ডাঙৰীয়া, কেইঘৰৰ পো-পোৱালীবিলাক, কাকতী, কটকী খেলৰ লোকসকল আৰু আন আন জাতিৰ কিছুমান লোক—একেলগ হৈ কথোপকথন কৰে।)

বাইলুং গোহাঁই :—যি কালত স্বৰ্গদেও চুকাফা এই দেশত সোমালহি, সেই কালৰ পৰাই ৰজাৰ গোষ্ঠিহে এই দেশত ৰজা হৈ আছিছে। মৰাণে কৈছিল ৰৰজনা গোহাঁইৰ পুতেকহে ৰজা হৈছে বুলি। —এতিয়া দেখোন মৰাণেই স্বতন্ত্ৰ ৰজা হয়। স্বৰ্গদেও লক্ষ্মীসিংহকো ৰৰদোলত বন্দী কৰিলে।

নেওগ-গোহাঁই ডেকা :—আৰু শুনিছো, নাহৰ মৰাণৰ ঘৈণীয়েক ৰুক্মিণীয়ে সৈন্য-সামন্তৰে গুৱাহাটী চহৰখনো লবলৈ গৈছে। এতিয়া দেশৰ ৰাজক্ষমতা আহোমৰ হাতৰ পৰা মৰাণৰ হাতলৈ যাবনে কি?

সন্দিকৈৰ বাঘমুৰা :—এতিয়া, এইবিলাক কথা পোহাৰি, ভাবি থাকিবৰ সময় নাই। আজি দহ-দিন একে কথাকেই ঘূৰাই ঘূৰাই আলচ কৰা হৈছে। —আমি জানি থোৱা উচিত, মৰাণে সিংহাসন ন'লৈহি, আমাৰ সহায়তহে! কেইঘৰমান ডা-ডাঙৰীয়া আৰু বিষয়াই ৰাজকীয় ক্ষমতা নিকপ্‌-কপিয়াকৈ নিজৰ হাতত ধৰি থোৱাৰ বাবেই, অসমৰ সকলো জাতিয়েই

মৰাণক সিংহাসন লোৱাৰ পথ উজু কৰি দিলে।—হাতে-হাতে নিজৰ কৰ্ম্মফল লাভ কৰিও আমাৰ চেতন নহ'ব নে?

গোহাঁই হাজৰিকা :—আমাৰ চেতন হৈছে বুলিয়েই তো, আজি ইয়াত সকলো গোট খাইছোঁহি।—অকল আহোমেই নহয়, অসমৰ সকলো জাতিৰ সন্তান আজি ইয়াত। ব্ৰাহ্মণ, কায়স্থ, কোচ, কেওট, কলিতা, চুতিয়া, আহোম সকলোৱেই আজি ইয়াত এক হৈ বহিছে। এটা উদ্দেশ্য লৈ।—মৰাণে ভাঙি অহা দেশখন আকৌ উদ্ধাৰ কৰি, স্বৰ্গদেও ৰুদ্ৰসিংহৰ দিনৰ দৰে দেশখন আকৌ জয়-জয়-ময়-ময় কৰি তুলিবলৈ।—এতিয়া মৰাণক নগৰৰ পৰা খেদিব লাগে, স্বৰ্গদেও লক্ষ্মীসিংহক আকৌ সিংহাসনত বহুৱাব লাগে।

(এনেতে বাঘকুঁৱাই সোমাই আহে।)

বাঘকুঁৱাই :—নিশ্চয় বহুৱাব লাগে।

গোহাঁই হাজৰিকা :—আমাৰ যুক্তিমতে কাৰ্য্যসিদ্ধি হ'ব নে, তামুলি! মগলু কুৱৰীয়ে আমাৰ কথামতে কাৰ্য্য কৰিব নে?

বাঘকুঁৱাই :—হ'তো, অকনিও কথাৰ সুকঙা থৈ অহা নাই। মগলু কুৱৰী আৰু মই দুয়ো বাঘৰক ধৰিবলৈ শপথ খাইছো। উত্তৰপৰীয়া কহন হাজৰিকাই নাহৰক ধৰিবলৈ আগেয়ে শপথ খাই থৈছে। —আমাৰ কাৰ্য্যসিদ্ধিৰ মুহূৰ্ত্তৰ পাচতেই, সকলোৱে মিলি মৰাণৰ ৰজা-ৰমানন্দক ধৰিমগৈ!—বৰ্ত্তমান আই কুৱৰীৰ লগত ইয়াকেই মন্ত্ৰণা কৰি আহিছো।

গোহাঁই হাজৰিকা :—উত্তম, উত্তম কথা, তামুলি! আমি এতিয়া সাজু হ'ব লাগে।

বাইলুং গোহাঁই :—নিশ্চয়, সাজু হ'ব লাগে! ইমান দূৰ আগবাঢ়ি এতিয়া পাছ হুহকিম নে? নগৰখন মৰাণে বেৰি আছে। এনেস্থলত, অসংখ্য মৰাণৰ বিপক্ষে যুঁজিব লাগিব যেতিয়া, আমি কোনেও কাকো এৰা-এৰি ন'হবলৈ, প্ৰতিজ্ঞা কৰি লওঁ, আহক।

গোহাঁই হাজৰিকা :—ভাল কথা, শুনক, শুনক,—আমি, এই ভোগবাৰীত আজি গোটখাইছো,—অসমৰ সকলো জাতিৰ, সকলোখেলৰ লোকসকল। আমি সকলোৱেই ভালকৈয়ে জানো, মৰাণক খেদিবলৈ, আমি বহুতেই নিজৰ প্ৰাণ বলি দিব লাগিব। তথাপি, নিজৰ প্ৰাণ বলি দিম, আমি নিজে সিংহাসনত উঠিবলৈ নহয়। আৰু, আমি ইয়াকো জানো, আমি ৰজাৰ ভ'ৰিত পৰি মৃত্যুলৈ আগবাঢ়ি অহা নাই। কিয় আজি আমাৰ প্ৰাণ অকাতৰে ৰণচণ্ডীৰ আগত আগবঢ়াই দিছো!—দিছো আমি এটা কাৰণত, আমাৰ জন্মভূমি সুজলা-সুফলা দেশখন ধ্বংসৰ পৰা ৰক্ষা কৰিবলৈ। —আপোনালোকে বুজি ল'ব, আহোম ৰাজ-বংশতকৈ, মৰাণে যদি দেশখন উন্নতকৈ চলাবলৈ প্ৰমাণ দিব পাৰিলেহেঁতেন, তেন্তে কামৰূপা অসমৰ অন্যান্য ৰাজবংশবিলাক পৰি যোৱাৰ দৰেই, আজি আহোম ৰাজবংশও পৰি গ'লহেঁতেন। মৰাণকেই, আপোনালোকে কিয়, আমি আহোম কেইঘৰেও, আমাৰ দেশৰ ৰজা বুলি স্বীকাৰ কৰিলোহেঁতেন। মৰাণে দেশৰ মান-মৰ্য্যাদা নষ্ট কৰিছে বুলিয়েই, সিংহাসন উদ্ধাৰ কৰিবলৈ আমি সকলোটি ইয়াত সমবেত হৈছোহি— স্বৰ্গদেও লক্ষ্মীসিংহৰ নিমিত্তে নহয়,

ডাঙৰীয়া কেইখৰৰ নিমিত্তে নহয়, আহোম জাতিৰ নিমিত্তে নহয়,—গোটেই বিৰাত অসমীয়া জাতিৰ নিমিত্তে, আমাৰ জন্মভূমি সুজলা-সুফলা কামৰূপা এই দেশখনৰ নিমিত্তে। নহ'লে নো, আজি কাৰ মধুৰ আকৰ্ষণত সকলোৱেই স্ব-ইচ্ছাৰে মৃত্যুক আলিঙ্গন কৰিবলৈ আগবাঢ়িছো!—আহক, একে উদ্দেশ্যেই, আমি সকলোৱেই অঙ্গীকাৰ কৰো—!

ৰামকৃষ্ণাই :—বুজিবলৈ আৰু কিবা বাকী আছে নে, আমাৰ জন্মভূমিৰ মান-মৰ্য্যাদাৰ বাবে আমি সকলোৱেই যে দায়ী!—দেশৰ গৌৰৱ ৰক্ষা কৰিবলৈ হ'লে, আমাক যোগ্য ৰজা, যোগ্য বিষয়া আৰু যোগ্য শাসন লাগে। আমি এতিয়া মহান কাৰ্য্যত আগবাঢ়িবলৈ সকলোৱে একেসঙ্গে শপথ লওঁ, আহক!

(সকলোৱেই আঠুলৈ শপথ লয়।)

—আমি সকলোৱেই, ত্ৰিদশৰ দেৱতাক সাক্ষী কৰি, ইষ্টগুৰুক স্মৰণ কৰি, শপথ কৰিলো, দেশ-মাতৃকাক, অশিক্ষিত মৰাণৰ হাতৰ পৰা উদ্ধাৰ কৰিবলৈ, আমাৰ প্ৰাণ বলি দিওঁ, ৰণ দিম। সন্মুখ ৰণত কোনেও কাকো নেৰিম! ইয়াৰ অন্যথা হ'লে, আমি দেশদ্ৰোহী ঘোৰ পাতকী হৈ, জন্ম-জন্মান্তৰলৈ চৌৰাশী নৰকত গেলি গেলি পচিম। আমি কোনো কালেই দেশ-দ্ৰোহী পাপৰ পৰা মুক্তি নেপাম।—আমাৰ প্ৰতিজ্ঞা আজি ত্ৰিদশে শুনক, জগতে শুনক, আই-মাতৃকা অসমৰ পানী-মাটিয়ে শুনক—!

সপ্তম পট।

ৰংপুৰ নগৰ।

ৰঁৰিকা দুৱাৰ।

সময় আবেলি।

(আউলী-জাউলী বেশে ৰূপহীয়ে হাহি' নাচি, কান্দি, গীত গাই গাই আছে। ৰাজ-হাউলিৰ ফালৰ পৰা বিহুধৰ 'ওলাই আছে।)

ৰূপহী :—হাঃ, হাঃ, হাঃ, আপুনি কোন? কোন আপুনি? আপুনি আমাৰ দেউতাক চিনি পায় নে? নিশ্চয় পায়, কওকচোন, কওক, দেউতা কেনি গ'ল? দেউতা দেখোন ঘৰত নাই! হেৰি, নকয় নহয় নে! গান গাও, শুনক!—

গীত

ঢোল বায় ক'ত,—ৰতনপুৰত।
তাল বায় ক'ত,—ৰতনপুৰত॥
পাছে,—ৰ'দে-বৰষুণে
বিয়াখন হৈছে
থৰা শিয়ালৰ ঘৰত॥

এতিয়া বুজিলে নে?

বিহুধৰ :—(নিজে ২) কি অ! বলিয়া নে ভাল! দেখোতে দেখোন ভাল গাভৰু জনী!

ৰূপহী :—অ' বুবুজিলে! শুনক, শুনক, ভাল সাধু কথা! এই দেশখনত তাহানি ৰৰ ডাঙৰ ডাঙৰ ৰজা আছিল। একোটা ৰৰ

বিয়াগোম, বিয়াগোম! সিহঁতৰ নগৰখনৰ নাম আছিল ৰতনপুৰ। ৰজা মোৰ মৰি অন্ত হ'ল! দুইতে নগৰখন পুতি চাপৰি কৰিলে। তাত এতিয়া দিনৌ শিয়ালে হোৱা দিয়ে! বুজিলে নে? বুজিলে নে? এতিয়া কওক, আমাৰ দেউতা কেনি গ'ল! নকয় নে? দেউতাক বেয়া পায় নে কি? দেউতা দেখোন বৰ ভাল মানুহ! বাক, নকয় যদি নেলাগে! দেউতাক বিচাৰি দিহিঙত বুৰ দিওঁগৈ. পানীত যদি লুকাই আছে, উলিয়াওঁগৈ। অ' মোৰ সহায় নগা-ডেকা ক'লৈ গ'ল! দেউতাক বিচাৰি যাও. আহা! দেউতা, দেউতা, নগা-ডেকা আহিছে।

বিহুধৰ:—কি কৈছে, এই জনীয়ে! একো নুবুজো।

ৰূপহী:—দেহি ঐ,

কাউৰি প'ল,
গধূলি হ'ল,
আমাৰে চাউল কথা
মুকলি হ'ল
দেহি ঐ, কাম চৰাইৰ ৰঙা ঠোঁট.
তাতে মাৰে সেন্দুৰ ফোট;
পিতাদেউ ঐ দেউতা ঐ
দুৰলৈ নিদিবা মোক॥

—নহয়, নহয়, এইবোৰ বেয়া! ভাল নাম গাওঁ! মোৰ গীত দেউতাই ভাল পায়; নগা-ডেকাইও সোৱাদ পায়। মোৰ গীত শুনিলেই তেওঁবিলাক আহিব। নাহে যদি নাহক। গীত গাই গাই গৈ থাকো।

—নিগণি শলিয়াৰ হালখন জুৰিলে,
ৰাম ৰাম মেকুৰীৰ জুৰিলে মৈ।
চুকৰ তেকুলিয়ে লৰি আহিছে
ৰাম ৰাম কান্ধতে বুটি কোৰ লৈ॥

—নহয়, নহয়, এইদৰে হে—!

খায় মাটি ঘৰত,
শোৱে চাঙ ঘৰত,
মেল কৰে জখলাৰ মুখত।
ৰাৰ কেলেহুৱাই
মেলখন মাৰিছে,
স্বৰ্গদেওৰ শোৱনি ঘৰত॥

—হাঃ হাঃ হাঃ—(হাঁহি ২ লৰি ওলাই যায়)।

বিহুধৰ :—(ৰূপহীলৈ চাই ২)—অ' এতিয়া মনত পৰিছে। সেইদিনা ৰবৰকৰাৰ চ'ৰাত লগ পোৱা বলিয়ানীজনী! —ইমান ধুনীয়া গাভৰুজনী বলিয়া হ'ল কিয়?

(এনেতে আনফালৰ পৰা মদন কাকতী-বৰা আহে।)

কাকতী-বৰা :—ফুকন নো, কোন ফালে ওলালে? বিষয়-বাসনা পোৱাৰ পৰা ফুকনক দেখাকে পাবলৈ নাইকিয়া হল!

বিহুধৰ :—স'চাকৈয়ে ফুকনৰ বিষয়খন বৰ গধুৰ। প্ৰতি কথাটোকে ইমান ভাবিব লাগে! —পাছে, মোৰ ভাগ্য ভাল, আমাৰ তেওঁ জানিবা, নাকটো মোহাৰিলেই বুধিটো পায়! তেওঁৰ বুধিতেহে চাউল কথা বৈছে!

কাকতী-বৰা :—পাছে, কাৰেঙৰ ভিতৰৰ খবৰ একা!

বিহুধৰ :—এনেকৈ হওঁতে সকলো পিনেই ভাল, —পাছে, মোৰ কপাল বেয়া, ইমান ডাঙৰ হৈও, একো কৰিব নোৱাৰিলো। কথাটো মনত পৰিলেই, গাটোত ইছাত্‌-বিছাত্‌ লাগে! —জানিছেই নহয়, মগলু-কুঁৱৰীৰ কথা!

কাকতী-বৰা :—সেইটো কথাও ইমান ডাঙৰ হ'ল নে? ৰজাৰ ভিতৰ চ'ৰাৰ গৰাকী হৈও ইমান ভাবিব লাগে নে?

বিহুধৰ :—উপায় যে নাই! তাই, যি হে নাচ-গান জানে; নাচ-গানতেই সকলোকে মুহি থয়! ৰৰবৰুৱাৰ আকৌ তাই-তে হে চকু! তাইক এতিয়া কুঁৱৰী ভাঙি বেটী কৰা দূৰৰ কথাই; উলটি মোলৈ নহনিয়ালেই ৰক্ষা! —ভাগ্য, ভাগ্য!

কাকতী-বৰা :—বৰ কথাটো ফুকন! কেইদিন লৈ! মোৰ লগত অলপ পৰামৰ্শ কৰিবচোন, —চোৱা যাব!

বিহুধৰ :—হয় নে কাকতী-বৰা! কিবা উপকাৰ কৰিব পাৰিলে, আপোনাক মই জনমে জনমে নেপাহৰো! —আহকচোন ঘৰলৈকে যাওঁ, আলিত নো থিয় হৈ কি কৰে!

(বুলি দুয়ো লাহে ২ ওলাই যায়।)

অষ্টম পট।

বংপুৰ নগৰ।

সিংহদুৱাৰৰ মুখ—বৰ আলি।

সময়—বেলি পৰো পৰো!

(দূৰণিত পেপা বজোৱা শুনা যায়।) (এনেতে কেইটামান বিহুৱা ডেকাই বেগাবেগিকৈ পাৰহৈ যায়।) (অলপ পাচতে, এটা ডেকাই ঢোল আৰু এটা ডেকাই পেপা লৈ সোমাই আহে।)

১ম ডেকা :—নকৈছো, এই মৰাণৰ মুচিয়াৰ কেইটাৰ সমান আৰু নাই! মাঘৰ বিহুতেই ঢোলটো চাবলৈ দিলো, আজি বিহুৰ দিনাহে কোনোমতে ঢোলটো পাইছো। —মই বোলো ঢোলটো বিহু-চেৰা হয় হে!

২য় ডেকা :—(পেপাটো মুখেৰে টিট্-টিট্কৈ বজাই)—বাৰু, এইবাৰনো ৰাইজে, কাৰ ঘৰতনো হুচৰিৰ প্ৰথম চাপৰ দিম বুলিছে!

১ম ডেকা :—কেলেই,—কালি ৰাইজে কোৱা শুনা নাই জানো, মেধীৰ ঘৰতেই সকলো গোট খাম বুলিছে! তাৰ পাচত নগৰলৈ আহিম! —বাৰু নাম এটাকে ধৰচোন, পেপাৰ সুৰত গাবি দেই—!

২য় ডেকা :—গাবলৈ কৈছু ৰে, বাৰু গাও। পাছে তয়ো ধৰিবি!

মাথি মূৰে কাটি ঢোলটি কাটিলো,
পিপৰা ছালেৰে চালো;
জেনুকৰ ছালেৰে বৰতি কাটিলো
ফৰিঙৰ ঠেঙেৰে বালো।

(দুয়ো পেপা বজাই ২ ওলাই যায়।)

(পচিমত বেলি পৰে, আন্ধাৰ হৈ আছে।—এনেতে সিংহদুৱাৰৰ মুখত, গোহাঁই হাজৰিকা, বাইলুং গোহাঁই, বামকুমাই, কহন হাজৰিকা, কাকতীসকল, কটকীসকল আৰু অন্যান্য বিষয়াসকলে কাপোৰৰ তলত তৰোৱাল লৈ, হাতে হাতে ঢোল, পেপা লৈ হুচৰি গোৱাৰ জোৰা হৈ ওলাই আহে।)

গোহাঁই হাজৰিকা:—দেশৰ সন্তানসকল, দেশ আজি আপোনালোকৰ নিজৰ হাতৰ মুঠিত! এই দেশত যাৰেই জন্ম, সেয়ে দেশৰ গৌৰৱ আৰু সন্মানৰ বাবে দায়ী! —আমিও দেশৰ সন্তান, মৰাণহঁতো দেশৰ সন্তান! —অশিক্ষিত সন্তান মৰাণৰ হাতত দেশৰ গৌৰৱ নষ্ট কৰিবলৈ দিব নোৱাৰি, —মৰাণৰ ব্যভিচাৰ আৰু অত্যাচাৰত দেশ বহুত দুৰ্ব্বল হ'ল। অথচ, অসমৰ সীমান্তত বিজাতিৰ সিংহ-গৰ্জ্জন সঘনে উঠিছে। প্ৰতি মুহূৰ্ত্ততে বিদেশীয়ে অসমত সোমোৱাৰ সম্ভৱ আছে। —আজিৰ অৱস্থাত, দেশে বিদেশীৰ আক্ৰমণ ওকোৱাব পাৰিব নে? আমাৰ জন্ম কালিনত, পূৰ্ব্বপুৰুষ সকলৰ অক্ষয় গৌৰৱ নষ্ট হবলৈ দিলে, আমাৰ কল্যাণ হ'ব নে? —এনে দেশৰ সন্ধিক্ষণত, ৰজা-প্ৰজা, ডাঙৰীয়া বিষয়া, চহকী-দুখীয়া, বৈষ্ণৱ-শাক্ত—একোৰেই প্ৰভেদ থাকিব নোৱাৰে। দেশৰ মঙ্গলৰ বাবে, আমি সকলোৱেই আজি, এক-আত্মা, এক প্ৰাণৰ—আহক—!

সকলোৱে:—ঈশ্বৰ-ঈশ্বৰী আমাৰ সহায় হওক! (বুলি সকলোৱে ঢোলৰ গুৰ-গুৰণি তুলি কাৰেঙৰ ফালে আগ বাঢ়ে।)

(আন ফালৰ পৰা কেইটামান মৰাণ ডেকাই হাঁহি নাচি গীত গাই আহে।)

মৰাণৰ ডেকাইঁত :—(হালি-জালি ঘূৰি ঘূৰি গাই আছে।)

বৈ বৈ যায়,　　পিঙ্গোতা নাই,
চপা নাহৰৰ কলি এ বাই।

*　*　*

বাইজেই লক্ষ্মী　　শুকুলী পাবৈ
সুৰে ঘৰে ঘৰে বৈ।
বস্তুৰ খাটতে　　প্ৰভু শুই আছিলে
লক্ষ্মী জগালে গৈ॥

*　*　*

ল—হ' বাই　　লহ'বীয়া।
লহ'— লহবীয়া॥

১ম ডেকা :—দোহোন, তোলৈ হে বিহুটো আহিল যেন দেখিছো।

২য় ডেকা :—ইস্, মোলৈ হে, তোলৈ জানিবা নহয়েই! ব'ল, ব'ল, আৰু বাটিচেৰেক পেটত পৰিলেহে, কিজানি বিহুটো পকিব।

৩য় ডেকা :—ৰ, ৰ, এই কেইটাই কিমান জপিবা অ'! —শুন, শুন, কাৰেঙত সেয়া হুচৰি গালেই!

আটাইকেউটা :—হয় যি নহয়!

(ভিতৰত—কাৰেঙত হুচৰি।)

—হুচৰি এ চ'ত,
আমি যে ওমলো য'ত
ডুবৰিও নগজে ত'ত॥

(অলপ পাচতে নাচনী চেও মৰা শুনা যায়।)

১ম ডেকা :—এ হে, ৰাক অ'! ঢোলটোৰে যেন কথা হে কৈছে! পাক এটা ইয়াতেই দিম নে কি অ'?

২য় ডেকা :—মোৰ হলে পাটো আছিছেই পাই। তই ঢোল চাপৰিকে ধৰ, মই পাক এটা দি লওঁ!

(এই বুলি কৰ্কালত হাত দি, নাচোন দিব খোজে।)

৩য় ডেকা :—হেৰ' বিহুটো আজি বাটতেই নে? ব'ল, ব'ল, কাৰেঙলৈ যাওঁ। তাতে হুচৰি চাওঁগৈ। ৰংপুৰীয়া হুচৰি চাব লগীয়া অ'!

আটাইকেইটাই :—এৰা, এৰা, ব'ল, ব'ল, কাৰেঙলৈকে যাওঁ।

গীত।

পাত ঐ পচলা,
মাথে ফুলৰ মালা,
নলামুই ঐ গৰ কৈ যতন কৰা।

(ডেকা কেইটাই নাচি-বাগি কাৰেঙলৈ যায়।)

পট-পৰিবৰ্ত্তন।

কাৰেং—ৰৰ চ'ৰাৰ মুখ।

(চ'ৰাৰ আগতে, হাতে ২ ঢোল, পেপা, টকা লৈ গোঁহাই হাজৰীকা আদি সকলো বিষয়াই হুচৰিৰ অন্তত আশীৰ্ব্বাদ দিবলৈ বহে।)

(ছুটা লিগিৰাই দুখন শৰাই ৰাইজলৈ আগবঢ়াই দিয়েছি।)

(এনেতে, লাহে ২ ৰাঘৱ ৰৰবৰুৱা ওলাই আহে। ৰাঘৱৰ পাছে ২ কুৰঙ্গনয়নী আৰু অন্যান্য ৰাঘৱৰ ভাৰ্য্যাবিলাক ওলাই আহে।)

ৰাঘৱ :—ৰাইজসকল, আজি বিহুৰ দিনা হুচৰি গোৱা ৰাইজক সেৱা কৰি আশীৰ্ব্বাদ ল'ব লাগে বুলি কুঁৱৰীয়ে কৈছে।

সকলোৱে :—হয়, হয়!

বাঘৰ :—এইটো হেনো ৰংপুৰৰ পুৰণি ৰজা-বিষয়াসকলৰ দল্তৰ।

সকলোৱে :—হয়, হয়!

বাঘৰ :—এতিয়া মই সপৰিবাৰে ৰবকৰাইও সেৱা জনাইছোঁ। বাইজে মৰাণ-জাতিৰ মঙ্গল কামনা কৰি আশীৰ্ব্বাদ দিয়ক।

(বুলি বাইজলৈ বাঘৰে আঠু লৈ সেৱা কৰে। সকলোৱে,—"জয় ৰাম বোলা, জয় হৰি বোলা," বুলি জয়ধ্বনি দিয়ে ; জয়ধ্বনিৰ লগে লগেই কুৰঙ্গনয়নীয়ে বাঘৰৰ কলাফুলত তৰোৱালেৰে ঘাপ মাৰে। ভয়ঙ্কৰ মূৰ্ত্তিৰে বাঘৰে জাপ মাৰি উঠে। এনেতে আনফালৰ পৰা ৰামকৃষ্ণাই তৰোৱাল মাৰে। সকলো বিষয়াই বাঘৰক খুচি-কাটি পেলাই দিয়ে।)

গোহাঁই হাজৰিকা :—(লৰালৰিকৈ কুৰঙ্গনয়নীৰ শচৰত আঠু লৈ কয়।)
—আইকুৱঁৰী, ধন্য আপোনাৰ বীৰত্ব! আপোনাৰ বুদ্ধিতেই আজি পুনৰ হেৰোৱা ৰাজসিংহাসন উদ্ধাৰ। (থিয় হৈ)
—বাইলুং গোহাঁই আৰু কেইজনমান ইয়াতে পৰিয়া হৈ থাকা, আমি ভিতৰ সোমাই ৰজা ৰমানন্দক ধৰি কাৰেং ধ্বংস কৰোঁ।

(এই বুলি বাকী সকলোৱেই কাৰেঙৰ ভিতৰলৈ সোমায়। ভিতৰত কটা-কটি মৰা মৰিৰ শব্দ আৰু মৃত্যুৰ আৰ্ত্তনাদ। ঘৰত জুই দিয়াৰ পোহৰ আৰু শব্দ।)

(অলপ পাচতে, সকলোৱে ভিতৰত জয় দি ওলাই আহে।)

গোহাঁই হাজৰিকা :—আইকুৱঁৰি, আইকুৱঁৰি, কাৰেঙত থকা মৰাণ মাত্ৰকে শেষ কৰিলোঁ। —ৰমানন্দক নেপালোঁ! আমি ইপিনে সোমাওতেই সিপিনে দিখৌৰ খোন্দে দি, ৰমানন্দ টাৱিয়ুৰাৰ জীয়েকৰ সৈতে পলাই গ'ল!

ভুবনমনী :—কি! ৰমানন্দ পলাল!

(এনেতে আনফালৰ পৰা কিছুমান ডেকা আৰু কহন হাজৰিকা গোসাঁই আহে।)

কহন হাজৰিকা :—ডাঙৰীয়াসকল, শুভ-সংবাদ, শুভ-সংবাদ। হৰ-গৌৰীৰ দেৱালত থকা মৰাণ মান্ত্ৰকে কটা হ'ল। একেটা যাঠিৰ খোচতেই বাধাই প্ৰাণ এৰিলে। —যাঠিৰ খোচ খাইও, নাহৰ খোৰা পলাইছিল। পাছে, খেদি গৈ, বৰডুৱাৰৰ মুখতে তাক বধ কৰা হ'ল।

ভুবনমনী :—ধন্য, ধন্য, ধন্য বীৰসকল!—বাঘৰ পৰিল, নাহৰ পৰিল, মৰাণনী বাধাৰ মৃত্যু হ'ল! এলাইবাছ্ ৰমানন্দ পলালেও পলাওক, একো ভয় নাই! এতিয়া—!

গোসাঁই হাজৰিকা :—এতিয়া! এতিয়া স্বৰ্গদেৱক উদ্ধাৰ কৰিব লাগে। এতিয়াই—! দঁৰিকা ডুৱাৰ আৰু ৰঙচ'ৰাত ভুই দেখি নগৰৰ মানুহ পলাব পাৰে।—কহন হাজৰিকা! ডেকা কেইজনমানলৈ, এতিয়াই নগৰত সংবাদ দিয়া, মৰাণক কাটি স্বৰ্গদেও আকৌ সিংহাসনত উঠিল বুলি! কোনো মানুহ পলাব নেলাগে।—আমি এতিয়াই ৰংদোলৰ পৰা স্বৰ্গদেওক আনোগৈ। পলমৰ সময় নাই!—সকলো কাম বিজুলি বেগত হ'ব লাগে।

(এনেতে নেওগ গোসাঁই ডেকাই, বিহুধৰ আৰু পখিলীক ধৰি আনে।)

নেওগ গোসাঁই ডেকা :—বিশ্বাসঘাতকী মহাপাপী বিহুধৰ লিগিৰা এইটো,—পলাওতেই ধৰিলো। এইজনী তাৰেই মাইকী পখিলী লিগিৰী!

গোহাঁই গাভৰিকা :—নৰাধম, উচিত শাস্তি পাবি! ইহঁতক হাতীশালত বন্দী কৰি থোৱা।

(নেওগ গোহাঁই ডেকাই সিহঁতক লৈ যায়।)

(কুৰঙ্গনয়নীলৈ)—নৰাধমহঁত এটা এটাকৈ সকলো ধৰা পৰিছে!—আইকুঁৱৰি, বাইলুং গোহাঁইৰ সৈতে কন্দ্ৰেক ইয়াত থাকক। আমি তুৰন্তে স্বৰ্গদেৱক লৈ ঘূৰিম!

(কুঁৱৰী আৰু বাইলুং গোহাঁই আৰু কেইজনমানৰ বাহিৰে সকলোৱেই বেগেৰে ওলাই যায়।)

সামৰণি পট।

ৰংপুৰ—ৰাজকাৰেং

ৰাজ চ'ৰা।

সময়—মাজৰাতি।

(মাজতে খালি সিংহাসন। আন এখন আসনত মণিপুৰী কুৱৰী কুৰঙ্গনয়নী। কেউফালে,—গোহাঁই হাজৰিকা, বাইলুং গোহাঁই, কাকতী কটকী আদি হুচৰি গোৱা সকলো বিষয়া থিয় দি থাকে—)

(—দঁৰিকা দুৱাৰ আৰু সিংহ দুৱাৰত হিলৈৰ শব্দ হয়, ভিতৰত ডবা, কাঁহ বাজে। লগে ২ সকলোৱে জয়ধ্বনি দিয়ে। ডবা বজোৱাৰ লগে লগেই স্বৰ্গদেও লক্ষ্মীসিংহ আহি সিংহাসনত বহেহি। সকলোৱে অভিবাদন জনায়।

গোহাঁই হাজৰিকা :—স্বৰ্গদেও, অসম দেশৰ বুৰঞ্জীত আজিৰ কাৰ্য্য এক অভিনৱ। আই কুৱৰীৰ বীৰত্ব, তামুলী-ৰামকৃষ্ণাইৰ কৌশল কহন হাজৰিকাৰ বুদ্ধি আৰু আনো আনো বিষয়া আৰু ডেকাসকলৰ বিক্ৰম, অসম দেশৰ বুৰঞ্জীত, সোণোৱালী আখৰেৰে লিখা থাকিব। আজিৰ বুৰঞ্জীয়ে পুত্ৰ-পৰিনাতি সকলক চিঞৰি চিঞৰি ক'ব, দেশৰ বাবে এই দেশৰ সন্তান মাত্ৰয়ে নিজৰ প্ৰাণ অকাতৰে উছৰ্গিব জানে। নিজ দেশৰ গৌৰৱ আৰু সন্মান ৰক্ষা কৰোতে, জাতি, ধৰ্ম্ম, বংশৰ বিচাৰ হ'ব নোৱাৰে! —আজিৰ কাৰ্য্যয়ে এই মহৎ বাণীৰ জ্বলন্ত সাক্ষী!

লক্ষ্মীসিংহ :—ডাঙৰীয়াসকল, বিষয়াসকল আৰু মোৰ পুত্ৰ স্বৰূপ প্ৰজাসকল, আপোনালোকৰ দেশসেৱাৰ নিষ্ঠাতেই আৰু কুৱৰীৰ অসাধাৰণ কৌশলতেই, এই দেৱৰো বাঞ্ছিত অসম দেশৰ ৰাজসিংহাসনৰ

পবিত্ৰতা আকৌ ঘুৰাই আনিব পৰা হৈছে। দেশৰ অনাহক বিপ্লৱ যাতে ধ্বংস হয়, ৰাজশক্তি আৰু প্ৰজা-শক্তিৰ মাজত যাতে শান্তি বিৰাজ কৰে—তাৰ সু-ব্যৱস্থা যেন আপোনালোকে তুৰন্তে কৰে। সিংহাসনৰ দায়িত্বপূৰ্ণ সন্মান আপোনালোকৰ দেশ-সেৱাৰ ওপৰতে নিৰ্ভৰ কৰিছে।

গোহাঁই হাণ্ডৰিকা :—ডাঙৰীযাসকল, যি বিপ্লৱত আজি, দেশৰ শক্তি দুৰ্ব্বল হৈ পৰিছে, আপোনালোকৰ ধন-প্ৰাণৰ নিশ্চয়তা নোহোৱা হৈছে, বিদেশী শত্ৰুৱে আমাৰ স্বাধীন সিংহাসনলৈ চকু দিব পৰা হৈছে ; সেই বিপ্লৱৰ মূল বীজ সমূলঞ্চে নাশ কৰি, দেশ সুগঠন কৰা আজি আমাৰ প্ৰত্যেকৰেই কৰ্ত্তব্য। দেশত শান্তি আৰু সমৃদ্ধি স্থাপন কৰা দেশৰ সন্তান মাত্ৰৰেই প্ৰধান কৰ্ত্তব্য।

কুৰঙ্গনয়নী :—স্বৰ্গদেও আৰু আমাৰ দেশৰ সন্তানসকল, আজি আমি কি কি অৱস্থাৰ মাজেদি সৰকি আহিছো, তাক আপোনালোক সকলোৱেই ভালকৈ বুজিছে। আমাৰ এই তীৰ্থভূমি কামৰূপা অসমত অতি অতিজৰে পৰা গুণ আৰু কৰ্ম্মৰ পূজা হৈ আহিছে। আমাৰ দেশৰ কথাকে নকওঁ, যি দেশতেই ইয়াৰ অন্যথা হয় তাতেই বিপ্লৱে দেখা দিয়ে। ৰাজ-চ'ৰাৰ ন্যায়-দণ্ড ন্যায়ত থাকিলে, প্ৰজাৰ মনত বিদ্ৰোহৰ ভাৱ উদয় হ'ব নোৱাৰে। আজি আপোনালোক সকলোৱেই বুজিব পাৰিছে, অস্ত্ৰ যোগালৈ হে! অযোগ্যই অস্ত্ৰ পালে, নিজৰ গাতেই ঘপিয়ায়! —ডাঙৰীয়া সকল, ভালকৈ মন কৰিব, যি বিলাক কথাত প্ৰজা সমূহে ৰজাঘৰক সন্দেহৰ চকুৰে চাবলৈ সুযোগ পাইছিল,

তাক একেবাৰেই মোহাৰি নাইকিয়া কৰিব লাগিব। মন কৰিব, দেশেই আমি, আমিয়েই দেশ। অযথা সন্দেহে দেশত ঠাই পালেই, নিজৰ অন্তৰ্বিপ্লৱৰ জুইত পৰি নিজে নিজেই ধ্বংস হ'ব লাগিব। ন্যায়েই দেশ জাতি আৰু সিংহাসনক ৰক্ষা কৰে। —এতিয়া স্বৰ্গদেওৰ মঙ্গলৰ অৰ্থে সকলোৱে এবাৰ জয়ধ্বনি দিয়ক।

সকলোৱে :—জয় স্বৰ্গদেওৰ জয়।
জয় অসমৰ জয়॥

(জয়ধ্বনিৰ লগে লগেই, কালুগয়াঁ আৰু মণিপুৰীয়া নাচনীয়ে গীত ধৰে।)

গীত।

নাচনীবিলাক :—

সেৱা শতবাৰ চৰণে তোমাৰ
ইশান ধুনীয়া তুমি।
অসম অসম সুষমা অসম
আমাৰ জন্ম ভূমি॥
তোমাৰ হস্তে শতেক পুত্ৰে
কৰিছে শিৰ দান।
তোমাৰ কীৰিতি মহিমাৰ গীতি
লুইতে ধৰিছে তান॥
আই মোৰ তুমি দেৱতাৰ ভূমি
ধন্য তোমাৰ চৰণ চুমি।
বিচে মলয়ায় নৈয়ে ধুৱায়
তুমি—ভাৰতৰ পুণ্য ভূমি॥